● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

দানৱবিলাক সঁচা,
ভূতবিলাকো সঁচা।
ইহঁত আমাৰ ভিতৰতে
থাকে, আৰু কেতিয়াবা
সিহঁত জয়ী হয়।



ষ্টিফেন কিং
*আমেৰিকান ঔপন্যাসিক*

www.dainikagradoot.in

৭ চৰকাৰ বিৰোধীক চীনত প্ৰেৰণ মানসিক চিকিৎসালয়লৈ
১৫ ডুৱাণ্ড কাপত সংযোজিত হ'ল অসম
৪ গণতান্ত্ৰিক দেশ ইউনাইটেড কিংডমৰ ৰাজবংশাৱলীৰ বহু জনা-নজনা কথা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩০৮তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১ ভাদ ১৪২৯ ভাস্কৰাব্দ ১৮ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 18 August 2022 মূল্য ঃ ৯.০০ টকা

■ সংশোধিত নাগৰিকত্ব আইন (কা) বাতিলৰ দাবীৰে আছু-নেছ'ৰ পুনৰ আন্দোলন ■ গুৱাহাটীৰ ছহিদ ন্যাস ভৱনত আৰক্ষীৰ কে'বা তৰপীয়া বেৰিকেড, ৰাজপথলৈ ওলোৱাত প্ৰতিবাদকাৰীক বাধা

# প্ৰতিবাদৰ বিৰুদ্ধে দমনমূলক আৰক্ষী



*গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্তকৰণতো বাধাদান আৰক্ষীৰ, মহানগৰীৰ ছহিদ ন্যাসত বুধবাৰে।*

গণতান্ত্ৰিক আন্দোলনৰ অনুমতি প্ৰদানৰ পৰাও বিৰত প্ৰশাসন ■ ধিক্কাৰ-সকীয়নি ছাত্ৰ সন্থাৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১৭ আগষ্ট ঃ** প্ৰায় দুটা বছৰৰ অন্তত অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত পুনৰ আৰম্ভ হ'ল সংশোধিত নাগৰিকত্ব আইন ('কা') বিৰোধী আন্দোলন। উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থা (নেছ')ৰ আহ্বানত আজি গুৱাহাটীতো সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আৰম্ভ হয় 'কা' বিৰোধী আন্দোলন। অৱশ্যে দমনমূলক আৰক্ষী-প্ৰশাসনৰ বাধাত উজান বজাৰৰ ছহিদ ন্যাস ভৱন চৌহদতে গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হয় আছু-নেছ'ৰ কে'বা শতাধিক সদস্য-সমৰ্থক। উল্লেখ্য যে গুৱাহাটী ক্লাবৰ ৰটাৰী পইণ্টত আজি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছিল যদিও আৰক্ষীয়ে ছহিদ ন্যাস ভৱনৰ সন্মুখত কে'বা তৰপীয়া বেৰিকেড সাজি প্ৰতিবাদী সকলক ছহিদ ন্যাস ভৱনৰ পৰা ওলোৱাত বাধা প্ৰদান কৰে। প্ৰশাসনে গুৱাহাটীৰ মাজমজিয়াত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ অনুমতি দিয়াৰ পৰা বিৰত আছিল আৰু সেয়েহে গুৱাহাটীৰ কে'বাস্থানতো কঠোৰ নিৰাপত্তা বেষ্টু গঢ়ি তোলা হৈছিল। অনুৰূপ ধৰণে ছহিদ ন্যাস ভৱনতো আছু নেতৃত্বক ৰাজপথলৈ ওলোৱাত বাধা দিয়ে আৰক্ষীয়ে। আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে গঢ়ি তোলা কাৰ্যতঃ যুদ্ধসদৃশ পৰিস্থিতিৰ সূত্ৰে মূৰকত ছহিদ ন্যাস ভৱন চৌহদতে আছুৰ নেতা-কৰ্মীসকলে 'কা' বাতিলৰ দাবীত চৰকাৰ বিৰোধী ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰায় দুঘণ্টা ধৰি চলা এই প্ৰতিবাদৰ অন্তত ১০ পৃষ্ঠাত চাওক

গাফিলতি-ব্যাঘাত সহ্য নকৰাৰ সকীয়নি

## তৃতীয়-চতুৰ্থ বৰ্গৰ পদৰ পৰীক্ষাক লৈ উপায়ুক্তৰে বৈঠক শৰ্মাৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১৭ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ প্ৰায় ৩০ হেজাৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদত নিযুক্তিৰ বাবে অনুষ্ঠিত হ'বলগীয়া পৰীক্ষা সুচাৰুৰূপে পৰিচালিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উপায়ুক্ত আৰু অন্যান্য অংশীদাৰীসকলৰ স'তে আজি ভাৰ্চুৱেল মাধ্যমৰ জৰিয়তে এক বৈঠকত মিলিত হয়।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন চৰকাৰী পদত যোগ্য যুৱক-যুৱতীসকলক স্বচ্ছভাৱে নিয়োগ কৰাৰ বাবে কোনো ধৰণৰ ত্ৰুটি নথকাকৈ পৰিচালনা পদ্ধতি মানি চলিবলৈ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। যিহেতু ১০ পৃষ্ঠাত চাওক

■ আজাদী কা অমৃত মহোৎসৱৰে সংগতি ৰাখি বিধানসভাৰ বিশেষ অধিৱেশন ■ ছহিদৰ পৰা কৃষক আন্দোলন-চিপাহী বিদ্ৰোহৰ আৰম্ভণিও অসমতে হৈছিল ■ সংকল্প প্ৰস্তাৱ গ্ৰহণ

## অসমৰ বৃহৎ অৱদানক উপেক্ষাত আক্ষেপ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১৭ আগষ্ট ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনৰ ছহিদৰ পৰা আৰম্ভ কৰি সংগ্ৰামলৈকে বহু ক্ষেত্ৰত অসম আছিল পথ প্ৰদৰ্শক। তাৰপাছতো অসমৰ সেই অৱদানৰ উল্লেখ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত পাবলৈ নাই অথবা সেয়া গুৰুত্বহীন হৈ পৰি ৰৈছে বুলি আজি অসম বিধানসভাত শাসক-বিৰোধী উভয় পক্ষই আক্ষেপ প্ৰকাশ কৰি এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ আগবঢ়ায়। আজাদী কা অমৃত মহোৎসৱৰ অংশৰূপে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত আজি অসম বিধানসভাৰ এখন বিশেষ অধিৱেশন অনুষ্ঠিত হয়। বিয়লি তিনি বজাৰ পৰা নিশা ৮-১৫ বজালৈকে অনুষ্ঠিত এই অধিৱেশনত স্বাধীনতা সংগ্ৰামত অসমৰ অৱদানৰ বিষয়ে বিশেষভাৱে আলোচনা কৰা হয়। ইয়াতেই মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি অধিকাংশ বিধায়কে অসমৰ অৱদানৰ বিষয়টো উপেক্ষিত হৈ থকাত আক্ষেপ প্ৰকাশ কৰে। আলোচনাৰ পাতনি মেলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লগতে চৰকাৰে গ্ৰহণ কৰা কে'বাটাও সিদ্ধান্তৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে স্বাধীনতা আন্দোলনৰ অসমৰ সংগ্ৰামীসকলৰ অৱদানৰ কথা সুঁৱৰি কয় যে ১৮২৮ৰ অক্টোবৰত গোমধৰ কোঁৱৰে ইংৰাজৰ বিৰুদ্ধে প্ৰথম বিদ্ৰোহৰ সূচনা কৰিছিল। আনহাতে, তেনে বিদ্ৰোহত জড়িত থকা ১০ পৃষ্ঠাত চাওক

■ বাদ পৰিল শীৰ্ষ নেতা নীতিন গাডকাৰী-শিৱৰাজ সিং চৌহান ■ অন্তৰ্ভুক্ত নহ'ল উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী ■ প্ৰথমবাৰ অসমৰ প্ৰতিনিধি ■ দিল্লীৰ পৰা দিছপুৰলৈ জোঁকাৰণি

## বিজেপিৰ সৰ্বোচ্চ ক্ষমতাশালী সংসদীয় ব'ৰ্ড-কেন্দ্ৰীয় নিৰ্বাচনী কমিটীত অন্তৰ্ভুক্ত সোণোৱাল





**■ নিউজ ব্যুৰ'/ষ্টাফ ৰিপৰ্টাৰ**
**নতুন দিল্লী/গুৱাহাটী, ১৭ আগষ্ট ঃ** বিজেপিৰ দলীয় সিদ্ধান্ত নিৰ্ণায়ক সৰ্বোচ্চ ক্ষমতাধৰ সংসদীয় ব'ৰ্ড আৰু প্ৰাৰ্থী বাছনিত শীৰ্ষ কৰ্তৃত্বশীল কেন্দ্ৰীয় নিৰ্বাচন কমিটীত ব্যাপক সালসলনি দলৰ ভিতৰচ'ৰাতে এক অন্যতম চৰ্চিত বিষয় হৈছে। ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই আজি কৰা এই সালসলনিত নতুন অন্তৰ্ভুক্তিকৰণতকৈ দলৰ জ্যেষ্ঠ নেতাৰ নাম কৰ্তনৰ প্ৰসংগইহে ৰাজনৈতিক তথা দলীয় মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই সৰ্বোচ্চ ক্ষমতাধৰ সাংগঠনিক কমিটীৰ পৰা নাম বাদ পৰা সকলৰ ভিতৰত অন্যতম উল্লেখনীয় হৈছে দলৰ প্ৰাক্তন সভাপতি আৰু প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থীৰূপে আঠ পৃষ্ঠাত চাওক

■ নিয়ম ৰক্ষা কৰি দেখুৱাবলৈকে মুখ্য পৰীক্ষা নিয়ন্ত্ৰকক নিযুক্তি ■ কে'বাজনো প্ৰাক্তন বিষয়া-সদস্যক হাজিৰ হ'বলৈ জাননী আয়োগৰ

## এপিএছচিত পুতলা সদৃশ বিষয়াৰে ৰাকেশ পাল বাহিনীৰ দৌৰাত্ম্য

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১৭ আগষ্ট ঃ** অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ ২০১৪ৰ নিযুক্তি প্ৰক্ৰিয়াত সংঘটিত কেলেংকাৰিক লৈ ন্যায়িক আয়োগৰ তদন্তত পোহৰলৈ আহিছে ন ন তথ্য। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত আয়োগৰ তদন্তত উন্মোচিত হৈছে যে কেলেংকাৰি সংঘটিত কৰিবলৈকে এপিএছচিত পুতলা সদৃশ বিষয়াক নিযুক্তি দিয়া হৈছিল। তেনে এটা পদ হ'ল মুখ্য পৰীক্ষা নিয়ন্ত্ৰক। অৱশ্যে এই ক্ষেত্ৰত ১০ পৃষ্ঠাত চাওক



## আত্মহত্যা কৰিবলৈ উদ্যত বন্ধুক ৰক্ষা কৰিবলৈ গৈ দুজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ১৭ আগষ্ট ঃ** দৰং জিলাৰ বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত বোনমাঝাৰ দুই যুৱকে চাংসাৰিত কৰুণ মৃত্যুক আঁকোৱালি লোৱা ঘটনাই শোকস্তব্ধ কৰি তুলিছে পশ্চিম দৰং। বোনমাঝাৰ বুঢ়াগাঁৱৰ দুই যুৱকে ক্ৰমে ইক্ৰাম আলী (২১) আৰু হাফিজুল ১০ পৃষ্ঠাত চাওক

এইবাৰ জালত ৰাণীৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া

## শিক্ষয়িত্ৰীৰ পৰা দাবী কৰা উৎকোচৰ ধন গ্ৰহণৰ সময়তে হাতে-লোটে গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপৰ্টাৰ/ অগ্ৰদূত বাৰ্তা গুৱাহাটী/ পলাশবাৰী, ১৭ আগষ্ট ঃ** উৎকোচ গ্ৰহণ কৰি এইবাৰ জালত পৰিল এজন শিক্ষা বিষয়া। ৰাজ্যত চলি থকা উৎকোচৰ মুকলি বজাৰৰ ছবি উদঙাই আজি ১০ পৃষ্ঠাত চাওক


■ ইমান স্বেচ্ছাচাৰী নহ'ব, পদপথত বৈ থকা লোকক কি যুক্তিত আটক? ■ আৰক্ষীৰ দমনমূলক ভূমিকাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ নেতৃত্বৰ

## প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ নৌহওতেই যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বক আটক

ইংৰাজীত শিক্ষাদানৰ সিদ্ধান্ত বাতিলৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১৭ আগষ্ট ঃ** ৰাজ্যৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় ইংৰাজীত পাঠদানৰ ৰাজ্যিক কেবিনেটৰ সিদ্ধান্তক অবিবেচকী আৰু স্ব-বিৰোধী আখ্যা দি আজি ৰাজ্যজুৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি এই সিদ্ধান্ত ১০ পৃষ্ঠাত চাওক





| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৭° |
| ডিব্ৰুগড় | ৩৪° | ২৭° |
| দিল্লী | ৩৩° | ২৭° |
| কলকাতা | ৩৬° | ২৮° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৯° | ১৯° |
| শ্বিলং | ২৪° | ১৯° |

*১৭ আগষ্ট, ২০২২*

মধ্যাহ্ন ভোজনৰ ধন আত্মসাৎ শিক্ষকৰ

## আলু-কণীৰ নামত প্ৰতাৰণা ছাত্ৰ-ছাত্ৰীক

**অগ্ৰদূত বাৰ্তা**
**বকো, ১৭ আগষ্ট ঃ** ৰাজ্যৰ শিক্ষা বিভাগৰ চূড়ান্ত হেমাহিৰ বাবে একাংশ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে উচিত শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। একেদৰে একাংশ প্ৰধান শিক্ষকে মধ্যাহ্ন ভোজনৰ ধন আত্মসাৎ কৰি নিজৰ জেপ গৰম কৰিছে। দুই-এজন অসৎ শিক্ষকৰ বাবে বাৰে বাৰে লজ্জানত, অপমানিত হ'বলগীয়া হৈছে শিক্ষক সমাজ। এনে এক ঘটনা সংঘটিত হৈছে বকো হাইস্কুলত। বিদ্যালয় পৰিদৰ্শকৰ অধীনৰ ১৯৪৯ত স্থাপন কৰা এখন অগ্ৰণী ১০ পৃষ্ঠাত চাওক

বিধানসভাত বিশেষ আইন গৃহীত কৰি মূল্যবৃদ্ধি ৰোধৰ দাবী ঃ আটক আৰু মুক্তি

## মূল্যবৃদ্ধিৰ বিৰুদ্ধে কৃষক মুক্তিৰ প্ৰতিবাদ, আৰক্ষীৰে প্ৰতিবাদকাৰীৰ খণ্ডযুদ্ধ



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১৭ আগষ্ট ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ সমান্তৰালভাৱে জনতাৰ ওপৰত অতিৰিক্ত কৰৰ বোজা জাপি দিয়াৰ অভিযোগ তুলি আৰু ইয়াৰ পৰা ৰাইজক পৰিত্ৰাণ দিয়াৰ দাবীৰে আজি গুৱাহাটী ক্লাবত প্ৰতিবাদ সাব্যস্ত কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। সংগঠনটোৰ শতাধিক কৰ্মীয়ে ১০ পৃষ্ঠাত চাওক

## সাগৰৰ আঢ়ৈ হেজাৰ ফুট গভীৰত উদ্ধাৰ কদাকাৰ প্ৰাণী



**■ নিউজ ব্যুৰ'**
**মেক্সিকো চিটী, ১৭ আগষ্ট ঃ** সাগৰৰ গভীৰতা হৈছে হৰেক ৰকমৰ বিচিত্ৰ প্ৰাণীৰ বাসস্থান। দীৰ্ঘকালৰ পৰাই অসংখ্য প্ৰাণীৰ বিষয়ে মানুহ বিশেষ অৱগত নাছিল। অৱশ্যে বিজ্ঞানৰ চৰম উন্নতিৰ ফলত ১০ পৃষ্ঠাত চাওক

মাটিয়াত শিক্ষা বিষয়াই উৎকোচ দাবীৰ ভিডিঅ' ৰাজহুৱা হোৱাত তীব্ৰ প্ৰতিক্ৰিয়া


## চাহ-পানীৰ খৰচ নিবিচাৰে বুলি ৰাজহুৱা ক্ষমা ভিক্ষা প্ৰাথমিক শিক্ষা বিষয়াৰ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৭ আগষ্ট ঃ** উৎকোচ লৈ আজি ৰাণীৰ শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ এজন বিষয়া হাতে-লোটে ধৰা পৰাৰ বিপৰীতে গোৱালপাৰাত আন এজন বিষয়াই মুখলজ্জাত ৰাজহুৱা ক্ষমা বিচাৰিবলগীয়া হয়। জিলাখনৰ মাটিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ এইজন শিক্ষা বিষয়া হ'ল বজলুল বাছিত সৰকাৰ। শিক্ষা বিষয়াজনে এল পি চি প্ৰদানৰ বিনিময়ত শিক্ষাখণ্ডটোৰ অন্তৰ্গত বহতী ইঙ্গিৰ এখন প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত বাস্তৱ জ্যোতি কোঁৱৰ নামৰ এজন শিক্ষকৰ পৰা উৎকোচ বিচাৰিছিল। উৎকোচ বিচৰাৰ ভিডিঅ'টো ম'বাইল ফোনযোগে গোপনে বন্দী কৰিছিল ১০ পৃষ্ঠাত চাওক

## কিশোৰীৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ বাবে উপস্থিত এছআইটি

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**মঙলদৈ/ঠেলামৰা, ১৭ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপত অৱশেষত হুগ্ৰাজুলিৰ কিশোৰীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ হৈছে। দৰঙৰ ধূলাত সশস্ত্ৰ সীমা বলৰ জোৱান কৃষ্ণকমল বৰুৱা আৰু নিৰ্জু নাথ বৰুৱাৰ ভাড়াঘৰত বনকৰা ছোৱালীৰূপে থকা অৱস্থাত যোৱা ১১ জুনত ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**




*এই দুমাহ শয়নে সপোনে এই আসনখনৰ কথাই ভাবিবা, তেতিয়াহে যদি সফলতা পোৱা!*

মাজবাটৰ কমলাবাৰীত খাদ্যৰ সন্ধানত অহা বনৰীয়া হাতীৰ তাণ্ডৱ ■ কথমপি ৰক্ষা কন্যাৰ

## হাতীৰ গচকত ডেৰ বছৰীয়া শিশুসহ নিহত তিনি

**অগ্ৰদূত বাৰ্তা**
**টংলা, ১৭ আগষ্ট ঃ** হাতী-মানুহৰ সংঘাতৰ পৰিণতিত যোৱা নিশা ওদালগুৰি জিলাৰ মাজবাট আৰক্ষী থানাৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্তৱৰ্তী কমলাবাৰীত এটি শিশুসহ একেটা পৰিয়ালৰ তিনিজন নিহত হয়। নিশা প্ৰায় ৯-৩০ বজাত এই ঘটনা সংঘটিত হয়। খাদ্যৰ সন্ধানত অৰুণাচলৰ পাহাৰৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ জাক এটাই কমলাবাৰীত প্ৰৱেশ কৰি নবীন বড়ো নামৰ লোকজনৰ ঘৰটো ভাঙি পেলায়। হাতীৰ এই ১০ পৃষ্ঠাত চাওক



■ গুৱাহাটী পৌৰ নিগমৰ কে'বা কোটি টকাৰ জাবৰ নিষ্কাসন কেলেংকাৰি ■ দুদিনত ব্যৱহৃত ডাম্পাৰৰ তথ্য যোগানৰ নিৰ্দেশ

## ডাম্পাৰ যোগান ধৰা-জাবৰ ওজন কৰা প্ৰতিষ্ঠানত তালাচী অভিযান

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১৭ আগষ্ট ঃ** গুৱাহাটী পৌৰ নিগমত জাবৰ নিষ্কাসনৰ নামত সংঘটিত কে'বা কোটিটকীয়া কেলেংকাৰিৰ উৎস বিচাৰি আজি মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে ডাম্পাৰ যোগানৰ দায়িত্বত থকা 'দিনচন গ্ল'ৰেল ভেঞ্চাৰ' প্ৰতিষ্ঠান আৰু জাবৰ বোজাই কৰি ডাম্পাৰসমূহ ওজন কৰা প্ৰতিষ্ঠান ষ্টীল উদ্যোগত অভিযান চলায়। ষ্টীল উদ্যোগৰ স্বত্বাধিকাৰী ৰমেশ চেৰাউগী আৰু দিনচন গ্ল'ৰেল ভেঞ্চাৰৰ বেলতলা বজাৰস্থিত কাৰ্যালয়ত তদাৰকী কোষৰ দল আজি উপস্থিত হৈ স্বত্বাধিকাৰী দীনেশ জয়ছোৱালক সোধ-পোছ কৰে। লগতে দুয়োটা প্ৰতিষ্ঠানৰ পৰা কিছু নথি-পত্ৰ ১০ পৃষ্ঠাত চাওক



## টংলা আৰক্ষীৰ তৎপৰতাত উদ্ধাৰ চুৰি হোৱা চাৰি লাখ ৫০,৯৩০ টকা

■ টংলা এনআৰএল তেল ডিপ'ৰ দুই কৰ্মচাৰীক জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**টংলা, ১৭ আগষ্ট ঃ** ওদালগুৰি জিলাৰ টংলা চহৰৰ এনআৰঅল তেল ডিপ'ৰ পৰা কালি পুৱা প্ৰায় সাত বজাত ডিপ'ৰ কেছ বক্সৰ পৰা চাৰি লাখ ৫০,৯৩০ টকা চুৰি হোৱা ঘটনাই হঠাতে তেল ডিপ'ৰ কৰ্মচাৰীৰ মাজত হুৱাদুৱাৰ সৃষ্টি হয়। উক্ত টকা চুৰি সম্পৰ্কত ডিপ'ৰ পৰিচালক নোৱাল *ছয় পৃষ্ঠাত চাওক*

## কলিয়াবৰত বন্যহস্তীৰ আক্ৰমণত নিহত এজন

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১৭ আগষ্ট ঃ** কলিয়াবৰৰ এক নম্বৰ সৰিয়হবাৰীত বনৰীয়া হাতীৰ সন্ত্ৰাসে ৰাইজক ভিতিগ্ৰস্ত কৰি তুলিছে। যোৱা নিশা বনৰীয়া হাতীৰ আক্ৰমণত নিহত হয় এজন লোক। নিহত লোকজনৰ নাম উপেন কলিতা। নিশা প্ৰায় এক বজাত বাহিৰলৈ ওলাই অহাৰ সময়তে লোকজনক আক্ৰমণ কৰে বনৰীয়া হাতীয়ে। উল্লেখ্য যে জাকৰ পৰা *ছয় পৃষ্ঠাত চাওক*

## পাচনীয়াত ব্ৰহ্মপুত্ৰ নৈৰ খহনীয়াৰ তাণ্ডৱ ৰোধিবলৈ জলসম্পদৰ পুনৰ ধন আবন্টন

# নিম্নমানৰ পাৰ্কুপাইনেৰে খহনীয়া ৰোধৰ চেষ্টা

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৭ আগষ্ট ঃ** জলসম্পদ বিভাগৰ ধুবুৰী সংমণ্ডলৰ জৰিয়তে বঙাইগাঁও জিলাৰ পাচনীয়াত ব্ৰহ্মপুত্ৰ নৈৰ খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ৩২ কোটিটকীয়া আঁচনিৰ অস্তিত্বক নস্যাৎ কৰি খহনীয়াই এফালৰ পৰা ঢাহি-মুহি নিয়াত পুনৰাই জলসম্পদ বিভাগে খহনীয়া প্ৰতিৰোধৰ বাবে আঢ়ৈ কোটি টকা আবন্টন দিছে। উল্লেখ্য যে মানাহ আৰু বেঁকী নৈয়ে উক্ত অঞ্চলৰ পৰা এক কিলোমিটাৰ মান পূব তথা উজানত ব্ৰহ্মপুত্ৰৰ স'তে মিলি যোৱাত স্বাভাৱিকতে অঞ্চলটোত নৈৰ গতিবেগ অধিক। ফলত নৈয়ে বিগত বৰ্ষতে বহু অঞ্চল খহনীয়াই বিধ্বস্ত কৰি আটাইকেইটা নৈয়ে মিলিত হৈ উত্তৰ দিশে ধাৱিত হয়। ইতিমধ্যে বহু ঘৰবাৰী, হেজাৰ-হেজাৰ হেক্টৰ কৃষিভূমি নৈৰ বুকুত জাহ যোৱাৰ পাছত এইবেলি পুনৰ খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰিছে। ইতিমধ্যে নৈ দুখনৰ খহনীয়াৰ কৱলত পৰি মহাদেৱ পাহাৰত থকা কে'বাশ বছৰীয়া প্ৰাচীন মহামায়া মন্দিৰলৈ যোৱা পথছোৱা ছিঙি নিয়াৰ লগতে মন্দিৰৰ তিনিটা দিশতেই ধ্বংসলীলা চলাইছে। আনপিনে নৈয়ে পাচনীয়া গাঁৱৰ দিশে অগ্ৰসৰ হোৱাত ইতিমধ্যে শ্মশানৰ বৃহৎ অংশ নৈৰ বুকুত জাহ গৈছে। উল্লেখ্য যে খহনীয়াই এনে তীব্ৰ ৰূপ ধাৰণ কৰিছে যে উক্ত খহনীয়া প্ৰতিৰোধ কৰিব নোৱাৰিলে শতিকা পুৰণি পাচনীয়া গাঁৱকে ধৰি মোহনপুৰ, কাবাইটাৰী আনকি চাৰি কিলোমিটাৰমান পশ্চিমত থকা যোগীঘোপাৰ নদী বন্দৰলৈও ভাবুকি আহিব পাৰে বুলি আশংকা কৰিছে ৰাইজে। এনে অৱস্থাত জলসম্পদ বিভাগে ততাতৈয়াকৈ খহনীয়া প্ৰতিৰোধৰ বাবে আঢ়ৈ কোটি টকা আবন্টন দিয়াত দায়িত্বৰত ঠিকাদাৰে কংক্ৰিটৰ পাৰ্কুপাইন পেলাইছে। পাৰ্কুপাইনবোৰ অতি নিম্ন মানৰ বুলি অভিযোগ উঠিছে। ফলত বাহনৰ পৰা আনলোড কৰোঁতেই বহু পাৰ্কুপাইন বিধ্বস্ত *ছয় পৃষ্ঠাত চাওক*



## ৰূপহীহাটত আৰক্ষীৰ জালত তিনি ড্ৰাগছ সৰবৰাহকাৰী

বিশেষ সংবাদদাতা



**নগাঁও, ১৭ আগষ্ট ঃ** নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ৰূপহীহাট আৰক্ষীয়ে যোৱা নিশাও এক বিশেষ সূত্ৰৰ পম খেদি গেৰেকীত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ এই অভিযানত বুজন পৰিমাণৰ ড্ৰাগছসহ তিনিজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী কেইজনৰ নাম চন্দন বৰা, অৰিন্দম মণ্ডল আৰু গোলাপ ধালী বুলি আৰক্ষী সূত্ৰই জনাইছে। ৰূপহীহাট আৰক্ষীয়ে ইতিমধ্যে ড্ৰাগছ সৰবৰাহকাৰী কেইজনক জেৰাৰ অন্তত আদালতত হাজিৰ কৰাই জেললৈ প্ৰেৰণ কৰে।

## বিজেপিৰ নেতা আব্দুল আজিজৰ মন্তব্যৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে অসম মিঞা পৰিষদে

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৭ আগষ্ট ঃ** বিজেপি নেতা তথা প্ৰাক্তন বিধায়ক আব্দুল আজিজে নিজৰ মাতৃভাষা জলাঞ্জলি দি অসমীয়া ভাষাক মাতৃভাষা হিচাপে লিখাসকলক 'বেইমান', 'গাদ্দাৰ,' 'মীৰ্জাফ'ৰ বুলি অভিহিত কৰা কাৰ্যক কঠোৰ ভাষাৰে গৰিহণা দিছে অসম-মিঞা (অসমীয়া) পৰিষদে। অসম মিঞা (অসমীয়া) পৰিষদৰ কেন্দ্ৰীয় সভাপতি এম মহৰ আলীয়ে এক প্ৰেছ বিবৃতিত কয় যে বিগত লোকপিয়লত আজিজে নিজেও মাতৃভাষা অসমীয়া বুলি লিখিছে। গতিকে এনে এজন স্থিতিহীন নেতাই নিজৰ জনগোষ্ঠীক মীৰ্জাফৰ, বেইমান, গাদ্দাৰ বুলি কোৱাৰ অধিকাৰতো নায়েই বৰং তেওঁ যে এজন চৰম বেইমান, গাদ্দাৰ সেইটোহে প্ৰমাণিত হ'ল। 'আব্দুল *ছয় পৃষ্ঠাত চাওক*

## ক্ষেত্ৰীত কিশোৰসহ তিনি গভাইত চোৰ কৰায়ত্ত

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১৭ আগষ্ট ঃ** বৃহত্তৰ ডিমৰীয়াত দীৰ্ঘদিন ধৰি চুৰি কাৰ্যৰে জনসাধাৰণক অতিষ্ঠ কৰি তোলা তিনিজন চোৰক আজি পুৱতি নিশা ক্ষেত্ৰী আৰক্ষীৰ এটি টহলাদাৰী দলে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, ধোপগুৰি তথা ৩৭ নম্বৰ ঘাইপথৰ গাতে লাগি থকা ঐতিহ্যমণ্ডিত ডিমৰীয়া হাইস্কুলত আজি পুৱতি নিশা এক চুৰিকাৰ্য সংঘটিত হয়। চোৰে বিদ্যালয়ৰ গুদাম ঘৰৰ তলা ভাঙি মধ্যাহ্ন ভোজনৰ চাউল ১৪ বেগ, আলু, গেছৰ চিলিণ্ডাৰ, তেল, ৰেফ্ৰিজাৰেটৰ, প্লাষ্টিকৰ চকী, ৰন্ধনকাৰ্যত ব্যৱহৃত বিভিন্ন বাচন-বৰ্তনকে ধৰি অন্যান্য সামগ্ৰী চুৰি কৰি লৈ আহি থকা অৱস্থাত চোৰৰ দলটোৱে আৰক্ষীৰ জালত পৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা দুই চোৰ ক্ৰমে সঞ্জয় *ছয় পৃষ্ঠাত চাওক*

## নিজ বিদ্যালয়ৰ নাবালিকা ছাত্ৰীক অপহৰণ কৰিলে শিক্ষকে



বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ১৭ আগষ্ট ঃ** শিক্ষকতাৰ দৰে মহান বিত্তীত নিয়োজিত এজন শিক্ষকৰ কৰ্মকাণ্ডই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিলাসীপাৰা আৰক্ষী থানাৰ অন্তৰ্গত বান্ধৰপাৰা গাঁৱৰ বাসিন্দা তথা চৰকাৰী বিদ্যালয়ৰ শিক্ষক জাকিৰ হুছেইনে নিজৰ বিদ্যালয়ৰে এগৰাকী ১৩ বছৰীয়া ছাত্ৰীক অপহৰণ কৰাৰ অভিযোগ উঠিছে। ঘটনা সন্দৰ্ভত নাবালিকা ছাত্ৰীগৰাকীৰ পৰিয়ালে ধুবুৰী জিলাৰ বন্দিহানা *ছয় পৃষ্ঠাত চাওক*

## সুকীয়া বড়ো ৰাজ্য দাবীৰ ন্যায্যতাক মানি ল'বলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান

### আন্দোলন তীব্ৰতৰ কৰাৰ আহ্বান অল ইণ্ডিয়া নেছনেল লীগ ফৰ বড়োলেণ্ডৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৭ আগষ্ট ঃ** সুকীয়া বড়ো ৰাজ্যৰ দাবীত বড়োভূমিৰ পাঁচটাকৈ জাতীয় সংগঠনে কেইদিনমান পূৰ্বে নতুন দিল্লীত যন্তৰ মন্তৰত অৱস্থান ধৰ্ণাৰে উত্তাল কৰি তোলাৰ পাছতে ভাৰতৰ সংবিধানৰ দুই আৰু তিনি অনুচ্ছেদ সংশোধন ঘটাই হ'লেও সুকীয়া বড়ো ৰাজ্য গঠনৰ ন্যায্যতা স্বীকাৰ কৰি ল'বলৈ চৰকাৰক পুনৰ মুকলিৰ আহ্বান জনাইছে 'অল ইণ্ডিয়া নেছনেল লীগ ফৰ বড়োলেণ্ড ষ্টেটৰ সভাপতি তথা লোকসভাৰ প্ৰাক্তন সাংসদ ছানছুমা খুংগুৰ বিছমুতিয়াৰীয়ে। কোকৰাঝাৰ প্ৰেছ ক্লাবত আজি আয়োজিত এক সংবাদমেলত প্ৰাক্তন সাংসদ বিছমুতিয়াৰীয়ে ভাৰতৰ মানচিত্ৰ থাকি সুকীয়া বড়ো ৰাজ্যৰ গঠনৰ দাবী বড়োসকলৰ সাংবিধানিক দাবী বুলি কয়। তেনেক্ষেত্ৰত যোৱা আঠ আগষ্টত নতুন দিল্লীত পাঁচটাকৈ জাতীয় সংগঠনে পৃথক বড়ো ৰাজ্য গঠনৰ দাবীত অৱস্থান ধৰ্ণা কাৰ্যসূচী ৰূপায়ণৰ অনুমতি থকাৰ পাছতো এঘণ্টাৰ অন্তত দিল্লীৰ আৰক্ষীয়ে কাৰোবাৰ উচটনিত বাধা দিয়াটো দুৰ্ভাগ্যজনক আখ্যাৰে আজি প্ৰতিক্ৰিয়া ব্যক্ত কৰে বিছমুতিয়াৰীয়ে। সংবাদমেলত বিছমুতিয়াৰীয়ে সুকীয়া বড়ো ৰাজ্যৰ *ছয় পৃষ্ঠাত চাওক*


### 'অ' হৰি মোৰ বান্ধৱ, কৃষ্ণ হৰি, ৰাম ৰাম ৰাম ৰাম...' শীৰ্ষক নিৰক্ষৰী ঘোষাৰে মুখৰিত হ'ব বটদ্ৰৱা

## আজিৰে পৰা বটদ্ৰৱা থানত ভাদৰ নাম



বিশেষ সংবাদদাতা

**নগাঁও, ১৭ আগষ্ট ঃ** অসমীয়া জাতীয় জীৱনৰ সংস্কৃতিৰ অনুশীলনৰ মাহ হিচাপে পৰিচিত পৱিত্ৰ ভাদ মাহ উপলক্ষে কাইলৈৰ পৰা অসমৰ নামঘৰ-সত্ৰসমূহত হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিব। আজি শাওণ আৰু ভাদ মাহৰ সংক্ৰান্তি। এই উপলক্ষে আজিৰে পৰা ৰাজ্যখনৰ প্ৰতিটো নামঘৰ আৰু সত্ৰসমূহত ভকত-বৈষ্ণৱ একত্ৰিত হৈ নাম-প্ৰসংগ আৰু শৰাই আগবঢ়াই মাহজোৰা বিভিন্ন কাৰ্যসূচী হাতত লৈ সাজু হৈ পৰিছে। তাৰ উপৰি শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ তিৰোভাৱ তিথি এই পৱিত্ৰ মাহটোতেই পালন কৰা হয়। সেয়ে এই উপলক্ষে বিভিন্ন ঠাইত ভাওনা-অংকীয়া নাট আদিৰ লগতে শংকৰী কলা-কৃষ্টিৰ নানা কাৰ্যসূচী হাতত লোৱা হয়। সেয়ে ভাদ মাহত ভকত-বৈষ্ণৱৰ লগতে গায়ন-বায়ন সকলোৰে এক সীমাহীন ব্যস্ততা। পুৱাৰ পৰা নিশা এপৰলৈকে গায়নৰ গীতৰ ৰাগ, বায়নৰ খোলৰ চাপৰ, হৰি নামৰ অমল-ধ্বনি, ভাও ভাৱৰীয়াৰ বিলাপ-পয়াৰৰ সুৰত কৃষ্ণভক্তিৰ নান্দনিক পৰিৱেশত মুখৰিত হয় অসমৰ প্ৰতিখন গাঁৱৰ প্ৰতিটো চুবুৰি, প্ৰতিখন চহৰ-নগৰ উপকণ্ঠ অঞ্চল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান ইতিহাস প্ৰসিদ্ধ বটদ্ৰৱাতো আজি শাওণ-ভাদৰ সংক্ৰান্তি উপলক্ষে এক উখল-মাখল ধৰ্মীয় সাংস্কৃতিক পৰিৱেশৰ সূচনা হৈছে। ইতিমধ্যে তীৰ্থযাত্ৰীক আদৰিবলৈ সাজু হৈছে শ্ৰীশ্ৰী বটদ্ৰৱা থান *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ১ ভাদ ১৪২৯ ভাস্কৰাব্দ ১৮ আগষ্ট ২০২২



# কাগজৰ ফাইল

অসম চৰকাৰে ৰাজ্যিক সচিবালয়ত বহু বছৰ ধৰি পৰি থকা পাহাৰসদৃশ হৈ পৰা কাগজৰ ফাইলৰ পৰা কাৰ্যালয়সমূহ মুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি চৰকাৰে ইতিমধ্যে আৰম্ভ কৰা প্ৰজেক্ট সম্ভাৱনা অনুসৰি কাৰ্যালয়ৰ ফাইলৰ কামসমূহ শেষ কৰিবলৈ আৰু বেছি পুৰণি ফাইলসমূহ সংৰক্ষণাগাৰলৈ প্ৰেৰণ কৰিব বুলি ঘোষণা কৰিছে। চৰকাৰৰ সিদ্ধান্ত অনুসৰি অহা দুই অক্টোবৰৰ ভিতৰত দিছপুৰৰ সচিবালয় সম্পূৰ্ণ কাগজৰ ফাইলমুক্ত হ'ব লাগিব। বৰ্তমান কাৰ্যালয়সমূহত চাৰি লাখৰো অধিক ফাইল পৰি আছে যিবিলাকৰ কাম বিভিন্ন কাৰণত সম্পূৰ্ণ নোহোৱাকৈ ৰৈ গৈছে। উল্লেখ্য যে দিছপুৰৰ সচিবালয়লৈ ৰাজ্যখনৰ শ শ লোক বিভিন্ন কামৰ বাবে আহে। সচিবালয়ত প্ৰতিদিনে বহু লোকৰ ভিৰ হয়; কিন্তু ফাইলৰ কামবোৰ আগনাবাঢ়ে। চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ পৰা বিষয়া-কৰ্মচাৰীসকললৈকে বিভিন্ন অজুহাত দেখুৱাই ফাইলৰ কামবোৰ পেলাই ৰখাত সহায় কৰি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ৰাইজৰ অভিযোগ যে ফাইলবিলাকক কেন্দ্ৰ কৰি দুৰ্নীতি-ভ্ৰষ্টাচাৰ চলে। লাখ লাখ ফাইল দ'ম হৈ পৰি থকাৰ এটা অন্যতম কাৰণ হ'ল বিষয়া-কৰ্মচাৰীৰ অৱহেলা। তেওঁলোকৰ মাজত সততাৰ অভাৱ, কৰ্মসংস্কৃতিৰ অভাৱ। চৰকাৰে সেয়ে অহা দুই অক্টোবৰৰ পৰা ফাইল সংস্কৃতিক দিছপুৰৰ পৰা বাহিৰ কৰিব বিচাৰিছে বুলি প্ৰকাশ কৰিছে। ফাইলৰ সংস্কৃতিতেই দুৰ্নীতি-অনিয়ম অব্যাহত ৰখাৰ সুযোগ-সুবিধা ৰৈ গৈছে। চৰকাৰে সেয়ে কাৰ্যালয়সমূহ নিকা অৰ্থাৎ দুৰ্নীতিমুক্ত কৰাৰ উদ্দেশ্যে কাগজৰ ফাইলৰ পৰিৱৰ্তে সম্পূৰ্ণ ডিজিটেল ব্যৱস্থা প্ৰৱৰ্তন কৰাত জোৰ দিছে বুলি কৈছে। প্ৰতিটো কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ টেবুলে টেবুলে থাকিব কম্পিউটাৰ। কাৰ্যালয়ত কাগজৰ ফাইলৰ পৰিৱৰ্তে কম্পিউটাৰতে ৰাজহুৱা বা ব্যক্তিগত সকলো কাম ডিজিটেল মাধ্যমত চলিব। ইতিমধ্যে কে'বাটাও বিভাগৰ কাম ডিজিটেল মাধ্যমলৈ নিয়া হৈছে। ইয়াৰ জৰিয়তে বিষয়া-কৰ্মচাৰীয়ে কাম নকৰিও কৰা বুলি ফাঁকি মাৰি চলাৰ সুযোগ নাইকিয়া হ'ব বুলি আশা কৰা হৈছে। সাধাৰণ নাগৰিকৰ পৰা মন্ত্ৰীলৈকে— সকলোৱে চাব পাৰিব বিষয়া-কৰ্মচাৰীসকলে কি কৰিছে। উল্লেখ্য যে যোৱা দুটা বছৰে ক'ভিড মহামাৰীৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে স্মাৰ্টফোন, টেবলেট, লেপটপ আদিৰ সহায়ত অনলাইন ক্লাছ কৰিছিল, কাৰ্যালয়সমূহৰ কামবোৰো বিষয়া-কৰ্মচাৰীসকলে ঘৰতে থাকি কম্পিউটাৰ-ইন্টাৰনেটৰ সহায়ত কৰিছিল। বিশেষকৈ ব্যক্তিগত খণ্ডৰ কাৰ্যালয়বিলাকে 'ৱৰ্ক ফ্ৰম হোম' ব্যৱস্থাৰ সুবিধা দিলে। এইদৰে ইন্টাৰনেটৰ ব্যাপক ব্যৱহাৰ, ঘৰে ঘৰে অনলাইনত কাম কৰাৰ সুবিধা ক'ভিড মহামাৰীৰ বাবেই ক্ষিপ্ৰতাৰে বৃদ্ধি পালে। স্মাৰ্টফোন, লেপটপ, টেবলেট আদিৰ জনপ্ৰিয়তা অভূতপূৰ্ব হাৰত বৃদ্ধি পোৱা পৰিলক্ষিত হ'ল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ভাৰত নিৰ্মাণৰ আহ্বান দি আছিল। ক'ভিড মহামাৰীয়ে যেন ক্ষিপ্ৰতাৰে দেশত ডিজিটেল যুগৰ সৃষ্টি কৰাত সহায় কৰিলে। ডিজিটেল ব্যৱস্থা স্বাস্থ্যৰ বাবে নিৰাপদ, কিয়নো ইয়াৰ ফলত কোনো লোকে সামগ্ৰীসমূহ স্পৰ্শ কৰাৰ প্ৰয়োজন নহয়। কাৰ্যালয়ত জনসমাগমৰ প্ৰয়োজন নাই। কৰ'না ভাইৰাছ বিয়পাৰ সুযোগ হ্ৰাস পালে। ক'ভিড মহামাৰীৰ বাবেই দেশত ডিজিটেল ব্যৱস্থাৰ পথ দ্ৰুতগতিৰে মুকলি হ'ল। এনে এক পৰিপ্ৰেক্ষিততে অসম চৰকাৰে ইয়াৰ কাৰ্যালয়বোৰ ডিজিটেলাইজ কৰাৰ সিদ্ধান্ত লোৱাটো তাৎপৰ্যপূৰ্ণ আৰু ইয়াৰ প্ৰভাৱ হ'ব সুদূৰপ্ৰসাৰী। সচিবালয়ৰ বাহিৰেও চৰকাৰী আনবোৰ কাৰ্যালয়তো ডিজিটেল ব্যৱস্থা আৰম্ভ কৰা হৈছে আৰু আনবোৰ কাৰ্যালয়তো কাগজৰ ফাইলৰ প্ৰচলন বন্ধ হৈ পৰিব বুলি আশা কৰিব পাৰি।

প্ৰধানমন্ত্ৰী মোদীয়ে ডিজিটেল ভাৰত নিৰ্মাণৰ আহ্বান দিয়াৰ এটা প্ৰধান কাৰণ আছিল কামৰ গতি বৃদ্ধি কৰা আৰু সকলো ক্ষেত্ৰলৈকে স্বচ্ছতা অনা। কামবোৰ স্বচ্ছ হোৱাৰ অৰ্থ হ'ব দুৰ্নীতিমুক্ত, কেলেংকাৰিমুক্ত হৈ থকা। দুৰ্নীতিৰ বিৰুদ্ধে অভিযান সফল কৰাত স্বচ্ছতাই সহায় কৰিছে। এই স্বচ্ছতা সম্ভৱ হৈছে ডিজিটেল ব্যৱস্থাৰ বাবে। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ডিজিটেল ইণ্ডিয়াৰ অভিযানৰ প্ৰতি সঁহাৰি জনায়ে কাৰ্যালয়সমূহ কাগজবিহীন কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে বুলি ক'ব পাৰি। প্ৰশ্ন হৈছে, কাৰ্যালয়বোৰ কাগজবিহীন বা কাগজৰ ফাইল শূন্য হ'লেই দুৰ্নীতি-ভ্ৰষ্টাচাৰ শেষ হ'বনে? অসমত চৰকাৰী কাৰ্যালয়বোৰত কৰ্ম-সংস্কৃতিৰ সৃষ্টি হ'বনে? মানুহবোৰ জানো নৈতিকভাৱে দায়িত্বপূৰ্ণ হ'ব? কৰ্মক্ষেত্ৰত সততা দেখা যাবনে? সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলক তেওঁলোকৰ কামৰ বাবে জবাবদিহি কৰা হ'বনে? চৰকাৰী বিষয়া-কৰ্মচাৰীৰ চৰিত্ৰ তথা আচৰণ সলনি হ'বনে? এইবিলাক প্ৰশ্নৰ স্পষ্ট উত্তৰ অসমৰ ৰাইজে কেতিয়া পাব? এতিয়াও বিভিন্ন চৰকাৰী বিভাগবোৰত ভ্ৰষ্টাচাৰৰ মেলা গোপনে চলাই থকাৰ বিভিন্ন ঘটনা সংবাদ মাধ্যমে পোহৰলৈ অনা দেখা গৈছে। চৰকাৰ যিমানেই দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে কঠোৰ হোৱা বুলি কৈছে, দুৰ্নীতিৰ বিৰুদ্ধে শূন্যসহনশীলতা অৱলম্বনৰ বাবে চৰকাৰে যিমানেই আহ্বান জনাই আছে, সিমানেই দুৰ্নীতিত পোত গৈছে এচাম বিষয়া-কৰ্মচাৰী। আৰক্ষীৰ পৰা অভিযন্তা তথা প্ৰশাসনীয় বিষয়ালৈকে দুৰ্নীতিত জড়িত হোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হৈছে; কিন্তু ধৰা পৰা বা শাস্তিৰ সন্মুখীন হোৱা দুৰ্নীতিত লিপ্ত লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পাৰি। প্ৰকৃত ছবিখন নিশ্চয় ইয়াতকৈ অধিক ভয়াৱহ। কাগজৰ ফাইল শূন্য কাৰ্যালয়বোৰ স্বচ্ছ, নিকা আৰু দুৰ্নীতিমুক্ত হ'লে নিশ্চয় ৰাজ্যখনৰ বিকাশ সম্ভৱ হ'ব।

## খোলা মঞ্চ

### অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা



**অগ্ৰদূতে** অসমীয়া বাতৰি কাকতৰ ইতিহাসত সোণালী ইতিহাস ৰচনা কৰিছে। পঞ্চাশটা বছৰ অতিক্ৰম কৰা অগ্ৰদূত কাকতখনৰ অসমীয়া জাতিগঠন পক্ৰিয়াত বলিষ্ঠ অৱদান আছে। গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ সময়ৰ পৰা আজি পৰ্যন্ত অগ্ৰদূত কাকতখনৰ লগত আমাৰ এটা আন্তৰিক সম্বন্ধ অব্যাহত আছে। অসমীয়া জাতিৰ প্ৰতি অহা প্ৰতিটো দুৰ্যোগ অতিক্ৰম কৰাৰ স্বাৰ্থত 'অগ্ৰদূত' কাকতখনে গ্ৰহণ কৰা পদক্ষেপ প্ৰশংসনীয়। কাকতখনে অৰ্ধশতিকা কাল নিৰৱছিন্নভাৱে অসমৰ জাতি মাটি আৰু ভেটিৰ হকে একক আৰু অনবদ্য প্ৰচেষ্টা অব্যাহত ৰাখিছে।


**প্ৰদীপ পৰাশৰ,** *লেখক*

কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদক লব্ধ প্ৰতিষ্ঠিত সাংবাদিক কনকসেন ডেকাৰ নেৰা-নেপেৰা প্ৰচেষ্টাত আজিও 'অগ্ৰদূত' জাকত জিলিকা হৈয়ে আছে। প্ৰজন্মৰ পৰা প্ৰজন্মক জাতীয় চিন্তা চেতনাৰে উদ্বুদ্ধ কৰি অগ্ৰদূতে সদায় নিজৰ ঐতিহ্য পৰম্পৰা ৰক্ষা কৰি আহিছে। আনহাতে, 'দৈনিক অগ্ৰদূত'ৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাইও নিজৰ বলিষ্ঠ লেখাৰে অগ্ৰদূত প্ৰতিষ্ঠানৰ গৰিমা বৃদ্ধি কৰিছে। অগ্ৰদূত কাকতে তাহানিৰ পৰাই বিশিষ্টসকলৰ লগতে নতুন চাম লেখককো লেখাৰ সুবিধা প্ৰদান কৰি এচাম নতুন লেখক সৃষ্টি হোৱাত সহায় কৰি আছে। আমাৰ ব্যক্তিগত সাহিত্য জীৱনতো অগ্ৰদূতৰ ভূমিকা অনস্বীকাৰ্য।

বিভিন্ন ৰুচিসন্মত লেখাৰে সমৃদ্ধ অগ্ৰদূতে বিভিন্ন পাঠকৰ মাজত সদায় সমাদৰ পাই আছে। ধৰ্ম, ৰাজনীতি, সমাজনীতি, সাহিত্য, সংস্কৃতি আদি সকলো দিশতে আলোকপাত কৰি লেখা অগ্ৰদূতৰ লেখাসমূহৰ বাবে কাকতখনৰ জনপ্ৰিয়তা সদায় অক্ষুণ্ণ আছে। অৰ্ধশতাব্দী অতিক্ৰম কৰা এই গৌৰৱোজ্জ্বল ক্ষণত অগ্ৰদূতৰসমূহ কাৰ্যকৰ্তা, পৰিচালক মণ্ডলী আৰু কাকতখনৰ লগত জৰিত প্ৰতিজন ব্যক্তিলৈ অনেক শুভকামনা জনোৱাৰ লগতে অগ্ৰদূতৰ দীৰ্ঘায়ু কামনা কৰিলো।

# গণতান্ত্ৰিক দেশ ইউনাইটেড কিংডমৰ ৰাজবংশাৱলীৰ বহু জনা-নজনা কথা





## সোঁতৰ বিপৰীতে চিন্তা

ইংলেণ্ডৰ পৰা **প্ৰবীণ চৌধুৰী**

আমাৰ দেশৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত প্ৰাথমিক বা প্ৰাক-প্ৰাথমিক পৰ্যায়ত সৰু সৰু ল'ৰা-ছোৱালীক শিকোৱা এটা জনপ্ৰিয় নাৰ্ছাৰী ৰাইম হৈছে, 'পুছী কেট পুছী কেট, হোৱেৰ হেভ ইউ বীন ? আই হেভ বীন টু লণ্ডন টু ভিজিত দ্যা কুইন'। লণ্ডনলৈ আহি বাৰে বাৰে মোৰ এই ৰাইমটোলৈ মনত পৰিছে আৰু ৰাইমটোত থকা 'কুইন' শব্দটোৱে মোৰ মন-মগজু বাৰুকৈয়ে ছানি ধৰিছে। তাৰ লগে লগে মোৰ আকৰ্ষণ বাঢ়িছে ব্ৰিটিছ ইতিহাসৰ প্ৰতিও। বুৰঞ্জীৰ ছাত্ৰ নহওঁ যদিও সীমিত অধ্যয়নেৰে বুজি পাইছো যে ইংলেণ্ড আৰু ইউৰোপৰ বুৰঞ্জী অতি জটিল আৰু অকোৱা পকোৱা। গতিকে ৰাণীৰ বিষয়ে লিখিবলৈ যাওঁতে অৱধাৰিতভাৱে ব্ৰিটিছ বুৰঞ্জীৰ 'ভুলভুলা'য়েও লিখনিত স্থান পোৱাটো স্বাভাৱিক।

যি হওক, তিনিখন দেশ ক্ৰমে ইংলেণ্ড, ৱেলছ আৰু স্কটলেণ্ডৰ সমষ্টি গ্ৰেট ব্ৰিটেইন আৰু তাৰ লগতে নৰ্দাৰ্ণ আয়াৰলেণ্ডক সামৰি গঠিত সাৰ্বভৌম ৰাষ্ট্ৰ ইউনাইটেড কিংডমৰ বিষয়ে যোৱা ১১ আগষ্ট ২০২২ৰ 'দৈনিক অগ্ৰদূত' কাকতত প্ৰকাশ পোৱা মোৰ প্ৰবন্ধত উল্লেখ কৰিছিলো। এখন সাংবিধানিক ৰাজতান্ত্ৰিক আৰু সংসদীয় গণতান্ত্ৰিক ৰাষ্ট্ৰ বুলি বৰ্ণিত ইউনাইটেড কিংডমখন ব্ৰিটেইন নামেৰেও জনাজাত। ১৭০৭ত দুখন চুবুৰীয়া দেশ ইংলেণ্ড আৰু স্কটলেণ্ডৰ মাজত হোৱা একত্ৰীকৰণ চুক্তি অনুযায়ী গ্ৰেট ব্ৰিটেইন গঠন কৰা হৈছিল। সেই সময়ত ৱেলছ ইংলেণ্ডৰ অধীনত আছিলেই। ১৫৪২ত ইংলেণ্ডে ৱেলছক নিজৰ অধীনলৈ আনিছিল। যি হওক, ১৮০১ত ব্ৰিটিছ দ্বীপপুঞ্জৰ আনটো বৃহৎ দ্বীপজোৱা আয়াৰলেণ্ডৰ স'তে একত্ৰীকৰণ হৈ ইউনাইটেড কিংডম অৱ গ্ৰেট ব্ৰিটেইন এণ্ড আয়াৰলেণ্ড গঠিত হৈছিল। পাছত প্ৰধানকৈ ধৰ্মৰ ভিত্তিত ১৯২১ত আয়াৰলেণ্ড দুখণ্ডিত হৈ দ্বীপটোৰ কেথ'লিক সংখ্যাগৰিষ্ঠ লোকেৰে ভৰা দক্ষিণ অঞ্চলটো সামৰি আয়াৰলেণ্ড নামেৰে এখন স্বাধীন ৰাষ্ট্ৰৰ জন্ম হয় আৰু প্ৰটেষ্টাণ্ট সংখ্যাগৰিষ্ঠ লোকেৰে ভৰা উত্তৰাঞ্চলটো ইউনাইটেড কিংডমৰ লগত থাকি যায়। গতিকে একত্ৰিত দেশখনে ইউনাইটেড কিংডম অৱ গ্ৰেট ব্ৰিটেইন এণ্ড নৰ্দাৰ্ণ আয়াৰলেণ্ড নাম লয়।

ভাৰতবৰ্ষত ব্ৰিটিছ সাম্ৰাজ্য স্থাপনৰ হোতা ইষ্ট ইণ্ডিয়া কোম্পানী গঠন কৰাৰ সময়ত আৰু কোম্পানীটোৰ বিষয়া-কৰ্মচাৰী ভাৰতলৈ আহিবলৈ আৰম্ভ কৰাৰ সময়ত ইউনাইটেড কিংডম গঠিত হোৱা নাছিল । সেই সময়ত ৱেলছক সামৰি কিংডম অৱ ইংলেণ্ডহে আছিল। ইষ্ট ইণ্ডিয়া কোম্পানী স্থাপন কৰাৰ বাবে অনুমতি আৰু ৰয়েল চাৰ্টাৰ প্ৰদান কৰিছিল সেই সময়ৰ ইংলেণ্ডৰ ৰাণী প্ৰথম এলিজাবেথে ১৬০০ৰ ৩১ ডিচেম্বৰত। সেই সময়ত তেওঁ নিশ্চয় কল্পনা কৰা নাছিল যে এই অনুমতি প্ৰদানেৰে তেওঁ ৰোপণ কৰা বীজটোৱে ভৱিষ্যতে এদিন ব্ৰিটিছ সাম্ৰাজ্যৰ আধিপত্য সুদূৰ ভাৰতবৰ্ষলৈ বিস্তাৰ কৰিব । যি হওক, ২৫ বছৰ বয়সতে ৰাজসিংহাসন আৰোহণ কৰি ৪৫ বছৰ জুৰি ৰাজত্ব কৰা ৰাণী প্ৰথম এলিজাবেথ অবিবাহিতা আছিল আৰু তেওঁৰ নিজা কোনো উত্তৰাধিকাৰী নথকা কাৰণে তেওঁ সেই সময়ৰ স্কটলেণ্ডৰ ৰজা আৰু তেওঁৰ থাৰ্ড কাজিন ষষ্ঠ জেমছক উত্তৰাধিকাৰী হিচাপে মনোনীত কৰিছিল। গতিকে ১৬০৩ত ৰাণী এলিজাবেথৰ মৃত্যুৰ লগে লগে স্কটলেণ্ডৰ ৰজা ষষ্ঠ জেমছে প্ৰথম জেমছ হিচাপে ইংলেণ্ডৰ ৰাজসিংহাসন অধিকাৰ কৰে আৰু ইংলেণ্ডত ষ্টুৱাৰ্ট বংশৰ ৰাজত্বৰ সূত্ৰপাত কৰে । লগে লগে ইংলেণ্ডত টুডৰ বংশৰ ৰাজত্বৰ অন্ত পৰে। উল্লেখ্য যে ইংলেণ্ড বা ইউনাইটেড কিংডম ধাৰাবাহিকভাৱে একেটা বংশৰ ৰজা-ৰাণীয়ে ৰাজত্ব কৰি থকা নাছিল । প্ৰথম এলিজাবেথ আছিল ইংলেণ্ডত টুডৰ বংশৰ শেষ সম্ৰাজ্ঞী। আনহাতে, বৰ্তমানৰ ৰাণী দ্বিতীয় কুইন এলিজাবেথ হাউছ অৱ উইনছৰ বা উইনছৰ বংশৰ ৰাণী আৰু এই বংশৰ তেওঁ চতুৰ্থ গৰাকী সম্ৰাজ্ঞী। বংশটোৰ প্ৰথম গৰাকী ৰজা অছিল পঞ্চম জৰ্জ। তেওঁৰ ছয় সন্তানৰ ভিতৰত প্ৰথম সন্তান এডৱাৰ্ড ৰাজসিংহাসনৰ উত্তৰাধিকাৰী আছিল। ২০ জানুৱাৰী ১৯৩৬ত তেওঁ সিংহাসনত বহিছিল; কিন্তু একে বছৰৰে ১০ ডিচেম্বৰত তেওঁ ৰাজসিংহাসন ত্যাগ কৰে; আৰু তেওঁৰ ভ্ৰাতৃ এলবাৰ্ট ষষ্ঠ জৰ্জ হিচাপে ৰজা হয়। ষষ্ঠ জৰ্জৰ মৃত্যুত তেওঁৰ জ্যেষ্ঠ দুহিতা এলিজাবেথ দ্বিতীয় এলিজাবেথ হিচাপে ইউনাইটেড কিংডমৰ ৰাণী হয় ।

উইনছৰ বংশৰ আগতে ইংলেণ্ডত ৰাজত্ব কৰা বংশটোৰ নাম আছিল হাউছ অৱ হেনোভাৰ বা হেনোভাৰ বংশ।

যি হওক, ইষ্ট ইণ্ডিয়া কোম্পানীক ভাৰতত ব্যৱসায় কৰিবলৈ প্ৰথম কুইন এলিজাবেথে অনুমতি প্ৰদান কৰিছিল যদিও ইংলেণ্ডৰ ৰজা প্ৰথম জেমছৰ ৰাজত্ব কালতহে কোম্পানীটোৱে ভাৰতত ব্যৱসায় আৰম্ভ কৰিছিল। ৰজা প্ৰথম জেমছৰ পৰৱৰ্তী কালত ইংলেণ্ডৰ ৰজা হিচাপে প্ৰথম আৰু দ্বিতীয় চাৰ্লছ, দ্বিতীয় জেমছ, তৃতীয় উইলিয়াম, ৰাণী দ্বিতীয় মেৰী আৰু ৰাণী এনক সামৰি মুঠ ছয় গৰাকী ৰজা-ৰাণীয়ে ৰাজত্ব কৰিছিল। ৰাণী এনৰ ৰাজত্ব কালতে ৱেলছ প্ৰমুখ্যে ইংলেণ্ড আৰু স্কটলেণ্ডক সামৰি গ্ৰেট ব্ৰিটেইন গঠিত হৈছিল। ষ্টুৱাৰ্ট বংশৰ এই সাত গৰাকী ৰজা-ৰাণীৰ ৰাজত্ব কালতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষত নিজৰ আধিপত্য যথেষ্ট বিস্তাৰ কৰিছিল। ব্যৱসায় কৰিবলৈ অহা কোম্পানী এটাই কেনেদৰে ভাৰতবৰ্ষৰ দৰে কে'বাখনো স্বাধীন ৰাজ্যৰে গঠিত বৃহৎ অঞ্চল এটাৰ চৰকাৰ চলাবলৈ সক্ষম হৈছিল সি এক আশ্চৰ্যৰ বিষয়। ইতিমধ্যে ভাৰতবৰ্ষ ব্ৰিটিছ ইণ্ডিয়া বুলি জনাজাত হৈছিলেই।

> **১৮৫৭ত ভাৰতবৰ্ষত চিপাহী বিদ্ৰোহ নামেৰে চিহ্নিত এক অদমনীয় বিদ্ৰোহৰ সূচনা হৈছিল, যি পাছত ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ সংঘবদ্ধ আৰম্ভণি বুলি স্বীকৃত হৈছে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে এই বিদ্ৰোহ কঠোৰ হাতেৰে দমন কৰিছিল যদিও ই ভাৰতীয় লোকৰ স্বাধীনতাৰ স্পৃহাৰ অগনিত ঘিঁউহে ঢালিছিল**

১৭১৪ত ৰাণী এন-ৰ মৃত্যুৰ পাছত ইউ কেৰ ৰাজসিংহাসন হেনোভাৰ বংশৰ হাতলৈ যায়। হেনোভাৰসকল জাৰ্মানীৰ ৰাজবংশৰ লোক। এই ৰাজ পৰিয়ালে সপ্তদশ শতিকাৰ পৰা কুৰি শতিকাৰ বিভিন্ন সময়ত জাৰ্মানীৰ হেনোভাৰ আৰু ব্ৰিটিছ দ্বীপপুঞ্জৰ গ্ৰেট ব্ৰিটেইন আৰু আয়াৰলেণ্ডৰ ওপৰত ৰাজত্ব কৰিছিল। গ্ৰেট ব্ৰিটেইন আৰু আয়াৰলেণ্ডৰ ওপৰত ৰাজত্ব কৰা হেনোভাৰ বংশৰ প্ৰথম গৰাকী ৰজা আছিল প্ৰথম জৰ্জ; আৰু একাদিক্ৰমে এই বংশৰ ছগৰাকী সম্ৰাট সম্ৰাজ্ঞীয়ে ইয়াত ৰাজত্ব কৰিছিল। তেওঁলোক হৈছে ক্ৰমে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ জৰ্জ, চতুৰ্থ উইলিয়াম আৰু কুইন ভিক্টোৰিয়া। ১৮৩৭ত ১৮ বছৰ বয়সত কুইন ভিক্টোৰিয়া ইংলণ্ডৰ ৰাণী হিচাপে ৰাজসিংহাসনত বহিছিল। প্ৰধানকৈ তেওঁৰ ৰাজত্ব কালতে ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন, শোষণ আৰু অত্যাচাৰত অতিষ্ঠ হৈ ভাৰতৰ কোনো কোনো ঠাইত ব্ৰিটিছ শাসনৰ পৰা মুক্ত হোৱাৰ বাবে সংগ্ৰাম আৰম্ভ হৈছিল। অৱশ্যে এই শাসন, শোষণ আৰু অত্যাচাৰত ৰাণী ভিক্টোৰিয়াৰ প্ৰত্যক্ষ ভূমিকা আছিল নে নাই সেই কথা জনা নাযায়। যি হওক তেওঁৰ ৰাজত্ব কালতে ১৮৫৭ত ভাৰতবৰ্ষত চিপাহী বিদ্ৰোহ নামেৰে চিহ্নিত এক অদমনীয় বিদ্ৰোহৰ সূচনা হৈছিল, যি পাছত ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ সংঘবদ্ধ আৰম্ভণি বুলি স্বীকৃত হৈছে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে এই বিদ্ৰোহ কঠোৰ হাতেৰে দমন কৰিছিল যদিও ই ভাৰতীয় লোকৰ স্বাধীনতাৰ স্পৃহাৰ অগনিত ঘিঁউহে ঢালিছিল। যি হওক ইয়াৰ পাছতেই ব্ৰিটিছ ইণ্ডিয়াৰ শাসনৰ ভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা ইউনাইটেড কিংডমৰ ৰাণী কুইন ভিক্টোৰিয়াৰ হাতলৈ যায়। সেই হিচাপে কুইন ভিক্টোৰিয়া ব্ৰিটিছ ইণ্ডিয়াৰ প্ৰথম গৰাকী সম্ৰাজ্ঞী। অৱশ্যে ১৮৭৭তহে তেওঁক ভাৰতৰ সম্ৰাজ্ঞী হিচাপে ঘোষণা কৰা হয় ।

কুইন ভিক্টোৰিয়া আমাৰ বহুতৰে চিনাকি নাম। কলকাতাত ভিক্টোৰিয়া মেম'ৰিয়েল বুলি মাৰ্বলেৰে সজা তাজমহলৰ আকৃতিৰ যিটো স্মৃতিসৌধ আছে সেইটো কুইন ভিক্টোৰিয়াৰ সন্মানত সজা। তেতিয়াৰ ভাইচৰয় অৱ ইণ্ডিয়া লৰ্ড কাৰ্জনৰ প্ৰস্তাৱ মতে ১৯০৬ৰ পৰা ১৯২১ৰ ভিতৰত স্মৃতিসৌধটো নিৰ্মাণ কৰা হৈছিল। পৰ্যটকৰ বাবে অতি আকৰ্ষণীয় এই স্মৃতিসৌধটো পাছত এটা সংগ্ৰহালয়লৈ ৰূপান্তৰিত কৰা হৈছে।

যি হওক, ব্ৰিটিছ সম্ৰাজ্ঞী কুইন ভিক্টোৰিয়াই ব্ৰিটিছ ইণ্ডিয়াৰ প্ৰথম গৰাকী সম্ৰাজ্ঞী হিচাপে ১৮৫৮ৰ পৰা ১৯০১ লৈ ৰাজত্ব কৰাৰ পাছত আৰু চাৰি গৰাকী ব্ৰিটিছ সম্ৰাট ক্ৰমে সপ্তম এডৱাৰ্ড (১৯০১-১৯১০), পঞ্চম জৰ্জ (১৯১০-১৯৩৬), অষ্টম এডৱাৰ্ড (১৯৩৬) আৰু ষষ্ঠ জৰ্জেও (১৯৩৬-১৯৪৭) ৰাজত্ব কৰে।

গতিকে দেখা যায় যে ব্ৰিটিছ ভাৰতৰ শেষ সম্ৰাট আছিল কিং ষষ্ঠ জৰ্জ। এইজনা ৰজা ভাগ্যক্ৰমেহে ৰজা হৈছিল। তেওঁৰ পিতৃ পঞ্চম জৰ্জৰ দুজন পুত্ৰ আছিল— এডৱাৰ্ড আৰু এলবাৰ্ট। পঞ্চম জৰ্জৰ মৃত্যুৰ পাছত এলবাৰ্টৰ ককায়েক এডৱাৰ্ড ৰাজ সিংহাসনত বহিছিল; কিন্তু দুবাৰকৈ বিবাহ-বিচ্ছেদ কৰা ৱালিছ চিম্পছন নামৰ আমেৰিকান ৰমণী এগৰাকীৰ প্ৰেমপাশত আবদ্ধ হৈ তেওঁক বিয়া কৰাবলৈকে অষ্টম এডৱাৰ্ডে কিছু দিন ৰাজপাট খায়েই ৰাজসিংহাসন ত্যাগ কৰিছিল। ৰাজপৰিয়ালৰ অঘোষিত নিয়ম অনুযায়ী বিবাহৰ বাবে ৰাজসিংহাসনৰ উত্তৰাধিকাৰীয়ে শাসনত অধিষ্ঠিত সম্ৰাট বা সম্ৰাজ্ঞীৰ পৰা অনুমতি ল'ব লাগিছিল; আৰু বিবাহ-বিচ্ছেদ কৰা মহিলাক বিয়া কৰালে তেওঁলোকৰ সন্তান ৰাজসিংহাসনৰ উত্তৰাধিকাৰী হ'ব নোৱাৰিছিল। গতিকে এডৱাৰ্ডে বিবাহৰ অনুমতি নাপাব বুলি জানিয়েই স্বইচ্ছাই ৰাজসিংহাসন ত্যাগ কৰিছিল। প্ৰেমৰ কাৰণে ৰাজসিংহাসন ত্যাগ কৰাটো সাধাৰণ কথা নহয়। বিশেষকৈ ইংলণ্ডৰ দৰে দেশ এখনৰ ৰাজসিংহাসন। কাৰণ ইংলেণ্ডৰ ৰজা কেৱল ইংলণ্ডৰে ৰজা নহয়; আন কে'বাখনো দেশৰো ৰজা; কিন্তু কিং এডৱাৰ্ডে প্ৰেয়সীতকৈ ৰাজসিংহাসন তুচ্ছ জ্ঞান কৰি প্ৰেয়সীক পত্নী কৰাৰ বাবে তেওঁ নিজে বহি থকা ৰাজসিংহাসন ত্যাগ কৰিছিল। প্ৰেমৰ এনে উদাহৰণ অতি বিৰল। বোধহয় নায়েই। এফালে বেগম মমতাজৰ প্ৰতি থকা প্ৰেমৰ সাক্ষী হিচাপে ৰাজকোষৰ ধনেৰে মোগল সম্ৰাট ছাহজাহানৰ স্মৃতিসৌধ তাজমহল নিৰ্মাণ আৰু আনহাতে, ব্ৰিটিছ সম্ৰাট এডৱাৰ্ডে তেওঁৰ প্ৰেয়সী একালৰ আন দুজন পুৰুষৰ পত্নী আমেৰিকান ৰমণী ৱালিছ চিম্পছনক তেওঁৰ প্ৰাক্তন স্বামীদ্বয় জীৱিত থাকোতেই নিজৰ কৰি লোৱাৰ বাবে ব্ৰিটিছ ৰাজসিংহাসন ত্যাগ। তুলনা হয় নে ? আমাৰ জংকি-পানৈৰ কথা বাৰু নক'লোৱেই! যি হওক এডৱাৰ্ডে ৰাজসিংহাসন ত্যাগ কৰাৰ পাছত তেওঁৰ ভ্ৰাতৃ এলবাৰ্ট ষষ্ঠ জৰ্জ নামেৰে ব্ৰিটিছ ৰাজসিংহাসনত বহিছিল তেওঁৰেই দুহিতা ইংলণ্ডৰ বৰ্তমানৰ ৰাণী এলিজাবেথ।

এলিজাবেথৰ জন্মৰ সময়ত তেওঁৰ পিতৃ জৰ্জ ৰজা নাছিল। জৰ্জৰ পিতৃ-মাতৃ আছিল য়ৰ্কৰ ডিউক আৰু ডাটচেছ। ১৯৩৬ত জৰ্জ ৰাজ সিংহাসনত বহে আৰু ১৯৫২ত তেওঁৰ মৃত্যু নোহোৱালৈকে তেওঁ ৰাজপাট ভোগ কৰে। তেওঁ ভাৰত স্বাধীন হোৱালৈকে ভাৰতবৰ্ষৰ সম্ৰাট আছিল অৰ্থাৎ পৰাধীন ভাৰতৰ শেষ সম্ৰাট। তেওঁৰ মৃত্যুত এলিজাবেথ ৰাজসিংহাসনত বহে ।

ৰাণীৰ কথা ওলালেই আমাৰ সকলোৰে মনলৈ প্ৰথমতে আহে ইউনাইটেড কিংডমৰ ৰাণী কুইন এলিজাবেথৰ কথা। কিন্তু কেৱল যে ইউনাইটেড কিংডমতে ৰাণীৰ শাসন চলি আছে এনে নহয়। আধুনিক পৃথিৱীত এতিয়াও ২৯ গৰাকী সম্ৰাট বা সম্ৰাজ্ঞীয়ে ৪০ খন ৰাষ্ট্ৰত ৰাজত্ব কৰি অছে। ইয়াৰে কিছুমানে প্ৰকৃততে ৰজা হিচাপে দেশ শাসন কৰি আছে; আন কিছুমান ৰজা আকৌ দেশখনৰ সাংবিধানিক মুৰব্বী আৰু চৰকাৰৰ অংশৰ লগতে ৰাষ্ট্ৰদূতৰ দৰে, আন কিছুমান আকৌ ঠিক ৰজা বা ৰাণী নহয়, তেওঁলোকে প্ৰিন্স হিচাপে কোনো প্ৰিন্সিপেলিটী বা ডিউকডম ৰাজত্ব কৰে। গণতান্ত্ৰিক শাসন ব্যৱস্থাই আটাইতকৈ উত্তম শাসন প্ৰণালী বুলি সমগ্ৰ বিশ্বতে বিবেচিত আৰু চৰ্চিত হৈ থকাৰ সময়ত বিশ্বৰ কে'বাখনো ৰাষ্ট্ৰত ৰাজতন্ত্ৰ চলি থকাটো অতি আশ্চৰ্যৰ কথা। আন আন ৰাষ্ট্ৰত চলি থকা ৰাজতন্ত্ৰ বা মনাৰ্কি সম্পৰ্কে সেই সেই ৰাষ্ট্ৰৰ জনগণৰ ধাৰণা কি সেই বিষয়ে মোৰ কোনো ধাৰণা নাই; কিন্তু ইউনাইটেড কিংডমত যে বৰ্তমানৰ আকৃতিতে ভৱিষ্যতে বহু দিন ধৰি সংসদীয় ৰাজতন্ত্ৰ চলি থাকিব তাত বিন্দুমাত্ৰও সন্দেহৰ অৱকাশ নাই।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

# ঐতিহাসিক ৰংপুৰৰ ৰংপুৰ বাৰ্তা

**একবিংশ শতিকাৰ ডিজিটেল যুগৰ সময়তো ৰাপ থকা পঢুৱৈসকলৰ মাজত বাতৰি কাকতৰ জনপ্ৰিয়তা পূৰ্বৰ দৰেই অক্ষুন্ন আছে। আজিও গৰিষ্ঠ সংখ্যক লোকৰ বাবে পুৱাৰ চাহকাপৰ লগতে দৈনিক বাতৰি কাকতখন হাতত নপৰিলে দিনটোৱেই যেন আধৰুৱা হৈ ৰয়।**




**'দৈনিক** অগ্ৰদূত'ৰ বৃহস্পতিবাৰৰ সংখ্যাত নিয়মীয়াকৈ লিখি অহাৰে পৰা অসমৰ অজস্ৰ পাঠকৰ স'তে ফোনতে পৰিচয় হোৱাৰ সৌভাগ্য হৈছে। সেইসকল স্বনামধন্য পঢ়ুৱৈ বৰ্তমান মোৰ স'তে গভীৰ আন্তৰিকতাৰ ডোলেৰে বান্ধ খাই আছে। ঠিক সেইদৰে আজি চাৰিটা বছৰৰ আগতে শিৱসাগৰৰ এজন পাঠকৰো ফোন আহিছিল। পৰিচয় পৰ্বৰ পাছতহে তেওঁ জ্ঞাত হৈছিল যে ময়ো ঐতিহাসিক শিৱসাগৰৰে বাসিন্দা। সেই বিশেষ লোকজন আছিল শিৱসাগৰৰ পৰা মাহেকীয়াভাৱে প্ৰকাশিত হৈ অহা 'ৰংপুৰ বাৰ্তা' নামৰ বাতৰি কাকতখনৰ স্বত্বাধিকাৰী তথা মুখ্য সম্পাদক। কৰ্মসূত্ৰে তেওঁ অ এন জি চিৰ এগৰাকী জ্যেষ্ঠ অভিযন্তাৰ দায়িত্ব পালন কৰাৰ লগতে বিভিন্ন ধৰণৰ সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে গভীৰভাৱে জড়িত হৈ থকা সমাজহিতৈষী ব্যক্তি। বৰ্তমান সময়ত নিজৰ স্বাৰ্থসিদ্ধিৰ পাছত দৌৰি থকা এচাম মানুহৰ তুলনাত নিশ্চিতভাৱে তেওঁ ব্যতিক্ৰম। সঁচা অৰ্থত অতি সহজ সৰল ব্যক্তিত্বৰ এজন সুহৃদয়বান লোক আজিৰ সমাজত বিৰল। ২০১৮ৰ পাঁচ জুনত ঐতিহাসিক শিৱসাগৰত অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত জন্ম লাভ কৰা 'ৰংপুৰ বাৰ্তা' নামৰ মাহেকীয়া কাকতখনে ইতিমধ্যে পাঁচটা বছৰ অতিক্ৰম কৰি ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হৈছে। ১৮৪৬তে শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা প্ৰকাশিত 'অৰুণোদই' নামৰ কাকতখনেও সেইসময়ত অসমৰ জাতীয় জীৱনত এক অপ্ৰতিৰোধ্য জাগৰণৰ সৃষ্টি কৰি অসমীয়া ভাষা আৰু সাহিত্যক সঞ্জীৱনী শক্তি প্ৰদান কৰাৰ দৰে 'ৰংপুৰ বাৰ্তা'ইও এসময়ত পঢুৱৈ সমাজৰ মাজত এক বৌদ্ধিক জাগৰণ সৃষ্টি কৰিব বুলি আমি আশাবাদী। জাতিটোৰ বাবে এয়া এক নিশ্চয় শুভ লক্ষণ যে অসমৰ ইতিহাসত আৰু এখন অসমীয়া কাকতৰ নাম সংযোজন হ'ল। একবিংশ শতিকাৰ ডিজিটেল যুগৰ সময়তো ৰাপ থকা পঢুৱৈসকলৰ মাজত বাতৰি কাকতৰ জনপ্ৰিয়তা পূৰ্বৰ দৰেই অক্ষুন্ন আছে। আজিও গৰিষ্ঠ সংখ্যক লোকৰ বাবে পুৱাৰ চাহকাপৰ লগতে দৈনিক বাতৰি কাকতখন হাতত নপৰিলে দিনটোৱেই যেন আধৰুৱা হৈ ৰয়।

## অৱলোকন



**চাইৰা ইছলাম বড়া**

'ৰংপুৰ বাৰ্তা'ৰ স্বত্বাধিকাৰী আৰু মুখ্য সম্পাদক ব্ৰজেন ফুকন শিৱসাগৰৰ সমাজখনৰ এগৰাকী জনপ্ৰিয় ব্যক্তি। মানৱদৰদী লোকজনে একেবাৰে সাধাৰণ শ্ৰেণীৰ লোকৰ পৰা উচ্চ শ্ৰেণীৰ লোকৰ মাজত নিজৰ এক সুকীয়া পৰিচয় বহন কৰিবলৈ সক্ষম হৈছে। তেওঁ এক অনুষ্ঠানত পৰিণত হৈ পৰিছে। এজন ব্যক্তি সমাজৰ প্ৰতি কিমান দায়বদ্ধ হ'ব পাৰে, সেয়া তেওঁ অন্তকৰণে আগবঢ়াই অহা কৰ্মৰাজিয়ে প্ৰমাণ কৰে। মানুহৰ সমস্যাৰ স'তে একাত্ম হৈ নিঃস্বাৰ্থভাৱে সহায়-সহযোগিতা আগবঢ়াই অহা ব্যক্তিসকলৰ ভিতৰত ব্ৰজেন ফুকন কোনোগুণে কম নহয়। আজিৰ সমাজত অন্তঃকৰণেৰে হাতে-কামে লাগি সমাজৰ প্ৰতি নিজকে উছৰ্গিত কৰা ব্যক্তি নিচেই নগণ্য। মোৰ বোধেৰে যিকোনো অনুষ্ঠানত ৰাইজৰ দান-বৰঙণিৰ ওপৰত নিৰ্ভৰ নকৰি ব্যক্তিগতভাৱেও মুক্ত হস্তে বৰঙণি আগবঢ়াই অনুষ্ঠানসমূহ সফল কৰি তোলাত এচামে যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। বৰ্ষপুতিৰ সেই বিশেষ দিনটোত আদৰ্শৱান খেতিয়ক আৰু বিশিষ্ট ব্যক্তিসকলৰ লগতে অঞ্চলটোৰ কে'বাজনো আগৰণুৱা দৰ্জী, মুচি, নাপিতকো সম্ভাষণ জনোৱা দৃশ্যই মোক বিশেষভাৱে আপ্লুত কৰিছে। অজস্ৰ ধন-সম্পত্তিৰ গৰাকী হোৱাৰ পাছতো অধিক লোভৰ তাড়নাত উদগ্ৰীৱ হৈ থকা অতি লোভী লোকসকলে আজি মাথোঁ প্ৰতিযোগিতাৰ দৌৰত নামি পৰিছে। তেনে স্থলত আমাৰ মাজৰে এজন ব্যক্তিৰ এনধৰণৰ ব্যতিক্ৰমী চিন্তাধাৰা অতি প্ৰশংসনীয়।

শিৱসাগৰৰ বিশিষ্ট সাহিত্যিক চামচুল বাৰিকে কথা প্ৰসংগত এবাৰ কৈছিল--ব্ৰজেন ফুকনৰ দৰে লোকৰ অনুৰোধ প্ৰত্যাখ্যান কৰিব নোৱাৰি বাবেই তেওঁ অনুষ্ঠিত কৰা দূৰণিবটীয়া সভাসমূহতো অংশগ্ৰহণ কৰিবলৈ পাৰ্যমানে চেষ্টা কৰো। ইতিবাচক কাম-কাজৰ মাজত ব্যস্ত হৈ থকা ব্যক্তিসকলে নেতিবাচক দিশবোৰৰ উপৰিও আনৰ অহিত চিন্তা কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। নিজৰ পৰিষ্কাৰ মনটোৰ দৰে আনৰ মাজতো নিহিত হৈ থকা ভাল গুণখিনি উলিয়াই আনি সমাজহিতৈষী ব্যক্তিসকলে নিজস্ব প্ৰচেষ্টাত এখন সুন্দৰ সমাজ গঢ়াৰ সপোন বাস্তৱায়িত কৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰে। সঠিক ৰূপত সময়ৰ মূল্যায়ন কৰি ত্যাগ সংযম ৰক্ষাৰে এটা পৰোপকাৰী মন লৈ আমি আমাৰ কৰ্ম কৰি গ'লে সমাজৰ অসূয়া-অপ্ৰীতিকৰ পৰিবেশবোৰ নিশ্চয় আঁতৰিব।

*ফোন ঃ ৯১০১৫১৭৮৪৭*



## নিয়ন্ত্ৰণৰ প্ৰয়োজন

যোৱা ন আগষ্টৰ 'দৈনিক অগ্ৰদূত'ত সম্পাদকৰ কলম 'নিয়ন্ত্ৰণৰ প্ৰয়োজন' বিষয়বস্তু শীৰ্ষক নিবন্ধটোত সামাজিক মাধ্যমৰ শুদ্ধিকৰণ সম্পৰ্কে বহুখিনি কথাই কোৱা হৈছে। বৰ্তমান আধুনিক সময়ত সামাজিক মাধ্যম তথা ইন্টাৰনেট অতি প্ৰভাৱশালী মাধ্যম। যাৰ সহায়ত বিশ্বৰ খবৰ পলকতে পাব পাৰি; কিন্তু ইয়াৰ ব্যৱহাৰ কেনেকৈ হৈছে সেয়া চিন্তাৰ বিষয়। আধুনিক প্ৰযুক্তি বা ইন্টাৰনেটৰ সময়ত নিজকে খাপ খুৱাবলৈ প্ৰত্যেকেই ইয়াক ব্যৱহাৰ কৰিবলৈ বাধ্য। যিকোনো এটা বিষয় অনুসন্ধান কৰিবলৈ বা বিষয়বস্তু জানিবলৈ ইন্টাৰনেট ব্যৱহাৰ কৰাটো জৰুৰী; কিন্তু ইয়াৰ অত্যধিক ব্যৱহাৰৰ ফলত নানা নেতিবাচক প্ৰভাৱ পৰিছে। বিশেষকৈ নৱ প্ৰজন্মৰ মাজত সামাজিক মাধ্যমৰ বেয়া প্ৰভাৱ যথেষ্ট বেছি। একাংশ নৱ প্ৰজন্মই দিনটোৰ প্ৰায়ভাগ সময় সামাজিক মাধ্যমত ব্যস্ত থকা দেখা যায়। সামাজিক মাধ্যমত ভাল আৰু বেয়া দুয়োটা দিশ আছে; কিন্তু ভাল বস্তু আহৰণ কৰাৰ পৰিৱৰ্তে বেয়াটোৰ ফালেহে বেছিকৈ ঢাল খোৱা দেখা যায়। ইয়াৰ একমাত্ৰ কাৰণ সামাজিক মাধ্যমত গণ মাধ্যম হিচাপে কাম কৰা একাংশ নিউজ প'ৰ্টেল চেনেলসমূহ। যিবোৰ চেনেলে গোটেই সমাজখনক এক ভয়াৱহ পৰিস্থিতিৰ ফালে লৈ গৈছে। এই প'ৰ্টেলসমূহে হকে-বিহকে কিছুমান বাতৰি পৰিবেশন কৰি সামাজিক মাধ্যমত যথেষ্ট নেতিবাচক প্ৰভাৱ পেলাইছে। আৰু এই নেতিবাচক প্ৰভাৱৰ বলি হৈছে বৰ্তমানৰ নৱ প্ৰজন্ম।

**অভিমত**

সামাজিক মাধ্যমত কোনো বাধ্য- বাধকতা নথকাৰ বাবে একাংশ লোক, নিউজ প'ৰ্টেলসমূহে নিজৰ ইচ্ছা অনুসৰি যিকোনো বিষয়। যিবোৰ সত্যৰ আধাৰত বিবেচিত নহয়, তেনে বিষয় পলকতে আপলোড কৰা দেখা যায়। যিবোৰে সমাজবিৰোধী, হত্যা-হিংসা, দাৱানল আদি কাৰ্যকলাপ বৃদ্ধি কৰিছে আৰু এতিয়া নতুনকৈ সামাজিক মাধ্যম আৰু ইন্টাৰনেটত চাইবাৰ অপৰাধীয়ে ধন আত্মসাতকে ধৰি বিভিন্ন অসৎ কাৰ্যৰ পোখা মেলিছে। পুলিচে এই চাইবাৰ গোটক নানা কৌশলেৰে ধৰিবলৈ সক্ষম হৈছে যদিও আন একাংশ চাইবাৰ গোটৰ অত্যাধুনিক কাৰিকৰী কৌশলৰ বাবে বহুতকে ধৰা পেলোৱা আৰু শাস্তি দিয়া সম্ভৱ হোৱা নাই। এই ক্ষেত্ৰত জনসাধাৰণো কিছু সজাগ সচেতন হোৱাৰ প্ৰয়োজন আছে। যিকোনো বস্তুৰ সঠিক বিশ্লেষণ নকৰাকৈ সততে মত প্ৰকাশ কৰা বাঞ্ছনীয় নহয়। গতিকে ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ সহযোগত তথ্য আৰু গণ সংযোগ বিভাগে কঠোৰ আইন- নীতি প্ৰস্তুত কৰি সামাজিক মাধ্যমত আত্মপ্ৰকাশ কৰা প'ৰ্টেল চেনেলসমূহক নাকী লগাব লাগে। অন্যথা গণতন্ত্ৰৰ ভেঁটি বান্ধি ৰখাটো অসম্ভৱ হ'ব। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে চিহ্নিত 'সংবাদ মাধ্যম'ৰ গৰিমা অটুট ৰাখিবলৈ সামাজিক মাধ্যমে বাধা হিচাপে থিয় হ'ব।

**নয়নজ্যোতি বৈশ্য,** গুৱাহাটী, ফোন ঃ ৯১০১২৪৩১৮৪

## কথাটো কি ?

**অসম** চৰকাৰৰ নতুন উদ্ভাৱন লোকপ্ৰিয়ৰ ৭২সংখ্যক পাঁচ আগষ্টৰ পুণ্য তিথিটো লোককল্যাণ দিৱস হিচাপে পালন কৰিলে। এই কাৰ্যসূচীৰ মূল আকৰ্ষণ আছিল ১০ জন অসামৰিক সেৱাৰ কৰ্মচাৰীক ৰাজ্যিকভাৱে আৰু ৮৯জনক জিলাভিত্তিত দক্ষতা আৰু সততাৰ বাবে পুৰস্কাৰ প্ৰদান কৰা। কি কথা নুবুজিলো, গুৱাহাটীৰ কেউখন আগশাৰীৰ অসমীয়া দৈনিকত চকু ফুৰালো, সকলো আছে কোন উপস্থিত আছে, মুখ্যমন্ত্ৰীয়ে কি কৈছে, বটাঁ প্ৰাপকে কি পাইছে, কিন্তু ঘাই শাক মৰলীয়া অন্ততঃ মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰা ১০জন বিষয়াৰ নাম ক'তো পা বলৈ নাই। নাই যে নাই এইজন মুখ্যমন্ত্ৰীয়ে আৰম্ভ কৰা নতুন পৰম্পৰা চৰকাৰে কৰা কামৰ কাকতত ডাঙৰকৈ দিয়া বিজ্ঞাপন তাতো নাই। নুবুজিলো।

**দেবেন শইকীয়া,** মৰিকলং, নগাঁও

দৈনিক অগ্ৰদূত
১৮ আগষ্ট বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫

# আকৌ পৃথক বড়োলেণ্ডৰ দাবী

**স্বাভাৱিকতে মাত্ৰ কেইটামান বছৰৰ পিছতে বড়োসকল পৃথক বড়োলেণ্ডৰ দাবীৰে পুনৰ মূৰ দাঙি উঠে। এইবাৰ কিন্তু তেওঁলোক অকল গণতান্ত্ৰিক পদ্ধতিৰে আন্দোলন নকৰি তাৰ লগে লগে সশস্ত্ৰ পথেৰেও আন্দোলনত নামি পৰে। পূৰ্বৰ অভিজ্ঞতাৰ পৰা তেওঁলোকে ভালদৰে বুজি উঠিছিল যে, চিধা আঙুলিৰে ঘি নুঠে। বি.এল.টিৰ নেতৃত্বত চলা এই আন্দোলনৰ ফলত বহু বৰ্ন্ধো-অৱৰ্ন্ধো লোকে প্ৰাণ হেৰুৱাবলগীয়া হয়। সমগ্ৰ অসম অগ্নিগৰ্ভ হৈ উঠে।**

অৱলোকন



ড° দীননাথ বসুমতাৰী

**অসমৰ** সৰ্বসাধাৰণ ৰাইজ, কি বড়ো কি অবড়ো (অৱশ্যে অপ্ৰিয় হ'লেও আজি ক'বই লাগিব যে, অসমৰ জনসাধাৰণক অকল ৰাজনীতিক সকলেই নহয়, অসমৰ বুদ্ধিজীৱীসকলেও বড়ো অবড়ো এই দুই শিবিৰত ইতিমধ্যে বিভক্ত কৰিছেই সকলোৰে মনত প্ৰশ্ন জাগিছে, (জগাটো তেনেই স্বাভাৱিক) মাত্ৰ সৌ সিদিনাখনহে অৰ্থাৎ ২০২০ৰ ২৭ জানুৱাৰীত শান্তি চুক্তিৰ নামত নিখিল বড়ো ছাত্ৰ সন্থা, এন্.ডি.এফ.বিৰ বিভাজিত চাৰিওটা শাখা তথা ৰঞ্জন দৈমাৰী, গোবিন্দ বসুমতাৰী, ফেৰেংগা তথা ৰঞ্জিত বসুমতাৰী আৰু ধীৰেন বড়ো শাখাই মিলি একত্ৰে অসম চৰকাৰ আৰু বিটিচি চৰকাৰৰ উপস্থিতিত ৰাজধানী নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ লগত এক চুক্তিত স্বাক্ষৰিত হৈ যোৱাৰ মাত্ৰ দুটা বছৰ পিছতে বড়োসকলে পুনৰ বড়োলেণ্ডৰ দাবীত আন্দোলনত জঁপিয়াই পৰিল বা পৰিবলগীয়া হ'ল কিয়? এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰ ১৯৯৩ত বি.এ.চি চুক্তি, ২০০৩ত বি.টি.চি আৰু অৱশেষত সৌ সিদিনা ২০২০ত শান্তিৰ নামত বি.টি.আৰ চুক্তি কৰাৰ পাছত কিয় তেওঁলোকে চতুৰ্থবাৰৰ বাবে আন্দোলনত নামি পৰিবলগীয়া হ'ল? গণ্ডগোলটো ক'ত? এই আন্দোলনক লৈ ইতিমধ্যে বিভিন্নজনে বিভিন্ন ধৰণে অৰ্থাৎ নিজ নিজ ধৰণে ব্যাখ্যা, বিশ্লেষণ, বিচাৰ কৰিবলৈ আৰম্ভ কৰিছে। কোনোবাই ক'বলৈ লৈছে কাৰোবাৰ উচটনিত, কোনোবাই অভিযোগ কৰি ক'বলৈ লৈছে ধনৰ প্ৰলোভনত, গাদী ৰক্ষাৰ তথা আধিপত্য লাভৰ আশাত ইত্যাদি ইত্যাদি। কিছুমানে ইয়াৰ অন্তৰালত আৰু বহু কিবাকিবি সন্দেহ কৰি উচিত তদন্তৰো দাবী কৰিবলৈ লৈছে।

তদন্তৰ কথা কওতে আমাৰো মত হ'ল, হয়, ইয়াৰ ওপৰত উচিত তদন্ত হোৱা উচিত, কিয় বাৰে বাৰে এটাৰ পিছত এটা চুক্তি হোৱাৰ পাছতো বড়োসকলে এই আন্দোলন কৰি আছে? প্ৰকৃততে তেওঁলোকক লাগে কি আৰু এই চুক্তিবোৰ কিয় তেওঁলোকে প্ৰত্যাখান কৰি আহিছে? প্ৰতিবাৰ চুক্তিৰ মাজেৰে তেওঁলোকক যিবোৰ সুযোগ সুবিধা দি অহা হৈছে, সেইবোৰত তেওঁলোক সন্তুষ্ট নহয় নেকি? বিষয়টোৰ ওপৰত উচিত তদন্তৰ নিশ্চয় প্ৰয়োজন আছে আৰু ইয়াৰ প্ৰকৃত মীমাংসা বা সমাধান উলিয়াব লাগে। অন্যথা ইয়াৰ দ্বাৰা অকল বড়ো জনগোষ্ঠীয়েই নহয়, কি বড়ো আৰু কি অবড়ো সকলোৰে আৰ্থিক, সামাজিক, শৈক্ষিক সকলো দিশৰ পৰাই বাৰে বাৰে বাধাপ্ৰাপ্ত হ'বলগীয়া হৈ আহিছে। শান্তি, সম্প্ৰীতি নাইকিয়া হৈ পৰিছে।

অসমৰ প্ৰতিজন সচেতন ব্যক্তিয়ে ভালকৈ জানো বা পাহৰি যোৱা নাই যে, বড়োসকলে পৃথক বড়োলেণ্ডৰ কথা নিজৰ পৰা কেতিয়াও আৰম্ভ কৰা নাছিল। অসমৰ ৰাইজে এইটোও নিশ্চয় পাহৰি যোৱা নাই যে এই বড়োসকলেই ভাৰত বিভাজনৰ সময়ত জিন্না চাহাবৰ প্ৰস্তাৱ প্ৰত্যাখান কৰি 'অসম আমাৰ আৰু অসমক এৰি আমি আঁতৰি যাব নোৱাৰো' বুলি এইখন অসম তথা ভাৰতবৰ্ষত থাকি গৈছিল। নহ'লে তেতিয়াই অবিভক্ত গোৱালপাৰা জিলা তথা ধুবুৰী, কোকৰাঝাৰ, চিৰাং, বঙাইগাঁও আৰু গোৱালপাৰা জিলা আজিৰ বাংলাদেশৰ লগত চামিল হৈ গ'লহেঁতেন। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে উত্তৰ-পূব ভাৰতৰ দ্ৰুত উন্নয়নৰ কাৰণে ইয়াৰ জনগাঁথনি আৰু ভৌগোলিক পৰিৱেশলৈ চাই তদানীন্তন ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ১৯৬৭তে ৰাজনৈতিকভাৱে পুনৰ্গঠন কৰাৰ বাবে এটা পৰামৰ্শ আগবঢ়াইছিল। ইন্দিৰা গান্ধীৰ এই পৰামৰ্শলৈ সঁহাৰি জনাই অন্যান্য জনগোষ্ঠীসকলৰ দৰে অসমৰ বড়োসকলেও এই সুযোগতে জনজাতিসকলক লগত লৈ Plains Tribal Council of Assam তথা ভৈয়াম জনজাতি পৰিষদ, অসম (পি.টি.চি.এ) নামেৰে এটা ৰাজনৈতিক সংগঠনৰ জন্ম দি ভাৰতৰ সংবিধানৰ অধীনতে পৃথক উদয়াচল ৰাজ্য গঠনৰ বাবে তীব্ৰ আন্দোলন গঢ়ি তোলে। সেয়াই আছিল বড়োসকলৰ পৃথক ৰাজ্য গঠনৰ প্ৰথম আন্দোলন। মন কৰিবলগীয়া যে সেই বছৰৰে অৰ্থাৎ ১৯৬৭ৰ ২০ মে'ত ভাৰতৰ ৰাষ্ট্ৰপতিৰ হাতত উদয়াচল ৰাজ্য গঠনৰ দাবীৰে এখন প্ৰতিবেদনো দাখিল কৰা হয়। ইতিমধ্যে এই ৰাজনৈতিক দলক অধিক শক্তিশালী কৰি তুলিবৰ বাবে সেই একেটা বছৰতে নিখিল বড়ো ছাত্ৰ সন্থা (এবছু) নামেৰে এটা ছাত্ৰ সংগঠনৰো জন্ম দিয়া হয়। পৃথক উদয়াচল ৰাজ্য গঠনৰ আন্দোলন প্ৰৱলভাৱে চলি থকা অৱস্থাতে ১৯৭৪ত আকৌ বড়োসকলৰ লিপি আন্দোলনো আহি পৰে। কিন্তু বড়োসকলৰ বাবে দুৰ্ভাগ্যৰ কথা যে সমগ্ৰ ভাৰতবৰ্ষতে ১৯৭৫ত ৰাজনৈতিক অস্থিৰতাৰ গইনা লৈ জৰুৰী অৱস্থা ঘোষণা কৰা হয়। বড়ো নেতাসকলক নিৰ্বিচাৰে ধৰি জেলত নিক্ষেপ কৰা হয়। এটা সময়ত বড়োসকলে দাবী কৰি অহা ৰোমান লিপিৰ পৰিৱৰ্তে দেৱনাগৰী লিপি গ্ৰহণ কৰিবলগীয়া হয় আৰু ১৯৭৭ চনৰ নিৰ্বাচনত অংশগ্ৰহণ কৰি পি টি চি এ দলে মুঠ পাঁচটা সমষ্টিত নিৰ্বাচিত হৈ জনতা দলৰ চৰকাৰত অংশগ্ৰহণ কৰে। চৰকাৰী সুযোগ-সুবিধাৰ




এবাৰ সোৱাদ পোৱাৰ পাছত এটা সময়ত পূৰ্বৰ ট্ৰাইবেল লীগৰ নেতাসকলে কংগ্ৰেছৰ মাজত বিলীন হৈ যোৱাৰ দৰে পি টি চি এৰ নেতাসকলেও উদয়াচলৰ কথা পাহৰি গৈ লাহ বিলাসৰ মাজত হেৰাই যায়। ইয়াৰ প্ৰায় দহটা বছৰ পিছত অৰ্থাৎ ১৯৮৭ত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নেতৃত্বত ভূমিপুত্ৰ বড়োসকলে বড়ো ছাত্ৰ সন্থাৰ পতাকাৰ তলত ঐক্যবদ্ধ হৈ আহোমৰ তেতিয়াৰ কামৰূপ আৰু আজিৰ অসম আক্ৰমণৰ ফলত হেৰুওৱা ৰাজ্য পুনৰ উদ্ধাৰৰ বাবে আন্দোলনত জঁপিয়াই পৰে।

ভূমিপুত্ৰ বড়োসকলে আজিৰ দিনত নিজৰ ঠাইত বসবাস কৰাৰো সামান্যতম অধিকাৰৰ পৰাও বঞ্চিত হৈছে। প্ৰতিটো মুহূৰ্তকতে উচ্ছেদৰ সন্মুখীন হ'বলগীয়া হৈছে। ১৯৪৭তে গঠন কৰি দি থৈ যোৱা ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহ দেশী-বিদেশী অবৈধ লোকৰ আগ্ৰাসনত জনাকীৰ্ণ হৈ পৰিছে। বৃটিছৰ দিনতে দি থৈ যোৱা ইনাৰ লাইন ব্যৱস্থা কেতিয়াবাই নাইকিয়া হ'ল। সহজ-সৰল বড়ো জনসাধাৰণে বিকল্প বিচাৰি জোনাই, চিমেন চাপৰি, অৰুণাচল, নগা সীমান্তত এমুঠি ভাতৰ যোগাৰ বিচাৰি ঘূৰি ফুৰিবলগীয়া হৈছে। তাৰেই প্ৰতিকাৰ বিচাৰি বড়োসকলে বাৰে বাৰে এটুকুৰা ভূমি বিচাৰি আন্দোলন কৰি আহিবলগীয়া হৈছে। ১৯৮৭ৰ পৰা সুদীৰ্ঘ ছটা বছৰ ধাৰাবাহিক আন্দোলন কৰি অহাৰ পিছতো অসম চৰকাৰ তথা ভাৰত চৰকাৰে তেওঁলোকৰ দুখৰ কথা এবাৰো হৃদয়ংগম কৰিব নোৱাৰিলে আৰু শেষত কণা হাঁহক পতান দিয়া তথা শিশুক পুতলা দি নিচুকোৱাৰ দৰে ১৯৯৩ত বি এ চি প্ৰদান কৰি শান্ত কৰাৰ ব্যৱস্থা কৰা হ'ল। পুলিচ, চিআৰপিৰ লগতে আন জনগোষ্ঠীয় লোকৰ নিৰ্যাতনত ইতিমধ্যে জুৰুলা হৈ পৰা বড়ো ৰাইজে সাময়িকভাৱে সকাহ পাবৰ বাবে আন্দোলন স্থগিত ৰাখিবলৈ বাধ্য হয়; কিন্তু কিমান দিন? সেয়ে স্বাভাৱিকতে মাত্ৰ কেইটামান বছৰৰ পিছতে বড়োসকল পৃথক বড়োলেণ্ডৰ দাবীৰে পুনৰ মূৰ দাঙি উঠে। এইবাৰ কিন্তু তেওঁলোক অকল গণতান্ত্ৰিক পদ্ধতিৰে আন্দোলন নকৰি তাৰ লগে লগে সশস্ত্ৰ পথেৰেও আন্দোলনত নামি পৰে। পূৰ্বৰ অভিজ্ঞতাৰ পৰা তেওঁলোকে ভালদৰে বুজি উঠিছিল যে, চিধা আঙুলিৰে ঘি নুঠে। বি.এল.টিৰ নেতৃত্বত চলা এই আন্দোলনৰ ফলত বহু বড়ো-অবড়ো লোকে প্ৰাণ হেৰুৱাবলগীয়া হয়। সমগ্ৰ অসম অগ্নিগৰ্ভ হৈ উঠে।

এফালে আলফাৰ স্বাধীন অসমৰ আন্দোলন আৰু আনফালে এন.ডি.এফ.বিৰ স্বাধীন বড়োলেণ্ডৰ দাবীও সমান্তৰালভাৱে চলিবলৈ ধৰে। সুদীৰ্ঘ ছটা বছৰ আন্দোলনৰ অন্তত পূৰ্বৰ দৰেই পুলিচ, মিলিটেৰিৰ উপৰি বড়োভিন্ন আন জনগোষ্ঠীয় লোকৰ বিভিন্ন ধৰণে চলোৱা প্ৰচাৰ, শাৰীকৰিক, মানসিক নিৰ্যাতন আদিত অতিষ্ঠ হৈ পৃথক বড়ো ৰাজ্যৰ আকাংক্ষাক বুকুৰ মাজত সযত্নে ৰাখি থৈ সাময়িকভাৱে ২০০৩ত ৩০৭৯ খন গাঁৱক সামৰি লৈ আৰু আগলৈ ৯৫ খন গাঁও অন্তৰ্ভুক্তিৰ প্ৰতিশ্ৰুতিৰে অকল বিত্ত আৰু গৃহ বিভাগ বাদে ৪০ টা বিভাগেৰে সম্পূৰ্ণ এখন সৰু ৰাজ্যৰ ৰূপত আৰু ভাৰতৰ সংবিধান সংশোধন কৰি ষষ্ঠ অনুসূচীৰ অধীনত গঠিত বি টি চি চুক্তিক মানি ল'বলগীয়া হয়। বি.এল.টিক কোৱা হ'ল, বৰ্তমান ভাৰত চৰকাৰৰ হাতত নতুন ৰাজ্য গঠনৰ কোনো আঁচনি নাই, সেয়ে সদ্যহতে বড়োলেণ্ড দিয়া নহ'ল। আগলৈ যেতিয়াই তেনে আঁচনি হাতত লোৱা হ'ব, তেতিয়াই বড়োলেণ্ডক প্ৰথম অগ্ৰাধিকাৰ দিয়া হ'ব। অথচ এইখিনি সময়তে নগালেণ্ড (১৯৬৩), মিজোৰাম (১৯৬৭), মণিপুৰ (১৯৭১), মেঘালয় (১৯৭১) আৰু অৱশেষত অৰুণাচলো (১৯৮৭) হ'ল। একেদৰে ২০০০ত ঝাৰখণ্ড, উত্তৰাখণ্ড, ছট্টিশগড় আৰু সৌ সিদিনা ২০১৪ত তেলেংগানাও হ'ল। তাৰ পাছতো বড়োসকলক সুদীৰ্ঘ ৫০ টা বছৰ ধৰি আন্দোলন কৰি অহাৰ পিছতো বড়োলেণ্ড গঠন কৰি নিদিয়া কাৰ্যক এক গভীৰ ষড়যন্ত্ৰ তথা প্ৰতাৰণা নকৈ আন কি বুলি ক'ব লাগিব? চৰকাৰৰ এনে আচৰণত তেওঁলোক স্বাভাৱিকতে অতিষ্ঠ হৈ উঠিছে। কিয় বাৰে বাৰে তেওঁলোকক ইমান প্ৰৱঞ্চনা, প্ৰতাৰণা কৰি অহা হৈছে? তেওঁলোকৰ অপৰাধ কি? তেওঁলোকেতো আনৰ মাটিত ৰাজ্য গঠন কৰিব বিচৰা নাই। এখন ৰাজ্য পাবৰ জোখাৰে তেওঁলোকৰ জনসংখ্যাৰে অভাৱ নে নিজস্ব ভাষাই নাই, সংস্কৃতি নাই নে ইতিহাস নাই? তাৰ পিছতো পৃথক ৰাজ্য গঠনৰ বাবে একো এটা ব্যৱস্থা গ্ৰহণৰ পৰিৱৰ্তে ২০২০ ৰ ২০ জানুৱাৰীত কেইজনমান ৰাজনৈতিক স্বাৰ্থলোভী বড়োনেতাক মোহান্ধ কৰি তেওঁলোকৰ দ্বাৰাই কম বয়সৰ ছাত্ৰ-ছাত্ৰীসকলৰ জাতীয় সংগঠন এবছুক শিখণ্ডি হিচাপে সন্মুখত লৈ আৰু এন.ডি.এফ.বিক অন্ধকাৰত ৰাখি ক'বলৈ গ'লে প্ৰতাৰণা কৰি Comprehensive and final solution to their demands while keeping intact the territorial integrity of the state of Assam বুলি চুক্তিত লিখোৱাই বড়ো ৰাইজৰ মূল দাবী বড়োলেণ্ডক বিসৰ্জন দি বি.টি.আৰ চুক্তি স্বাক্ষৰ কৰি যিদিনাখন লৈ আহে, সিদিনাখনেই একাংশ লোকে বুজি উঠিছিল যে এয়া বড়োসকলৰ প্ৰতি এক প্ৰচণ্ড ফাকি। পূৰ্বৰ দুয়োটা চুক্তিতকৈ ই অধিক ভয়াবহ। কাৰণ পূৰ্বৰ বিটিচি চুক্তিত পৃথক বড়ো ৰাজ্য গঠনৰ প্ৰতিশ্ৰুতি আছিল, যাক বিটিআৰ চুক্তিত সম্পূৰ্ণ বিসৰ্জন দিয়া হৈছে। ক'বলৈ গ'লে একপ্ৰকাৰ বন্ধ কৰি দিয় হ'ল। সেয়ে তেওঁলোকে ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰি উঠে। প্ৰশ্ন জাগে, হেজাৰ হেজাৰ লোকে প্ৰাণ আহুতি দি অহা বড়োলেণ্ডৰ দাবী বিটিআৰতে কেনেকৈ শেষ হ'ব পাৰে? বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ সপোনক বিটিআৰৰ মাটিত কেনেকৈ কবৰস্থ হ'বলৈ এৰি দিব পাৰি? বিটিআৰ পূৰ্বৰ বিটিচি চুক্তিতকৈ বহুদিশৰ পৰাই বড়োসকলৰ বাবে অধিক ক্ষতিকাৰক। আনহাকেত, বিটিআৰ বড়োলেণ্ডৰ বিকল্প হ'ব নোৱাৰে। সৰ্বসাধাৰণ ৰাইজে এইবুলিও মত দাঙি ধৰিছে যে মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰী হোৱাৰ পথ প্ৰশস্ত কৰাৰ প্ৰয়োজনত হাগ্ৰামা হটাও অভিযানৰ ইওা এটা অংশ আছিল আৰু কেইজনমান বড়ো নেতাই এই সুযোগ পূৰ্ণোদ্যমে গ্ৰহণ কৰে। সেয়ে স্বাভাৱিকভাৱেই বড়ো ৰাইজ পুনৰ বড়োলেণ্ডৰ দাবীত জাগি উঠিছে। যেতিয়ালৈকে বড়োলেণ্ড গঠন নহয়, তেতিয়ালৈকে তেওঁলোক শান্ত নহয়। স্বাধীনচিতিয়া বড়ো জাতিক পৃথক বড়োলেণ্ড দাবীৰে আন্দোলন কৰিবৰ বাবে কাৰো প্ৰৰোচনাৰ প্ৰয়োজন নাই। কোনো বাধাই তেওঁলোকক বাধা দি ৰাখিব নোৱাৰে। আনহাতে, সৰ্বসাধাৰণ বড়ো ৰাইজৰ মাজত বিভ্ৰান্তি সৃষ্টি ৰাৰ বাবে তথাকথিত বিটিআৰ চুক্তিৰ ৬.৩ নম্বৰ দফাৰ দোহাই দি এবছু আৰু বড়ো সাহিত্য সভাক অসম চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আগবঢ়াই দি যি এখন নাটকৰ সৃষ্টি কৰিবলৈ লৈছে, তাক বুজিবলৈ কাৰো বাকী থকা নাই, কাৰণ যাৰ বিৰুদ্ধে যাবলৈ প্ৰৰোচিত কৰা হৈছে সেইখন প্ৰকৃতাৰ্থত তেওঁলোকৰ নিজৰে চৰকাৰ। তদুপৰি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন লাভ নকৰা তথা কেন্দ্ৰৰ উভয় সংসদত আজিলৈ অনুমোদনৰ বাবে বিলেই নোযোৱা এখন সাধাৰণ বুজাবুজিৰ আধাৰত যে সেইবোৰ সম্ভৱ নহয় তাক জানি-বুজিও সৰ্বসাধাৰণ ৰাইজক আভুৱা ভাঁৰি প্ৰৱঞ্চনা কৰাৰ এইবোৰ একোটা নাটকৰ বাদে আন কি হ'ব পাৰে বুলিও ৰাইজে ক'ব বিচাৰে।

এনেদৰে পুন জাগি উঠা বড়ো আন্দোলনক মষিমূৰ কৰাৰ পৰিকল্পনাৰে বড়োৰ মাজত বিভাজন আনিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। তাৰ পৰিৱৰ্তে অৰ্থাৎ নতুনকৈ বিটিআৰ চুক্তি সম্পাদন কৰি পূৰ্বে প্ৰদান কৰা গাঁও কৰ্তনৰ পৰিৱৰ্তে ইচ্ছা থাকিলে চৰকাৰে পূৰ্বৰ বিটিচিৰ চুক্তিমতে বাকী থকা ৯৫ খন গাঁও অন্তৰ্ভুক্ত কৰি দিয়েই বড়ো সমস্যাৰ সমাধান আনিব পাৰিলেহেঁতেন বুলিও ৰাইজৰ মাজত ব্যাপক চৰ্চা চলিছে। কাৰণ ১৭ বছৰ অতিবাহিত হৈ যোৱাৰ পিছত বড়োভূমিত আন জনগোষ্ঠীয় লোকসকলেও বিটিচি শাসন মানি ল'বলৈ ইতিমধ্যে মানসিকভাৱে প্ৰস্তুত হৈ উঠিছিল।

*ফোন ঃ ৯৪৩৫০-২১৮৭৭*

---

ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!





বিশ্বজিৎ বৰুৱা

ডিবৰু পাৰত কাব্য চৰ্চাৰে চিৰযুগমীয়া হৈ ৰোৱা অন্য এক মহীৰূহ হৈছে বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰা। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই সততে যদু কবি সম্বোধনেৰে উল্লেখ কৰা যতীন্দ্ৰ নাথ দুৱৰা আছিল সাহিত্যৰথীগৰাকীৰ একান্ত গুণমুগ্ধ। ডিব্ৰুগড়ত হনুমানবক্স সুৰজমল কানৈ কলেজ, চমুতে কানৈ কলেজ প্ৰতিষ্ঠা হোৱাৰ পাছত প্ৰথম চাম শিক্ষকৰ ভিতৰত দুৱৰা আছিল অন্যতম। অধ্যাপক হিচাপে তেওঁ অতিকে নিষ্ঠাৱান আছিল আৰু সাহিত্যৰথী বেজবৰুৱাৰ 'পদুমকুঁৱৰী' আৰু উপন্যাস সম্ৰাট বুলি পৰিচিত ৰজনীকান্ত বৰদলৈৰ দ্বাৰা ৰচিত 'মিৰি জীয়ৰী' উপন্যাসৰ অতি নিষ্ঠাৰে পাঠদান কৰিছিল। দুৱৰাই যেতিয়া পদুমকুঁৱৰী, মিৰি জীয়ৰী, মনোমতী আদি উপন্যাসৰ পাঠদান কৰিছিল তেতিয়া সেয়া শুনিবলৈ অন্য শ্ৰেণীৰ ছাত্ৰ সকলো আহি মনে মনে শেষৰ বেঞ্চত বহি পৰিছিলহি। যতীন্দ্ৰনাথ দুৱৰা যে কেৱল কবি হিচাপেই নহয়, বৰঞ্চ শিক্ষক হিচাপেও ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰত সোমাই পৰিছিল সেয়া এনেবোৰ ঘটনাৰ পৰাই প্ৰতীয়মান হয়। সাহিত্যৰথীয়ে এনে নিষ্ঠাৰে পদুমকুঁৱৰীৰ পাঠদান কৰাৰ কথা জানিব পাৰি আহ্লাদিত হৈছিল আৰু তেতিয়াৰ পৰাই দুৱৰাক মৰমতে যদু কবি বুলি সম্বোধন কৰা আৰম্ভ কৰিছিল। যতীন্দ্ৰনাথৰ পৰা 'য' আৰু দুৱৰাৰ পৰা 'দ' শব্দটো লৈ যতীন্দ্ৰনাথ দুৱৰাক সম্বোধন কৰিছিল যদু কবি নামেৰে। যতীন্দ্ৰ নাথ দুৱৰাৰ জীৱিত কালতে তেওঁৰ কবিতাসমূহ জনগণৰ অন্তৰত এনেদৰে প্ৰৱেশ কৰিছিল যে তাৰ প্ৰতিধ্বনি যেন আজিও মাৰ যোৱা নাই বৰঞ্চ সময়ৰ আহ্বানত বাৰম্বাৰ উজলিহে উঠিছে। যেনে— অতীতক নাযাবা পাহৰি/ চেনেহৰ সখা মোৰ, শেষ অনুৰোধ/ অতীতক নাযাবা পাহৰি/ সমাপি জীৱন খেলা, বসুধা বুকুত/ যামগই যিদিনা আঁতৰি/ অতীতক নাযাবা পাহৰি।

ৰোমান্টিক ভাৱাদৰ্শৰ কবি দুৱৰাক সেয়ে 'প্ৰেমৰ কবি', 'গীতিকবি', 'অসমীয়া শ্বেলী', 'কাব্যযোগী' তেওঁৰ প্ৰথমখন কবিতা পুথি 'বনফুল'ৰ নামেৰে 'বনফুলৰ কবি' আদি বিবিধ আখ্যাৰে বিভূষিত কৰা হৈছে। মন কৰিবলগীয়া যে এইগৰাকী কবি এগৰাকী অতি নিষ্ঠাৱান অধ্যাপক হোৱাৰ উপৰি কাব্যচৰ্চাৰে জনগণৰ অন্তৰৰ নিভৃততম কোণলৈ প্ৰৱেশ কৰিছিল যদিও কোনো বিশেষ বঁটা-বাহনেৰে স্বীকৃত হোৱা নাছিল যদিও ১৯৫৫ত অসম সাহিত্য সভাৰ সভাপতিৰূপে নাম প্ৰক্ষেপিত হোৱাৰ আগমুহূৰ্ততহে 'বনফুল' পুথিখনৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰে। অৱশ্যে দুৱৰাই আছিল কাব্য সাহিত্যৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰা প্ৰথমগৰাকী অসমীয়া কবি। ১৯৫৫তে তেওঁ গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত সভাপতিত্ব কৰিছিল। সাহিত্য একাডেমীৰ মুৰব্বীসকলো এই সাহিত্য সভাৰ অধিৱেশনত উপস্থিত আছিল। দুৱৰাই সভাপতি হিচাপে অতি শুৱলা ভাষণ প্ৰদান কৰিছিল। মন কৰিবলগীয়া কথা আছিল যে এই অধিৱেশনতে ড° ৰোহিনী কুমাৰ বৰুৱাৰ সঞ্চালনাত বিজ্ঞান অধিৱেশন আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ সঞ্চালনাত বুৰঞ্জী অধিৱেশন অনুষ্ঠিত হৈছিল। এই অধিৱেশনত সাহিত্য-বিজ্ঞান আৰু বুৰঞ্জীৰ উপৰি বিভিন্ন ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰস্তাৱসমূহ পাছলৈ কাৰ্যকৰী কৰিবলৈ অসম চৰকাৰে প্ৰচেষ্টা গ্ৰহণ কৰিছিল। এই প্ৰস্তাৱসমূহৰ বহুসংখ্যকেই অসম চৰকাৰৰ পৰিকল্পনা আৰু আঁচনিৰ অন্তৰ্ভুক্ত হৈছিল, যাৰ বাবে অসম সাহিত্য সভাৰ গুৰুত্বও যথেষ্ট বৃদ্ধি হৈছিল।

১৮৯২ৰ চাৰি মাৰ্চত শিৱসাগৰ জিলাৰ (তাহানি ৰংপুৰ হিচাপে প্ৰখ্যাত) দিখৌ নদীৰ পাৰৰ আজি আমোলাপট্টি নামেৰে প্ৰখ্যাত অঞ্চলটোত থকা দুৱৰা কুটিৰত যতীন্দ্ৰনাথৰ জন্ম হৈছিল। দিখৌ নৈৰ পাৰৰ নৈসৰ্গিক দৃশ্যৰাজিৰে ভৰপূৰ অঞ্চলতে ওমলি-জামলি ডাঙৰ হোৱা যতীন্দ্ৰনাথক প্ৰথমে ছাত্ৰবৃত্তি স্কুলত নামভৰ্তি কৰি দিয়া হয়। তেওঁৰ পিতৃ শ্যামসুন্দৰ দুৱৰা আৰু মাতৃৰ নাম আছিল পুণ্যদা দুৱৰা। ছাত্ৰবৃত্তি স্কুলৰ পৰা প্ৰাথমিক শিক্ষাগ্ৰহণৰ পাছত শিৱসাগৰ চৰকাৰী ল'ৰাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা তেওঁ এণ্ট্ৰেন্স পৰীক্ষাত কৃতকাৰ্য হয়। ১৯০৯ত তেওঁ শিৱসাগৰৰ পৰা গুৱাহাটীলৈ গৈ কটন মহাবিদ্যালয়ত নামভৰ্তি কৰে। ইয়াৰ পৰা তাহানিৰ ফাৰ্ষ্ট ইন্টাৰমিডিয়েট পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰাৰ পাছত ১৯১৩ত গৈ কলিকতাৰ স্কটিছ চাৰ্চ কলেজৰ পৰা সফলতাৰে কলা শাখাৰ স্নাতক হয়। গ্ৰেজুৱেট হোৱাৰ পাছত তেওঁ একে সময়তে কলিকতা বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শাখাৰ লগতে আইন মহাবিদ্যালয়তো নামভৰ্তি কৰে। কিন্তু এই শিক্ষাগ্ৰহণ সমাপ্ত নকৰাকৈয়ে ১৯১৮ত তেওঁ ডিবৰুপাৰলৈ আহি জৰ্জ ইনষ্টিটিউট (আজিৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত শিক্ষকতা জীৱনৰ পাতনি মেলে। ইয়াৰ পাছতে তেওঁ কলিকতালৈ ঘূৰি গৈ স্কটিছ চাৰ্চ কলেজিয়েট স্কুলত ১৯৪৭লৈকে শিক্ষকতা কৰাৰ বাবে আৰু তাহানিৰ বহুকেইজন কৃতবিদ্য শিক্ষক আৰু অধ্যাপকৰ সান্নিধ্য লাভ কৰা বাবে শিক্ষকতা বৃত্তিৰ কিটিপ-কায়দাবিলাক আহৰণ কৰি লৈছিল। সেয়ে পুনৰবাৰ ডিবৰুৰ পাৰলৈ আহি শিক্ষকতা বৃত্তি আৰম্ভ কৰাত কম সময়তে দুৱৰা জন জনপ্ৰিয় শিক্ষক হিচাপে পৰিচিতি লাভ কৰিবলৈ সক্ষম হয়। সেই সময়ৰ কানৈ মহাবিদ্যালয়ৰ দাতা আৰু পৰিচালনা সমিতিৰ অনুৰোধত তেওঁ স্কটিছ চাৰ্চ কলেজিয়েটৰ চাকৰি পৰিত্যাগ কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে যোগদান কৰেহি আৰু অতি আন্তৰিকতাৰে পাঠদান কৰি ছাত্ৰ সমাজৰ মাজত জনপ্ৰিয় হৈ উঠে। এই জনপ্ৰিয়তাৰ বাবেই তেওঁক ডিবৰুবাসীয়ে এৰি নিদিলে আৰু কানৈ মহাবিদ্যালয়ৰ শিক্ষকতা বৃত্তিও তেওঁ এৰি ইচ্ছা থকা সত্ত্বেও কলিকতাৰ কে'বাখনো মহাবিদ্যালয়ৰ পৰা অধ্যাপক হিচাপে মনোনয়নৰ বাৰ্তা লাভ কৰিও ডিবৰুপাৰ এৰি কলিকতালৈ ঘূৰি যোৱাৰ স্পৃহা পৰিত্যাগ কৰিবলৈ বাধ্য হ'ল। ডিবৰুত থকা সময়ত তেওঁ নিতৌ আবেলি ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে বন্ধু যাদুৰাম বৰুৱা (মণিৰাম দেৱানৰ পুত্ৰ)ৰ স'তে খোজ কাঢ়ি ফুৰিছিল।

ছাত্ৰাৱস্থাতে তেওঁৰ কাপৰ পৰা নিগৰি ওলোৱা 'ওমৰ তীৰ্থ'ই দুৱৰাক অতিকে জনপ্ৰিয় কৰি তুলিছিল। জোনাকীত প্ৰকাশিত এই কবিতাসমূহ ১৯২৫ত পুথি হিচাপে প্ৰকাশ পায়। তেওঁ সেয়ে জোনাকী যুগৰ কবি হিচাপেও জনপ্ৰিয়। ইয়াৰ পাছত ১৯৩৩ত 'কথা কবিতা', ১৯৩৮ত 'আপোন সুৰ', ১৯৫২ত 'বনফুল', ১৯৬০ত 'মিলনৰ সুৰ' আৰু ১৯৬২ত 'মৰমৰ সুৰ' কাব্যপুথি প্ৰকাশ পায়। ১৯৫৫ত অসম সাহিত্য সভাৰ সভাপতি হিচাপে অধিষ্ঠিত চিৰকুমাৰ দুৱৰাৰ শিৱসাগৰৰ গৃহতে ১৯৬৪ৰ পাঁচ জুলাইত দেহাৱসান হয় আৰু ইয়াৰ লগে লগে অন্ত পৰে অসমৰ কাব্য সাহিত্য জগতৰ এটি অধ্যায়; কিন্তু এই অধ্যায়েই সৃষ্টি কৰে এক নজহা-নপমা ইতিহাসৰ। জীৱনত প্ৰাপ্তি-অপ্ৰাপ্তিৰ বিষয়ে তেওঁ লিখি যোৱা অভিজ্ঞতা আজিও ধ্বনিত হয় সকলোৰে কৰ্ণকুহৰত ঃ কেনি যোৱা বাটৰুৱা, আন্ধাৰ বাটত/ সন্মুখত মুকলি পথাৰ/ আকাশ ধৰণী চুমে, দূৰ দিগন্তত/ ক'তো তাৰ নাই পাৰাপাৰ। (আগলৈ)

*ফোন ঃ ৯৪৩৫০২৮০০৮*

---

# ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰত্যাহ্বান

উদয়ন হাজৰিকা

**দ্ৰৌপদী** মুৰ্মুৰে ৰাষ্ট্ৰপতিৰূপে শপত লোৱাৰ দিনাই অসম চৰকাৰে ছয় জনগোষ্ঠীৰ প্ৰতিনিধিসকলক জনজাতিৰ মৰ্যাদা প্ৰদান সম্বন্ধে আলোচনাৰ বাবে মাতি পঠোৱা বিষয়টোক সকলোৰে গুৰুত্ব সহকাৰে লৈছিল আৰু সংশ্লিষ্ট জনগোষ্ঠীকেইটাৰ মাজত আশাৰ সঞ্চাৰ হৈছিল; কিন্তু বাতৰি কাকতত প্ৰকাশিত তথ্য মতে চৰকাৰে সকলোৰে আশাত চেচঁপানী ঢালি বৈঠকত আনকি জনজাতিকৰণৰ বিষয়টোৰেই নুলিয়ালে। এই ঘটনাই চৰকাৰে অপৰিকল্পিতভাৱে কাম কৰাৰ নমুনাটো আকৌ এবাৰ উদঙাই দিলে। এই ঘটনাৰ ফলত সমাগত ২০২৪ৰ লোকসভাৰ সাধাৰণ নিৰ্বাচনত বিজেপিৰ বাবে হ'ব পৰা ক্ষতিৰ কথা মনত ৰাখিয়েই মুখ্যমন্ত্ৰীয়ে দিল্লীতে সংবাদমেলত ঘোষণা কৰিলে যে জনজাতিকৰণৰ বিষয়টোৰ প্ৰতি তেওঁৰ দলৰ সম্পূৰ্ণ সদিচ্ছা আছে আৰু তেওঁ আটাইকেইটা জনগোষ্ঠীক নিজে সুকীয়াকৈ লগ ধৰিব।

বৰ্তমানৰ জনজাতিকৰণৰ প্ৰস্তাৱটোত আহোম, চুতীয়া, মটক, মৰাণ, কোচ ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ ৩৬টা উপগোট অন্তৰ্ভুক্ত হৈ আছে। জনজাতিকৰণৰ প্ৰক্ৰিয়াটোৰ বিষয়ে ভাৰতীয় সংবিধানৰ ৩৪২ নম্বৰ অনুচ্ছেদত বৰ্ণণা কৰা হৈছে। ৩৪২(১) নম্বৰ অনুচ্ছেদত কোৱা হৈছে যে ৰাষ্ট্ৰপতিয়ে কোনো ৰাজ্যৰ বা কেন্দ্ৰীয়শাসিত অঞ্চলৰ সংশ্লিষ্ট ৰাজ্যপালৰ স'তে আলোচনাক্ৰমে কোনো জনজাতি বা জনজাতিৰ অংশ বিশেষক ৰাজহুৱা অধিসূচনাযোগে 'অনুসূচিত জনজাতি'ৰ মৰ্যাদা দিব পাৰে বা তেনে মৰ্যাদা বিলোপ কৰিবও পাৰে। একেদৰে ৩৪২ (২) নম্বৰ অনুচ্ছেদত কোৱা হৈছে যে ভাৰতীয় সংসদে আইন প্ৰণয়ণৰ যোগেৰে ৩৪২(১) দফাৰ অধীনত জাৰি কৰা কোনো অধিসূচনাৰ পৰা কোনো জনগোষ্ঠীৰ নাম বাদ দিব পাৰে বা অন্তৰ্ভুক্ত কৰিব পাৰে। গতিকে ৰাষ্ট্ৰপতি অথবা সংসদৰ বাহিৰে এই ক্ষমতা আন কাকো দিয়া হোৱা নাই। এই কথা উচ্চতম ন্যায়ালয়ে 'কুমাৰী মাধুৰী পাটিল আৰু আন এজন বনাম জনজাতি বিভাগৰ অতিৰিক্ত আয়ুক্ত' নামৰ গোচৰটোত স্পষ্টভাৱে ব্যাখ্যা কৰিছে। অসম চৰকাৰৰ এনে কে'বাখনো অধিসূচনা আছে যিকেইখন সংবিধানসন্মত নহয় যদিও বৰ্তমানলৈ চলি আছে। এই অধিসূচনাকেইখনে কে'বাটাও ভৈয়ামৰ জনগোষ্ঠীক যেনে ভৈয়ামৰ কাৰ্বিসকলক অনুসূচিত জনজাতিয়ে লাভ কৰা সকলোবোৰ সা-সুবিধা প্ৰদান কৰিছে। অৱশ্যে ৰাজনৈতিক সুবিধাবোৰ যেনে সংৰক্ষিত বিধান সভা বা লোকসভা সমষ্টিত জনজাতি প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ চাকৰিৰ ক্ষেত্ৰত প্ৰদান কৰা সা-সুবিধাবোৰ দিব পৰা নাই। সেইবোৰ কেৱল অনুসূচিত জনজাতি সকলেহে লাভ কৰি আছে। সেয়েহে এই জনগোষ্ঠী সমূহে অহৰহ অনুসূচিত জনজাতিৰ মৰ্যাদাৰ বাবে দাবী কৰি আহিছে। এনেদৰে অনুসূচিত জনজাতিৰ দাবী কৰা জনগোষ্ঠী কেৱল ওপৰোক্ত ছটাই নহয় আৰু কে'বাটাও আছে। যেনে— ভৈয়ামৰ আমৰি কাৰ্বিসকলে পাহাৰৰ আমৰি কাৰ্বি হিচাপে জনজাতিৰ মৰ্যাদা দাবী কৰি আহিছে— যিটো কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা নাই। একদৰে সোণাপুৰৰ ডিমৰীয়াৰ ডুমৰালি কাৰ্বি সকলেও অনুসূচিত জনজাতিৰ মৰ্যাদা দাবী কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে ২০০৬ তেই ভৈয়ামৰ আটাইকেউটা কাৰ্বিগোটক সামৰি 'ভৈয়ামৰ কাৰ্বি' হিচাপে জনজাতিৰ মৰ্যাদা দিব বিচাৰিছিল; কিন্তু আম্ৰিসকলে সেইটো গ্ৰহণ নকৰিলে। সেয়েহে এতিয়ালৈকে এই অধিসূচনা জাৰি কৰা হোৱা নাই। একেদৰে গোৰ্খা আৰু তামাং সকলেও জনজাতিৰ মৰ্যাদা বিচাৰি আছে আৰু তেওঁলোকৰ বাবেও প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। আনহাতে কাৰ্বি পাহাৰত বসবাস কৰা বড়োলোক সকলক পাহাৰী জনজতিৰ মৰ্যাদাৰ প্ৰস্তাৱো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পৰি আছে। ২০১৫তে তেওঁলোকক এই মৰ্যাদা দিয়া হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছিল যদিও সম্ভৱতঃ পাহাৰৰ কাৰ্বিসকলৰ আপত্তিৰ বাবেই সেইটো আজিলৈকে হৈ উঠা নাই।

অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান প্ৰক্ৰিয়াটোৰ আৰম্ভ হয় কোনো জনগোষ্ঠীয়ে অনুসূচিত জনজাতিৰ দাবী কৰি দাখিল কৰা আবেদন বা চৰকাৰে এই ক্ষেত্ৰত নিজাববীয়াকৈ লোৱা সিদ্ধান্তৰ পৰা। সংবিধানৰ ৩৪২(১) অনুচ্ছেদ অনুসৰি ৰাজ্যপালৰ হৈ চৰকাৰে জনজাতিৰ মৰ্যাদাৰ দাবী কৰা জনগোষ্ঠীটোৰ সম্পৰ্কে এটা বিশদ তদন্ত কৰি তাৰ ওপৰত প্ৰতিবেদন প্ৰস্তুত কৰে আৰু ৰাজ্যিক মন্ত্ৰীসভাৰ কেবিনেট বৈঠকত অনুমোদনৰ বাবে উপস্থাপন কৰে। মন্ত্ৰীসভাই অনুমোদন কৰাৰ পাছত প্ৰস্তাৱটো কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰণালয়লৈ পঠিওৱা হয়। এই মন্ত্ৰণালয়ে প্ৰস্তাৱটো ভাৰতৰ মহাপঞ্জীয়ক আৰু অনুসূচিত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগলৈ পৰামৰ্শৰ বাবে পঠিয়ায়। এই দুয়োটা অনুষ্ঠানে প্ৰস্তাৱটো বিভিন্ন কাৰিকৰী দিশৰ পৰা বিবেচনা কৰি তাৰ ওপৰত মন্তব্য কৰে। বৰ্তমানৰ ছয় জনগোষ্ঠীৰ প্ৰস্তাৱটো কেন্দ্ৰীয় কেবিনেট, অনুসূচিত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগ আৰু ভাৰতৰ মহাপঞ্জীয়কে ২০১৯ৰ জানুৱাৰীতে অনুমোদন কৰি থৈছে আৰু তাৰ ভিত্তিতে প্ৰস্তাৱটোৰ ওপৰত ৰাষ্ট্ৰপতিৰ কোনো অধিসূচনা নোহোৱাকৈয়ে টোকা, খচৰা বিল আৰু অধিসূচনা প্ৰস্তুত কৰি ইতিমধ্যে এখন ২০১৯ৰ সংসদৰ শীতকালীন অধিৱেশনৰ শেষৰ দিনা অৰ্থাৎ ৯ জানুৱাৰীত ৰাজ্যসভাত উত্থাপনো কৰা হৈছিল। সেই চৰকাৰৰ কাৰ্যকালৰ সেয়াই আছিল সংসদৰ অধিৱেশনৰ শেষ দিন। গতিকে দেখদেখকৈ চৰকাৰৰ উদ্দেশ্য আছিল নিৰ্বাচনৰ চমক হিচাপে ততাতৈয়াকৈ বিলখন



উত্থাপন কৰিয়েই নিজৰ দায়িত্বৰ সামৰণি মৰা— যাতে নিৰ্বাচনৰ প্ৰচাৰত সেইটো উল্লেখ কৰিব পাৰে। পিছে ৰাজ্যসভাত উত্থাপনৰ পিছদিনাই সেই সময়ৰ ৰাজ্যসভাৰ একমাত্ৰ বিপিএফ সদস্য বিশ্বজিৎ দৈমাৰীয়ে বিলখনৰ সম্পৰ্কত একাধিক পৰামৰ্শ সম্বলিত এখন পত্ৰ গৃহমন্ত্ৰী ৰাজনাথ সিঙৰ হাতত দাখিল কৰে। তেওঁৰ পৰামৰ্শৰ মূল বিষয়বস্তু আছিল ১) ইতিমধ্যে থকা অনুসূচিত জনজাতিসকলৰ সাংবিধানিক অধিকাৰৰ যাতে কোনো হীন-ডেঢ়ি নহয় সেইটো নিশ্চিত কৰা আৰু সেইটো সংশোধনী বিলখনত অন্তৰ্ভুক্ত কৰা। উল্লেখ্য যে সদৌ অসম ট্ৰাইবেল সংঘকে ধৰি আন বহুতো জনজাতীয় অনুষ্ঠানে বহুদিনৰ পৰাই এই দাবী তুলি আহিছিল। দ্বিতীয়তে, সংবিধানৰ ৩৩০ আৰু ৩৩২ অনুচ্ছেদ দুটা সংশোধন কৰি সম্প্ৰতি লোকসভা আৰু বিধানসভাৰ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত আসনকেইখন যাতে নতুন অনুসূচিত জনজাতিসকলে নাপায় সেইটো নিশ্চিত কৰা। উল্লেখ্য যে ইতিমধ্যে উত্থাপন কৰা বিলখনত এই বিষয়সমূহ অন্তৰ্ভুক্ত হোৱা নাছিল।


এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে ২০১৯ৰ ১১ জানুৱাৰীত অসম চৰকাৰক মন্ত্ৰীসভাৰ এটা গোট গঠন কৰি গোটেই বিষয়টো চালি-জাৰি চাবলৈ পৰামৰ্শ দিয়ে। এই মৰ্মে অসম চৰকাৰে ১৩ জানুৱাৰীত তদানীন্তন বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এটা মন্ত্ৰী গোট গঠন কৰি দিয়ে। এই গোটটোৰে এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰাৰ কথা আছিল যদিও সেই প্ৰতিবেদন এতিয়াও দাখিল কৰা হোৱা নাই। এতিয়া যদি কেন্দ্ৰীয় চৰকাৰে বিষয়টো নিষ্পত্তি কৰাৰ সিদ্ধান্ত লয়, তেনেহ'লে মন্ত্ৰীগোটৰ প্ৰতিবেদন নোহোৱাকৈও কৰিব পাৰিব। সাংবিধানিক প্ৰক্ৰিয়া অনুসৰি সংসদত এখন বিল উত্থাপনৰ পাছত সেই বিলখন সংসদে ঘূৰাই নিদিয়া পৰ্যন্ত অথবা বিলখন বিলোপ হৈ নগ'লে বিলখনৰ কোনো বিষয় চৰকাৰে দুনাই বিবেচনা কৰাৰ অৱকাশ নাই। অৱশ্যে বিলখন পৰীক্ষা কৰাৰ বাবে চয়ন সমিতিলৈ পঠালে আৰু সমিতিয়ে কিবা স্পষ্টীকৰণ বিচাৰিলে কথাটো সুকীয়া; কিন্তু ৰাজ্যসভাৰ জাননী অনুসৰি বিলখন এতিয়াও সিদ্ধান্তৰ বাবে অপেক্ষাৰত বুলি দেখুওৱা আছে। এনে পৰিস্থিতিত বিলখনৰ কোনো বিষয়বস্তুৰ ওপৰত মন্ত্ৰীগোটে কিবা সিদ্ধান্ত ল'লেও সেই সিদ্ধান্ত কাৰ্যকৰী কৰিব নোৱাৰিব যেতিয়ালৈকে সংসদে বিলখন ঘূৰাই নিদিয়ে।

অনুসূচিত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগে জনজাতিৰ প্ৰস্তাৱটোত অনুমোদন দিয়াৰ সময়তেই পৰামৰ্শ দি থৈছিল যে এই ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিয়াৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ বাবে সংৰক্ষণৰ পদ্ধতি আৰু সংৰক্ষণৰ হাৰ কি হ'ব সেই সম্পৰ্কে স্থিৰ সিদ্ধান্ত ল'বলৈ। এই সংৰক্ষণৰ হাৰ নিৰ্ণয় কৰাৰ দায়িত্ব ৰাজ্য চৰকাৰৰ। ইয়াৰ বাবে The Assam Scheduled Caste &Scheduled Tribes (Reservation of Vacancies in Services and Posts)Act 1978 নামৰ আইনখনৰ সংশ্লিষ্ট ধাৰাত ব্যৱস্থা দিয়া আছে। সেই অনুসৰি চৰকাৰী চাকৰি আৰু চৰকাৰী শিক্ষানুষ্ঠানত পাহাৰৰ জনজাতিৰ বাবে পাঁচ শতাংশ, ভৈয়ামৰ জনজাতিৰ বাবে ১০ শতাংশ আৰু অনুসূচিত জাতিৰ বাবে সাত শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা চলি আছে। এতিয়া এই ব্যৱস্থাৰ সংশোধন ঘটোৱাৰ প্ৰয়োজন হ'ব। বৰ্তমানলৈকে সংৰক্ষণৰ হাৰ মোটামুটি লোকপিয়লৰ তথ্যৰ ভিত্তিত নিৰ্ণয় কৰি অহা হৈছিল; কিন্তু এতিয়া সমস্যা হ'ল 'অন্যান্য পিছপৰা শ্ৰেণী'ত অন্তৰ্ভুক্ত হৈ থকা এই ছয় জনগোষ্ঠীৰ সম্পৰ্কত লোকপিয়লৰ কোনো তথ্য পাবলৈ নাই। আনহাতে, ১৯৭১ৰে পৰা অসমত জনজাতীয় লোকৰ জনসংখ্যা ৰাজ্যৰ মুঠ জনসংখ্যাৰ ১২ শতাংশৰ ওচৰে-পাঁজৰে চলি আহিছে। ২০১১ৰ লোকপিয়ল মতে তেওঁলোকৰ জনসংখ্যা অসমৰ মুঠ জনসংখ্যাৰ ১২.৪ শতাংশ আছিল। সেই অনুপাতে বৰ্তমানলৈ জনজাতিৰ বাবে অসমত মুঠ ১৫ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা আছে; কিন্তু এতিয়া যিহেতু আৰু অধিক সংখ্যক লোকলৈ এই সুবিধাসমূহ সম্প্ৰসাৰিত হ'ব, গতিকে তাৰ মোকাবিলা কৰিবৰ বাবে সহজ পন্থা হ'ল সংৰক্ষণৰ বৰ্তমানৰ হাৰ বৃদ্ধি কৰাটো— অৰ্থাৎ বৰ্তমানৰ ভৈয়াম জনজাতিৰ ১০ শতাংশ সংৰক্ষণৰ হাৰ একে ৰাখি নতুনকৈ অনুসূচিত জনজাতিত অন্তৰ্ভুক্ত হোৱা গোটটোৰ বাবে এটা সুকীয়া সংৰক্ষিত হাৰৰ সৃষ্টি কৰাটো যাতে তেওঁলোকৰ অংশটোৰ কোনো হীন-ডেঢ়ি নঘটে। যিহেতু বিবেচনাধীন কেউটা জনগোষ্ঠীয়েই বৰ্তমানৰ 'অন্যান্য পিছপৰা শ্ৰেণী'ৰ পৰা আহিব, গতিকে তেওঁলোকৰ বাবে সুকীয়া সংৰক্ষণৰ হাৰ কৰিলে সেয়া 'অন্যান্য পিছপৰা শ্ৰেণী'ৰ বাবে বৰ্তমানৰ সংৰক্ষণৰ হাৰ ২৭ শতাংশৰ পৰা বাদ যাব। গণনা কৰি দেখা গৈছে যে তেওঁলোকৰ বাবে মোটামুটি ১৫ শতাংশ আসন সংৰক্ষণৰ বাবে আছুতীয়াকৈ ৰাখিলে প্ৰস্তাৱিত এই আটাইকেউটা জনগোষ্ঠীৰ জনসংখ্যা সামৰিব পৰা যাব; কিন্তু ৰাজ্যৰ ক্ষেত্ৰত এনেদৰে আছুতীয়া সংৰক্ষণৰ হাৰ ধাৰ্য কৰিলেও সৰ্বভাৰতীয় ক্ষেত্ৰত তেনে এটা সুকীয়া হাৰৰ ব্যৱস্থা কৰাটো হয়তো সম্ভৱ নহ'ব। কাৰণ বিভিন্ন ৰাজ্যৰ নতুন নতুন জনগোষ্ঠীক জনজাতিকৰণ কৰি থকা হৈছে যদিও চৰকাৰে সৰ্বভাৰতীয় সংৰক্ষণৰ হাৰ এতিয়ালৈকে বৃদ্ধি কৰা নাই বা নতুন কোনো হাৰৰো সৃষ্টি কৰা নাই। আনহাতে, ইন্দ্ৰা চাহনেৰ গোচৰত উচ্চতম ন্যায়ালয়ে দিয়া ৰায় অনুসৰি সংৰক্ষণৰ মুঠ পৰিমাণ কোনো ক্ষেত্ৰতে ৫০ শতাংশ সীমা অতিক্ৰম নকৰাৰ নিষেধাজ্ঞাও চৰকাৰৰ সমুখত আছে।

জনজাতীয় গুণসম্পন্ন জনগোষ্ঠীসমূহে অনুসূচিত জনজাতিৰ মৰ্যাদাৰ দাবী কৰাটো এটা সাংবিধানিক অধিকাৰ। তেনে দাবী সংবিধানসন্মত হয়নে নহয় সেইটো বিবেচনা কৰাটো চৰকাৰৰ দায়িত্ব। ভাৰতে ইতিমধ্যে স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰিলে। পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ ব্যৱস্থাটোৰ ম্যাদ একাদিক্ৰমে বৃদ্ধি কৰি গৈ থকা হৈছে। এতিয়াও নতুন নতুন জনগোষ্ঠীয়ে অনুসূচিত জনজাতিৰ মৰ্যাদাৰ দাবী তুলি আছে। চৰকাৰে ইয়াৰ বাবে নতুন সংজ্ঞা নিৰ্ণয় কৰা উচিত। এতিয়া কোনো জনগোষ্ঠীক নতুনকৈ অনুসূচিত অন্তৰ্ভুক্ত কৰিব লগা হ'লে তেনে জনগোষ্ঠীৰ সমাজত শিক্ষিতৰ হাৰ, তেওঁলোকৰ আৰ্থিক স্বকলতা, মুঠ নগৰকেন্দ্ৰিক জনসংখ্যা, জীৱিকাৰ উপায় আদি অধ্যয়ন কৰি তাৰ ওপৰত ভিত্তি কৰিহে তেওঁলোক দৰাচলতে কিমান পিছপৰা সেইটো নিৰ্ণয় কৰা দৰকাৰ।


*ফোন ঃ ৯৪৩৫০৪৫৬৮২*

## এইবাৰ প্ৰাক্তন বেংক বিষয়াৰ ঘৰৰ পৰা জব্দ ৫৭ কোটি টকা



**নিউজ ব্যুৰ', মুম্বাই, ১৭ আগষ্ট** ঃ এটা বেচৰকাৰী বেংকৰ প্ৰাক্তন মিউচুৱেল ফাণ্ডৰ প্ৰবন্ধকৰ বাসগৃহত তালাচী চলাই ৫৭ কোটি টকা উদ্ধাৰ কৰিলে আয়কৰ বিভাগে। মুম্বাইনিবাসী বীৰেশ যোশী নামৰ উক্ত প্ৰাক্তন বেংক বিষয়াজনৰ বিৰুদ্ধে অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। ইতিমধ্যে যোশীৰ একাধিক একাউণ্ট বন্ধ কৰাৰ বাবে বেংকসমূহক নিৰ্দেশ দিলে আয়কৰ বিভাগে। আগষ্টৰ আৰম্ভণিতে যোশীৰ বাসগৃহত আয়কৰ বিষয়াই তালাচী চলাইছিল আৰু শেহতীয়াভাৱে যোশীৰ ঘৰৰ পৰা মুঠ ৫৭ কোটি টকা জব্দ কৰাৰ তথ্য সদৰী কৰিলে। অবৈধভাৱে সংগ্ৰহ কৰা ধন যোশীয়ে তেওঁৰ আত্মীয়ৰ নামত কোম্পানী খুলি তাৰ জৰিয়তে লেনদেন কৰিছিল। ঘটনাৰ সন্দৰ্ভত আয়কৰ বিভাগে তদন্ত অব্যাহত ৰাখিছে।

## শপতৰ দিনাই বিহাৰৰ নতুন আইনমন্ত্ৰীলৈ গ্ৰেপ্তাৰী পৰোৱানা



**নিউজ ব্যুৰ', পাটনা, ১৭ আগষ্ট** ঃ অপহৰণৰ অভিযোগত আত্মসমৰ্পণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল বিহাৰৰ আৰ জে ডিৰ বিধায়ক কাৰ্তিকেয়া সিঙক। কিন্তু আত্মসমৰ্পণৰ দিনাই ৰাজভৱনলৈ গৈ নতুন মন্ত্ৰীসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰিছিল সিঙে। উল্লেখ্য যে কালি বিহাৰৰ মহাগটবন্ধন চৰকাৰৰ মন্ত্ৰীয়ে শপত গ্ৰহণ কৰিছিল। কাৰ্তিকেয়াৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অনুসৰি ২০১৪ বৰ্ষত এজন ব্যৱসায়ীক হত্যাৰ বাবে তেওঁ অপহৰণ কৰিছিল। উক্ত গোচৰতে যোৱা ১৪ জুলাইত কাৰ্তিকেয়ালৈ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছিল। ১৬ আগষ্টত কাৰ্তিকেয়াক দানাপুৰ আদালতত আত্মসমৰ্পণ কৰিবলৈ কোৱা হৈছিল। কিন্তু কালি এই নিৰ্দেশনা অমান্য কৰি ৰাজভৱনলৈ গৈ তেওঁ নীতিশ কুমাৰৰ নতুন মন্ত্ৰীসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰিছিল। এই ঘটনাৰ সন্দৰ্ভত নিজৰ অজ্ঞতা প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰী নীতিশে। বিহাৰৰ মুখ্যমন্ত্ৰীজনে কাৰ্তিকেয়ালৈ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাৰ প্ৰসংগ তেওঁৰ অৱগত নহয় বুলি মন্তব্য কৰি এইদৰে কয়, 'মোৰ হাতত এই বিষয়ত কোনো তথ্য নাই। মই একো নাজানো।' উল্লেখ্য যে নীতিশৰ মন্ত্ৰীসভাত কাৰ্তিকেয়াই আইন মন্ত্ৰণালয়ৰ দায়িত্ব লাভ কৰিছে।

## দিল্লীত কৰ'নাৰ দৈনিক সংক্ৰমণ ২০ শতাংশ বৃদ্ধি, দেশত আক্ৰান্ত ৯০৬২ জন




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ আগষ্ট** ঃ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিড আক্ৰান্তৰ সংখ্যা ৯০৬২ জনলৈ বৃদ্ধি পালে। মঙলবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৮৮১৩ জন। যোৱা ২৪ ঘণ্টাত কৰ্ণাটকত ১১২১, দিল্লীত ৯১৭, মহাৰাষ্ট্ৰত ৮৩৬ আৰু তামিলনাডুত ৬৭০ জন লোক ক'ভিড সংক্ৰমিত হ'ল। দিল্লীত দৈনিক সংক্ৰমণৰ হাৰ বিগত এদিনত ২০ শতাংশ বৃদ্ধি পালে। ইফালে, বিগত ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ৩৬ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। কেৰালা আৰু পঞ্জাৱত ছজন, কৰ্ণাটকত পাঁচজন ক'ভিড ৰোগীয়ে বিগত এদিনত প্ৰাণ হেৰুৱালে।

## মুম্বাইত দুসপ্তাহত ১৩৮ জন লোক ছোৱাইন ফ্লুত আক্ৰান্ত



**নিউজ ব্যুৰ', মুম্বাই, ১৭ আগষ্ট** ঃ মুম্বাইৰ ছোৱাইন ফ্লুৰ সংক্ৰমণ বৃদ্ধি পাইছে। দেশৰ বাণিজ্যিক ৰাজ্যখনত বিগত ১৫ দিনত ১৩০ জনৰো অধিক লোক এই ভাইৰাছত সংক্ৰমিত হ'ল। বৃহনমুম্বাই পৌৰ নিগম (বি এম চি)ৰ তথ্য অনুসৰি পহিলা আগষ্টৰ পৰা ১৪ আগষ্টৰ সময়ছোৱাত মুম্বাইত এইচ ১ এন ১ ভাইৰাছত মুঠ ১৩৮ জন লোক সংক্ৰমিত হ'ল। উক্ত সময়সীমাৰ ভিতৰত মুম্বাইত ৪১২ জন লোক মেলেৰিয়াত আৰু ৭৩ জন লোক ডেংগীত আক্ৰান্ত হৈছিল। যোৱা জুলাইত মুম্বাইত ছোৱাইন ফ্লুত আক্ৰান্ত হৈছিল ১০৫ জন লোক।

## ছিৰিয়াত তুৰস্কৰ বায়ুসেনাৰ আক্ৰমণত ১১ জন লোকৰ মৃত্যু



**নিউজ ব্যুৰ', ডামাস্ক, ১৭ আগষ্ট** ঃ তুৰস্কই উত্তৰ ছিৰিয়াত থকা সামৰিক ঘাটিক লক্ষ্য হিচাপে লৈ যোৱা নিশা সংঘটিত কৰা বোমা বৰ্ষণৰ ঘটনাত ১১ জন লোকৰ মৃত্যু হ'ল। মানৱাধিকাৰ সংস্থা ছিৰিয়া অবজাৰভেটৰি ফৰ হিউমেন ৰাইটছে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি তুৰস্কৰ সেনা বাহিনীয়ে আকাশ মাৰ্গৰে ছিৰিয়াত আক্ৰমণ অব্যাহত ৰাখিছে। মঙলবাৰে তুৰস্কৰ বায়ুসেনাই ছিৰিয়া-তুৰস্কৰ সীমান্তৰ অলেপ্প' প্ৰদেশত উত্তৰাঞ্চলৰ গাঁও অঞ্চলত একাধিক স্থানত ছিৰিয়াৰ সামৰিক বাহিনীৰ ঘাটিক লক্ষ্য হিচাপে লৈ আক্ৰমণ সংঘটিত কৰিছিল। এই ঘটনাত ১১ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে আন আঠজন লোক আহত হয়।

### ১০ বছৰ পূৰ্বৰে পৰা চীনত ৰাজনৈতিক বন্দীক বৰ্বৰ শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলাই অহা হৈছে

# চৰকাৰ বিৰোধীক চীনত প্ৰেৰণ কৰা হয় মানসিক চিকিৎসালয়লৈ ঃ মানৱাধিকাৰ সংস্থাৰ চাঞ্চল্যকৰ দাবী





**নিউজ ব্যুৰ' মাদ্ৰিদ, ১৭ আগষ্ট** ঃ এটা মানৱাধিকাৰ সংস্থাই দাবী কৰা অনুসৰি চীনত ৰাজনৈতিক বন্দী আৰু চৰকাৰী বিৰোধীক মানসিক চিকিৎসালয়লৈ প্ৰেৰণ কৰি বৰ্বৰ নিৰ্যাতন চলোৱা হয়। মাদ্ৰিদৰ এটা মানৱাধিকাৰ সংস্থাই এই চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰি দাবী কৰা অনুসৰি ১০ বছৰ পূৰ্বৰে পৰা চীনত চৰকাৰী বিৰোধী লোকক এইদৰে মানসিক চিকিৎসালয়লৈ প্ৰেৰণ কৰি বৰ্বৰ অত্যাচাৰ চলাই অহা হৈছে। ছেফগাৰ্ড ডিফেণ্ডাৰ্ছ নামৰ মানৱাধিকাৰ সংস্থাটোৱে এক প্ৰতিবেদন প্ৰকাশ কৰি চীনৰ এখন ভয়াৱহ ছবি বিশ্ববাসীৰ আগত দাঙি ধৰিলে। এই প্ৰতিবেদনত উল্লেখ কৰা মতে, চৰকাৰৰ বিৰুদ্ধে মাত মতা লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি অবৈধভাৱে মানসিক চিকিৎসালয়ত ভৰ্তি কৰি তেনে লোকক শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাই আহিছে। আনকি মহিলাকো চৰকাৰ বিৰোধিতাৰ অভিযোগত একেদৰে চীন চৰকাৰে নিৰ্যাতন চলাই আহিছে বুলি মানৱাধিকাৰ সংস্থাটোৱে দাবী কৰিছে।

২০১৮ বৰ্ষত এগৰাকী মহিলাই চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙৰ ফটোত চিঞাহী ছটিয়াইছিল আৰু ইয়াৰ পাছতে উক্ত মহিলাগৰাকী সন্ধানহীন হৈছিল। পাছত উক্ত মহিলাক এখন মানসিক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ তথ্য পোহৰলৈ আহিছিল। উক্ত চিকিৎসালয়ত সেনা জোৱানে মহিলাগৰাকীক অত্যাচাৰ কৰাৰ ছবিও প্ৰকাশ কৰা হৈছিল।



## পলিঅ' টিকাকৰণ বিৰোধী তালিবানৰ গুলিত নিহত দুজন

**নিউজ ব্যুৰ' লাহোৰ, ১৭ আগষ্ট** ঃ সমগ্ৰ বিশ্বত আফগানিস্তান আৰু পাকিস্তানেই হৈছে এনে দুখন দেশ য'ত পলিঅ' টিকাকৰণ কৰ্মসূচী বাধাগ্ৰস্ত হৈ আহিছে। টিকাকৰণৰ বিৰুদ্ধে সন্ত্ৰাসবাদীয়ে অভিযান চলাই অহাৰ ফলত দেশ দুখনত টিকাকৰণৰ অভিযান সফল হ'ব পৰা নাই। এইবাৰ পুনৰ সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হ'ল পাকিস্তানৰ স্বাস্থ্য কৰ্মী। কালি খাইবাৰ পাখতুনখাৱা প্ৰদেশত সন্ত্ৰাসবাদীয়ে গুলিবৰ্ষণ কৰাত টিকাকৰ্মীৰ নিৰাপত্তাৰ দায়িত্বত থকা দুজন আৰক্ষী নিহত হয়। যোৱা এপ্ৰিলৰ পৰা পাকিস্তানত পলিঅ' সংক্ৰমণৰ ১৪ টা নতুন ঘটনা চিনাক্ত কৰা হৈছে। পাকিস্তান-আফগানিস্তান সীমান্তৰ খাইবাৰপাখতুনখাৱা অঞ্চলত পলিঅ'ৰ বীজাণুৰ উপস্থিতি চিনাক্ত কৰা হৈছিল। ইয়াৰ পাছৰে পৰা প্ৰশাসনে অঞ্চলটোত দ্ৰুত টিকাকৰণ অব্যাহত ৰাখিছে। কালি গোমাল চহৰত হঠাতে সন্ত্ৰাসবাদীয়ে টিকাকৰ্মীৰ কনভয়ত গুলিবৰ্ষণ কৰিছিল আৰু এই ঘটনাত দুজন আৰক্ষী নিহত হৈছিল।

## হিমাচলত আপৰ ভেটি সবল কৰিবলৈ শিক্ষাক্ষেত্ৰত ছিছ'দিয়াৰ পাঁচ প্ৰতিশ্ৰুতি




**নিউজ ব্যুৰ', ছিমলা, ১৭ আগষ্ট** ঃ হিমাচল প্ৰদেশত চলিত বৰ্ষত অন্তিম ভাগত অনুষ্ঠিত হ'ব লগা বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টি (আপ)য়ে দলীয় প্ৰস্তুতি ব্যাপক কৰি তুলিছে। দিল্লীৰ উপমুখ্যমন্ত্ৰী তথা আপৰ নেতা মনীষ ছিছ'দিয়াই হিমাচল প্ৰদেশত উপস্থিত হৈ ৰাজ্যবাসীক শিক্ষাৰ স'তে জড়িত পাঁচটা প্ৰতিশ্ৰুতি দিলে। আপে ৰাজ্যখনত চৰকাৰ গঠন কৰিলে প্ৰতি পৰিয়ালৰ সন্তানক উন্নতমানৰ বিনামূলীয়া শিক্ষাদান কৰিব। দিল্লীৰ দৰে হিমাচল প্ৰদেশৰ চৰকাৰী বিদ্যালয়ক আটকধুনীয়া কৰাৰ ব্যৱস্থা ল'ব বুলিও ছিছ'দিয়াই প্ৰতিশ্ৰুতি দিয়ে। ব্যক্তিগত বিদ্যালয়ৰ মাচুল নিয়ন্ত্ৰণ, শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ আৰু শিক্ষকক কেৱল শিক্ষাদানত নিয়োজিত কৰাৰো প্ৰতিশ্ৰুতি দিলে আপৰ নেতাজনে।

## ২১৫ কোটিৰ বিত্তীয় কেলেংকাৰিৰ গোচৰত ই ডিয়ে অভিযুক্ত কৰিলে জেকলিনক



**নিউজ ব্যুৰ', মুম্বাই, ১৭ আগষ্ট** ঃ ২১৫ কোটিটকীয়া অবৈধ ধনৰ লেনদেনৰ গোচৰত বলিউডৰ জনপ্ৰিয় অভিনেত্ৰী জেকলিন ফাৰ্ণাণ্ডেজৰ নাম অভিযোগনামাত অন্তৰ্ভুক্ত কৰিলে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ। গোচৰৰ তদন্তত আৰম্ভণিতে ই ডিয়ে জেকলিনক অন্যতম সাক্ষী বুলি উল্লেখ কৰিছিল। এইবাৰ কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে দাখিল কৰা অভিযোগনামাত অভিনেত্ৰীগৰাকীক অভিযুক্তৰ তালিকাত অন্তৰ্ভুক্ত কৰিলে। উত্থাপিত অভিযোগ অনুসৰি এই কেলেংকাৰিৰ মূল অভিযুক্ত সুকেশ চন্দ্ৰশেখৰৰ পৰা বহু মূল্যবান গহনা, বিলাসবহুল গাড়ী আৰু অন্যান্য উপহাৰ গ্ৰহণ কৰিছিল জেকলিনে। কাৰাগাৰত থকাৰ সময়ত সুকেশৰ স'তে বাৰ্তালাপ কৰাৰ অভিযোগো অভিনেত্ৰীৰ বিৰুদ্ধে উত্থাপিত হৈছিল। উল্লেখ্য যে পূৰ্বে ই ডিয়ে কে'বাবাৰো জেকলিনক জেৰা কৰিছিল।

# আধিপত্য বৰ্তাই ৰাখিবলৈ টাইৱানক উচটাইছে আমেৰিকাই ঃ অভিযোগ পুটিনৰ



**নিউজ ব্যুৰ', মস্কো, ১৭ আগষ্ট** ঃ নিজৰ আধিপত্য বজাই ৰাখিবলৈ টাইৱানৰ সংঘাতত উচটনি দিছে আমেৰিকাই। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে এই অভিযোগ উত্থাপন কৰিব। ৰুছ ৰাষ্ট্ৰপতিয়ে অভিযোগ কৰি কয় যে আমেৰিকাৰ হস্তক্ষেপৰ ফলতে ইউক্ৰেইন যুদ্ধ সমাপ্ত হোৱা নাই। বিশ্বত নিজৰ তথাকথিত আধিপত্য বৰ্তাই ৰাখিবলৈ আমেৰিকাই এইদৰে আন ৰাষ্ট্ৰক প্ৰৰোচিত কৰি আহিছে বুলি পুটিনে অভিযোগ কৰে। আমেৰিকাৰ কংগ্ৰেছৰ অধ্যক্ষা নেন্সি পেল'চিৰ টাইৱান ভ্ৰমণৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কালি ৰুছ ৰাষ্ট্ৰপতিয়ে কৈছিল যে আধিপত্য বজাই ৰাখিবলৈকে টাইৱান সংঘাতক উচটনি দিছে আমেৰিকাই। পুটিনে অভিযোগ কৰি কয়, 'টাইৱান ভ্ৰমণ আমেৰিকাৰ কোনো দায়িত্বজ্ঞানহীন ৰাজনীতিবিদৰ এক মাথোঁ ভ্ৰমণ নাছিল। এয়া আমেৰিকাৰ এক সুপৰিকল্পিত আৰু সুচিন্তিত পৰিকল্পনাৰ অংশবিশেষ। এইদৰে আঞ্চলিক স্থিতাৱস্থা নষ্ট কৰি বিশ্বত নিজৰ আধিপত্য অটুট ৰাখিব বিচাৰিছে আমেৰিকাই। এনে কাৰ্য আন দেশৰ সাৰ্বভৌমত্বৰ প্ৰতি চূড়ান্ত অসন্মানজনক। পশ্চিমৰ অভিজাতসকলে নিজৰ ব্যৰ্থতাৰ দায় ৰাছিয়া আৰু চীনৰ ওপৰত জাপিব বিচাৰিছে।'



## মহাগটবন্ধনৰ ৮৪ শতাংশ মন্ত্ৰী কোটিপতি, ২৩ৰ বিৰুদ্ধে আছে গোচৰ

**নিউজ ব্যুৰ', পাটনা, ১৭ আগষ্ট** ঃ নীতিশ কুমাৰৰ নেতৃত্বত নৱগঠিত বিহাৰ মন্ত্ৰীসভাত ৭২ শতাংশ মন্ত্ৰীৰ বিৰুদ্ধে আছে অপৰাধৰ গোচৰ। এছ'চিয়েচন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ (এ ডি আৰ)ৰ প্ৰতিবেদনৰ তথ্য অনুসৰি নীতিশ কেবিনেটৰ ৩৩ মন্ত্ৰীৰ ২৩ জনৰ বিৰুদ্ধে গোচৰ চলি আছে। ইয়াৰে ১৭ জন (৫৩ শতাংশ)ৰ বিৰুদ্ধে গুৰুতৰ অপৰাধৰ গোচৰ আছে। আৰ জে ডিৰ ১৭ জন মন্ত্ৰীৰ ১৫ জনৰ বিৰুদ্ধে অপৰাধৰ গোচৰ চলি আছে। একেদৰে জে ডি ইউৰ ১১ জন মন্ত্ৰীৰ চাৰিজনৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছে। উপমুখ্যমন্ত্ৰী তেজস্বী যাদৱৰ বিৰুদ্ধে আছে অপৰাধৰ ১১ টা গোচৰ। এ ডি আৰৰ তথ্য অনুসৰি নীতিশৰ নতুন কেবিনেটৰ ৮৪ শতাংশ মন্ত্ৰী হৈছে কোটিপতি। জে ডি ইউৰ ১১ মন্ত্ৰীৰ নজন কোটিপতি। আৰ জে ডিৰ ১৭ মন্ত্ৰীৰ ১৬ জনে হৈছে কোটিপতি।

## শ্ৰীলংকাৰ পথত অগ্ৰসৰ পাকিস্তান, ঋণৰ পৰিমাণ ৬০ লাখ কোটি ৰুপিলৈ বৃদ্ধি



**নিউজ ব্যুৰ', লাহোৰ, ১৭ আগষ্ট** ঃ পাকিস্তানৰ অৰ্থনৈতিক অৱস্থা অধিক জটিল হ'ল। মুদ্ৰাৰ ব্যাপক মূল্য হ্ৰাস, ত্ৰুটিপূৰ্ণ আৰ্থিক নীতিৰ কাৰণত পাকিস্তানৰ বৈদেশিক ঋণৰ পৰিমাণ সম্প্ৰতি ৬০ লাখ কোটি পাকিস্তানী ৰুপিলৈ বৃদ্ধি পালে। ঋণৰ ভাৰত জৰ্জৰিত পাকিস্তানৰ অৱস্থা শ্ৰীলংকাৰ দৰে দেউলীয়া হ'ব পাৰে বুলি একাংশ অৰ্থনৈতিক বিশেষজ্ঞই সন্দেহ প্ৰকাশ কৰিছে। পাকিস্তানৰ ষ্টেট বেংকে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি, বিগত বিত্তীয় বৰ্ষত পাকিস্তানৰ চৰকাৰী ঋণৰ পৰিমাণ আছিল ন লাখ ৩০ হেজাৰ কোটি পাকিস্তানী ৰুপি। কিন্তু ২০২২ৰ জুনত দেশখনৰ ঋণৰ পৰিমাণ ৪৯ লাখ ২০ হেজাৰ কোটি পাকিস্তানী ৰুপিলৈ বৃদ্ধি পায়। ইফালে, পাকিস্তানৰ বৈদেশিক মুদ্ৰা ভাণ্ডাৰৰ অৱস্থাও তথৈবচ হৈছে। চলিত বিত্তীয় বৰ্ষৰ প্ৰথম পাঁচ সপ্তাহত ২০০ কোটি মাৰ্কিন ডলাৰৰ বৈদেশিক মুদ্ৰা হ্ৰাস পালে পাকিস্তানত। শ্বাহবাজ শ্বৰীফৰ নেতৃত্বত নতুন চৰকাৰ গঠন হ'লেও বিত্তীয় দুৰ্দশাৰ পৰা মুক্ত হ'ব পৰা নাই পাকিস্তান।

## ৰুশ্বডিৰ পাছত লক্ষ্য হ'ব পাৰে তছলিমা ঃ আতংকিত লেখিকা



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ আগষ্ট** ঃ মৌলবাদীৰ ফটোৱা পূৰ্বে একাধিকবাৰ তেওঁ লাভ কৰিছিল। আনকি তেওঁৰ মূৰৰ মূল্যও ঘোষণা কৰিছিল মৌলবাদীয়ে। কিন্তু বৰ্তমানৰ দৰে পূৰ্বে কাহানিও ইমান আতংকিত হোৱা নাছিল বাংলাদেশ স্বনিৰ্বাসিত লেখিকা তছলিমা নাছৰিনে। 'তোমালোকে মানুহ হত্যা কৰা?' স্বাধীনতা দিৱসৰ সন্ধিয়া এইদৰে টুইট কৰিছিল তছলিমাই। ইয়াৰ স'তে লেখিকাগৰাকীয়ে টেগ কৰিছিল জনৈক জেন শেখ নামৰ এজন ব্যক্তিৰ এক বিশেষ টুইট। এই টুইটত জেন শেখে তিনিখন ছুৰীৰ ছবিৰে তছলিমাক টেগ কৰি কৈছিল, 'পৰৱৰ্তী লক্ষ্য আপুনি।' বুকাৰজয়ী সাহিত্যিক ছলমান ৰুশ্বডিক দুৰ্বৃত্তই ছুৰীৰে আক্ৰমণ কৰাৰ পাছত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল তছলিমাই। শেহতীয়াভাৱে লেখিকাগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে একাধিক ভাবুকি লাভ কৰিছে। এই সন্দৰ্ভত তছলিমাই সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এইদৰে কয়, 'এতিয়া কি কৰিম একো ধৰিব পৰা নাই। মগজুৱে কাম কৰা নাই। কেৱল মৌলবাদীৰ ভাবুকিক সিমান ভয় নাই। কিন্তু আইছিছৰ দৰে ভয়ংকৰ সন্ত্ৰাসবাদীয়ে যিকোনো নিৰাপত্তা ভংগ কৰিব পাৰে।' উল্লেখ্য যে ১৫ আগষ্টত স্বাধীনতা দিৱসত নিজৰ ঘৰৰ ছাদত তছলিমাই ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল।

## মমতাবিহীন 'নতুন তৃণমূল'ৰ প'ষ্টাৰ সন্দৰ্ভত কি ক'লে কুনালে?

**নিউজ ব্যুৰ', কলকাতা, ১৭ আগষ্ট** ঃ তৃণমূল কংগ্ৰেছৰ একাংশ নতুন প'ষ্টাৰে পশ্চিমবংগৰ ৰাজনীতিত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰাসবিহাৰী, কালীঘাট, ভৱানীপুৰসহ বিভিন্ন অঞ্চলত শেহতীয়াভাৱে তৃণমূল কংগ্ৰেছে একাংশ প'ষ্টাৰ আঁৰিছে। কোনোখন প'ষ্টাৰত এইদৰে লিখা হৈছে, 'আগন্তুক ছমাহৰ ভিতৰত সন্মুখলৈ আহিব নতুন তৃণমূল। ঠিক যিদৰে সাধাৰণ মানুহে বিচাৰে।' আনহাতে, আন কোনোবা প'ষ্টাৰত লিখা আছে এইদৰে, 'আহক সংগ্ৰামৰ বাবে প্ৰস্তুত হওঁ। এই সংগ্ৰাম আমাৰ ২৪ৰ সংগ্ৰাম।' দক্ষিণ কলকাতাত তৃণমূল কংগ্ৰেছত এনে হ'ৰ্ডিঙক লৈ পশ্চিমবংগৰ ৰাজনীতিত জল্পনা-কল্পনা অব্যাহত আছে। শাসকীয় দলটোৰ এই প'ষ্টাৰত আছে কেৱল অভিষেক বেনাৰ্জীৰ ফটো। তৃণমূল কংগ্ৰেছৰ মুৰব্বী মমতা বেনাৰ্জীৰ ফটো এই প'ষ্টাৰত নাই। মমতাৰ স'তে অভিষেকৰ কিবা সংঘাত হৈছে নেকি বুলিও প্ৰশ্ন উত্থাপিত হৈছে। অভিষেকে নতুন দল গঠন কৰিব নেকি বুলিও জল্পনা চলিছে। অৱশ্যে এনে প'ষ্টাৰৰ সন্দৰ্ভত তৃণমূল কংগ্ৰেছৰ সাধাৰণ সম্পাদক কুনাল ঘোষে স্পষ্টীকৰণ দি কয়, 'যি দৃষ্টিভংগীৰে বিৰোধীয়ে এই প'ষ্টাৰৰ আলোচনা কৰিছে সেয়া তেনেই অপ্ৰাসংগিক। অভিষেক বেনাৰ্জীৰ সংলাপক লৈ কোনোবাই এই হ'ৰ্ডিং আঁৰিছে। এয়া তেনেই স্বাভাৱিক। মমতা বেনাৰ্জীৰ বাৰ্তা দিও হ'ৰ্ডিং তৈয়াৰ কৰা হয়। মমতা বেনাৰ্জীৰ নেত্ৰী, অভিষেক সেনাপতি। নতুন তৃণমূলৰ কথা অভিষেকে বহুবাৰ কৈ আহিছে। নতুন তৃণমূল মানে হৈছে অধিক শৃংখলাবদ্ধতাৰে দলক আগবঢ়াই নিয়া। তৃণমূল কংগ্ৰেছত কোনো সংঘাত নাই।'



## দিল্লীত ৰোহিংগ্যা শৰণাৰ্থীক ফ্লেট প্ৰদানৰ কথা অস্বীকাৰ গৃহ মন্ত্ৰণালয়ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ আগষ্ট** ঃ দিল্লীত অবৈধ ৰোহিংগ্যা শৰণাৰ্থীক বাসগৃহ প্ৰদানৰ বাতৰি অস্বীকাৰ কৰিলে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে। মন্ত্ৰণালয়ে আজি এই বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে একাংশ সংবাদ মাধ্যমে অবৈধ ৰোহিংগ্যা শৰণাৰ্থীক কেন্দ্ৰ চৰকাৰে ফ্লেট প্ৰদান কৰিব বুলি প্ৰচাৰ কৰা বাতৰি সত্য নহয়। 'আমি এনেধৰণৰ কোনো নিৰ্দেশ দিয়া নাই যে অবৈধ ৰোহিংগ্যা শৰণাৰ্থীক দিল্লীৰ বক্কৰৱালাত ফ্লেট আবণ্টন দিয়া হ'ব। দিল্লী চৰকাৰে আমাক এক প্ৰস্তাৱ দি কৈছিল যে ৰোহিংগ্যা শৰণাৰ্থীক ডিটেনচন শিবিৰৰ পৰা আন স্থানলৈ নিয়া উচিত। কিন্তু আমি নিৰ্দেশ দি কৈছিলো যে অবৈধ ৰোহিংগ্যা শৰণাৰ্থীক বৰ্তমানৰ স্থানতে ৰাখিব লাগিব। তেওঁলোকক স্বদেশলৈ ওভতাই পঠোৱাৰ বাবে আলোচনা চলি আছে আৰু তেতিয়ালৈকে ৰোহিংগ্যা শৰণাৰ্থীক ডিটেনচন শিবিৰতে ৰখা হ'ব।' উল্লেখ্য যে কেন্দ্ৰীয় আবাস মন্ত্ৰী হৰদীপ পুৰীয়ে এক টুইটত আজি ৰোহিংগ্যা শৰণাৰ্থীক ফ্লেট প্ৰদানৰ কথা ঘোষণা কৰিছিল।

## টুইটাৰত ভিন্নমতাৱলম্বীক অনুসৰণৰ অপৰাধত ৩৪ বছৰৰ কাৰাদণ্ড ছৌদি যুৱতীক



**নিউজ ব্যুৰ', ডুবাই, ১৭ আগষ্ট** ঃ ছৌদি আৰবৰ এগৰাকী মহিলাক ৩৪ বছৰৰ বাবে কাৰাদণ্ডৰ নিৰ্দেশ দিলে আদালতে। উক্ত মহিলাৰ অপৰাধ হৈছে টুইটাৰত তেওঁ ছৌদি ৰাজপৰিয়ালৰ সমালোচক, বিক্ষুব্ধ তথা ভিন্নমতাৱলম্বী আৰু সমাজকৰ্মীক অনুসৰণ কৰিছিল আৰু এনে ব্যক্তিৰ টুইটৰ সন্দৰ্ভত মন্তব্য কৰিছিল। সামাজিক মাধ্যমত ভিন্নমতাৱলম্বীক অনুসৰণ কৰাৰ অপৰাধত ছৌদি আদালতে সুদীৰ্ঘ চাৰে তিনি দশকৰ বাবে মহিলাক কাৰাগাৰলৈ প্ৰেৰণ কৰাৰ ঘটনাই বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি, উক্ত মহিলাৰ নাম হৈছে ছালমা আল-ছেহাব আৰু তেওঁ ব্ৰিটেইনৰ লীডছ বিশ্ববিদ্যালয়ৰ ছাত্ৰী। উক্ত বিশ্ববিদ্যালয়ৰ পি এইচ ডিৰ ছাত্ৰী ছালমাই অলপতে ছুটিত ঘৰলৈ আহিছিল। ঘৰলৈ আহিয়ে আইনী বিপাঙৰ সন্মুখীন হ'ল ছালমা। প্ৰথমে ছৌদি আৰবৰ বিশেষ সন্ত্ৰাস দমন আদালতে ছালমাক তিনি বছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল। সোমবাৰে চৰকাৰী অধিবক্তাই ছালমাৰ শাস্তিৰ বিষয়টো পুনৰ বিবেচনা কৰিবলৈ দাবী জনোৱাত আদালতে তেওঁৰ শাস্তিৰ ম্যাদ ৩৪ বছৰলৈ বৃদ্ধি কৰে। ছৌদি আৰবৰ ঘৰলৈ আহি কাৰাদণ্ড লাভ কৰা ছালমাৰ দুটি সন্তান আৰু স্বামী বৰ্তমানে ব্ৰিটেইনত আছে।

## আফগানিস্তানৰ সন্দৰ্ভত আমেৰিকাৰ স্থিতিক কঠোৰ সমালোচনা এঞ্জেলিনাৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৭ আগষ্ট** ঃ আফগানিস্তানত তালিবান ৰাজত্বৰ এবছৰ সম্পূৰ্ণ হ'ল। বিগত এবছৰত দেশখনত মহিলাৰ বিৰুদ্ধে অব্যাহত আছে চৰম নিৰ্যাতন। শিক্ষা, কৰ্মসহ সকলো ধৰণৰ অধিকাৰৰ পৰা তালিবানে মহিলাক বঞ্চিত কৰি ৰাখিছে। আফগান মহিলাৰ এই দুৰ্দশাৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে হলিউডৰ জনপ্ৰিয় অভিনেত্ৰী এঞ্জেলিনা জ'লীয়ে। সামাজিক মাধ্যমত অভিনেত্ৰীগৰাকীয়ে এইদৰে লিখিলে, 'ৰোমত মই এগৰাকী আফগান শৰণাৰ্থীক লগ পাইছিলো। তালিবান ক্ষমতালৈ অহাৰ পাছত চিকিৎসকৰ ডিগ্ৰী ল'বলৈ উক্ত যুৱতী সমস্যাগ্ৰস্ত হৈছিল। তেওঁৰ ভগ্নীয়েও বিশ্ববিদ্যালয়ত দন্ত চিকিৎসকৰ পাঠ্যক্ৰম অধ্যয়ন কৰি আছিল। আন এগৰাকী ভগ্নীয়ে বিদ্যালয়ত অধ্যয়ন কৰিছিল। কিন্তু তালিবান ক্ষমতালৈ অহাত নিশাটোৰ ভিতৰতে তেওঁলোকৰ স্বপ্ন চূৰ্ণ হৈছিল। মই সেইসকল এক কোটি ৪০ লাখ আফগান মহিলাৰ বাবে দুঃখিত, যিসকলে শিক্ষা, কৰ্মৰ অধিকাৰ হেৰুৱালে আৰু ঘৰৰ বাহিৰলৈ ওলাব নোৱাৰে।' আফগানিস্তান প্ৰসংগত আমেৰিকাৰ স্থিতিত ক্ষোভ ব্যক্ত কৰিলে এঞ্জেলিনাই কয় যে মহিলাক এইদৰে নিজৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ বাবে তালিবানক ৰেহাই দিয়া অনুচিত। টুইটাৰত এঞ্জেলিনাই কয়, 'আমেৰিকা আৰু সহযোগী দেশে লজ্জা অনুভৱ কৰা উচিত যে ২০ বছৰৰ সংঘৰ্ষৰ পাছত আমি সফল হ'ব নোৱাৰিলো। আফগান মহিলাৰ বাবে যি প্ৰতিশ্ৰুতি আমেৰিকাই দিছিল সেয়া পাহৰি গ'ল। আমি কূটনীতিৰ নামত মহিলাক নিৰ্যাতন চলাবলৈ তালিবানক ৰেহাই দিব নোৱাৰো। এই ক্ষেত্ৰত আমেৰিকাই প্ৰয়োজনীয় ব্যৱস্থা লোৱা উচিত।'

# কৰ্দৈগুৰিৰ ২৪ টা ভূমিহীন পৰিয়ালক সংস্থাপনৰ দাবী

## ■ ডুমডুমাত পুনৰ অৱস্থান ধৰ্মঘটত মৰাণ ছাত্ৰ সন্থাৰ লগতে বহিল দল-সংগঠন



বাহাৰঘাটত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী একাংশ শিশু।

অগ্ৰদূত বাৰ্তা

**তালাপ, ১৭ আগষ্ট ঃ** ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত তথা ডুমডুমা বিধানসভা সমষ্টিৰ কৰ্দৈগুৰি অঞ্চলৰ ডাঙৰী নদী অনন্ত নলাৰ বান-গৰাখহনীয়াত ভেটি-মাটি হেৰুৱাই সৰ্বস্বান্ত হোৱা ২৪ টা পৰিয়ালক সংস্থাপনৰ দাবীত আজিৰে পৰা পুনৰ ডুমডুমা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত অনিৰ্দিষ্টকালীন ধৰ্মঘটত বহিল মৰাণ ছাত্ৰ সন্থাৰ লগতে দল-সংগঠন। উল্লেখ্য যে ১ আগষ্টৰ পৰা ভূমিহীনক সংস্থাপনৰ দাবীত উক্ত স্থানত অনিৰ্দিষ্টকালীনভাৱে মৰাণ ছাত্ৰ সন্থা, অসম মৰাণ সভাৰ লগতে কে'বাটাও জাতীয় সংগঠনে আৰম্ভ কৰা ধৰ্মঘট স্বাধীনতা দিৱসৰ প্ৰতি সন্মান জনাই সাময়িকভাৱে স্থগিত ৰাখিছিল। উক্ত অৱস্থান ধৰ্মঘট পুনৰ ১৬ আগষ্টৰ পৰা আৰম্ভ কৰা হ'ব বুলি সংগঠনকেইটাই ঘোষণা কৰিছিল। সেই ঘোষণা অনুসৰি অঞ্চলটোৰ বহুসংখ্যক ছাত্ৰ-কৰ্মী আৰু অঞ্চলটোৰ ৰাইজে প্ৰতিবাদী ধৰ্মঘটত অংশগ্ৰহণ কৰি বিপদগ্ৰস্ত ২৪ টা পৰিয়ালৰ উপৰি অঞ্চলটোৰ বান-গৰাখহনীয়াত ভেটি-মাটি হেৰুওৱা সকলো বিপদগ্ৰস্ত পৰিয়ালক অচিৰেই সংস্থাপনৰ দাবীত প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। উল্লেখ্য যে ফিল'বাৰী অঞ্চলৰ তিনি নম্বৰ টঙানী সোণজান গাঁৱত ৰূপক দত্ত নামৰ এজন ব্যক্তিৰ দখলত থকা ২৪ বিঘা চাহখেতি জিলা প্ৰশাসনে উচ্ছেদ কৰি উক্ত ২৪ টা পৰিয়ালক একবিঘাকৈ মাটি আৱণ্টন দিছিল যদিও পৰিয়ালকেইটাই তাত সাজি লোৱা অস্থায়ী ঘৰসমূহ যোৱা ৩১ জুলাইত সেই স্থানৰ একাংশ উত্তেজিত লোকে পৰিয়ালকেইটাক তাৰ পৰা খেদি পঠাইছিল। ইয়াৰ প্ৰতিবাদতে কেউটা পৰিয়ালে ডুমডুমা ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ প্ৰাংগণত আশ্ৰয় গ্ৰহণ কৰি আছে।

## বৰপেটাৰ লাৱণ্য ৰায়চৌধুৰীক এনাজৰী সন্মান প্ৰদান

বিশেষ সংবাদদাতা

**বৰপেটা, ১৭ আগষ্ট ঃ** দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি বৰপেটা নিৱাসী অসমৰ বিশিষ্ট ক্ৰীড়াবিদ তথা ক্ৰীড়া সংগঠক লাৱণ্য ৰায়চৌধুৰীক এনাজৰী, বৰপেটাৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱাৰ লগতে 'এনাজৰী সন্মান, ২০২২' প্ৰদান কৰা হয়। ভলীবল, ফুটবল আৰু কাবাদী খেলৰ খেলুৱৈ তথা পাছলৈ প্ৰশিক্ষক আৰু ৰেফাৰীৰূপে খ্যাতি লভা ৰায়চৌধুৰীয়ে এসময়ত ৰাজ্যিক ভলীবল দলৰ অধিনায়কৰ দায়িত্ব পালন কৰিছিল। ৭০ৰ দশকৰ এগৰাকী আগশাৰীৰ খেলুৱৈ ৰায়চৌধুৰীয়ে অসম দলৰ হৈ দেশৰ ভিন্ন প্ৰান্তত খেলাৰ লগতে খেল পৰিচালনাও কৰিছে। উল্লেখ্য যে ৰায়চৌধুৰী ভলীবল, ফুটবল আৰু কাবাদী খেলৰ এগৰাকী ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত ৰেফাৰী। লোক সংস্কৃতিৰ সাধক, গৱেষক ডিম্বেশ্বৰ মেধিৰ সভাপতিত্বত ১৫ আগষ্টত বৰপেটাৰ আমবাৰীহাটীস্থিত জনাৰ্দন ভৱনত অনুষ্ঠিত উক্ত সম্বৰ্ধনা সভাত বিশিষ্ট অতিথি, কৃতী শিক্ষক জগন্নাথ দাস আৰু নিৰ্দিষ্ট বক্তাৰূপে প্ৰদীপ কুমাৰ দাস উপস্থিত থাকে। সভাখনত উপস্থিত নিমন্ত্ৰিত লোকসকলে ৰায়চৌধুৰীয়ে ক্ৰীড়াৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা বিভিন্ন দিশৰ লগতে বৰপেটাৰ ক্ৰীড়া ক্ষেত্ৰখনৰ ভিন্ন দিশত আলোকপাত কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি ৰায়চৌধুৰীয়ে ক্ৰীড়াংগনৰ ভিন্ন অভিজ্ঞতা সৰস বৰ্ণনা কৰাৰ লগতে এনাজৰী, বৰপেটাৰ এই পদক্ষেপৰ শলাগ লয়। ভাষণত তেওঁ বৰপেটাত এখন পূৰ্ণ পৰ্যায়ৰ ষ্টেডিয়ামৰ প্ৰয়োজনীয়তা পুনৰবাৰ দোহাৰে। এনাজৰী বৰপেটাৰ সদস্য ক্ৰমে নিৰ্মল ৰঞ্জন মজুমদাৰে আঁত ধৰা অনুষ্ঠানটোৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যুৎ বিকাশ নবিশে। উল্লেখ্য যে বৰপেটাৰ এক সামাজিক অনুষ্ঠান এনাজৰী, বৰপেটাই বিগত বৰ্ষসমূহতো স্বাধীনতা দিৱসৰ বিশেষ দিনটোতেই বিশিষ্ট ব্যক্তি ক্ৰমে লোকসংগীতৰ সাধক গোকুল পাঠক, শংকৰী সংস্কৃতিৰ সাধক, শিক্ষক বীৰেন্দ্ৰ নাথ পাঠক আৰু গীতিকাৰ, শিল্পী সুশীল দাসক এই সন্মান আগবঢ়াইছিল।

## কাইলৈৰ পৰা ডুমুনীত কৃষ্ণ জন্মাষ্টমীৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৭ আগষ্ট ঃ** বাগ্সা জিলাৰ ডুমুনী চাহ বাগিচাৰ এক নম্বৰ লাইনৰ ৰাধা গোবিন্দ মন্দিৰত কাইলৈৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বিশ্ব হিন্দু পৰিষদৰ দিহিৰা শাখাৰ সৌজন্যত আৰু ৰাধা গোবিন্দ মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হ'ব। ইতিমধ্যে সুৰপতি দাসাধিকাৰীক সভাপতি, কানাইলাল চাহক কাৰ্যকৰী সভাপতি, পূৰ্ণ দত্ত আৰু হেমেন কলিতাক উপ-সভাপতি, অৰবিন্দ তাঁতীক সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী মতে, কাইলৈ ধৰ্মীয় পতাকা উত্তোলন, বৃক্ষৰোপণ, চিত্ৰাংকন প্ৰতিযোগিতা, ধৰ্মমূলক বক্তৃতা প্ৰতিযোগিতা, সন্ধিয়া আৰতি আৰু ভাগৱত পাঠ। ১৯ আগষ্টত প্ৰভাতী কীৰ্তন, মংগল আৰতি, ধৰ্মীয় শোভাযাত্ৰা, ধৰ্মসভা, শ্ৰীকৃষ্ণৰ মহিমা পাঠ, সন্ধিয়া আৰতি, শ্ৰীকৃষ্ণৰ আবিৰ্ভাৱ কীৰ্তন, শ্ৰীকৃষ্ণৰ জন্ম অভিষেক আদি। ১৯ আগষ্টৰ সামৰণিৰ দিনা নন্দ উৎসৱ, প্ৰভাতী কীৰ্তন, মংগল আৰতি, ৰচনা প্ৰতিযোগিতা, শ্ৰীকৃষ্ণৰ অষ্টোত্তৰ শতনাম পাঠ, বিয়লি ধৰ্মসভা। ধৰ্মসভাত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, সঞ্জিৎ তাঁতী, ডুমুনী চাহ বাগিচাৰ পৰিচালক বিক্ৰম জিৎ শেখন উপস্থিত থাকিব। সন্ধিয়া নৃত্য প্ৰতিযোগিতা আৰু বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব বিটিচিৰ ই এম ঘনশ্যাম দাসে।

## য'ত স্বচ্ছতা থাকে তাতে ভগৱান থাকে ঃ সাংসদ শইকীয়া



বিশেষ সংবাদদাতা

**মঙলদৈ, ১৭ আগষ্ট ঃ** জলজীৱন আঁচনিৰ অন্তৰ্গত মঙলদৈ জনস্বাস্থ্য কাৰিকৰী বিভাগে এককোটি ১২ লাখ টকাৰে নিৰ্মিত মঙলদৈ বামুণপাৰা পানীযোগান আঁচনি আজি উদ্বোধন কৰে মঙলদৈৰ সাংসদ দিলীপ শইকীয়াই। দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, জিলা বিজেপিৰ সভাপতি অমৰেন্দ্ৰ শৰ্মা, মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা সঞ্জীৱ কুমাৰ শৰ্মা, সহকাৰী কাৰ্যবাহী অভিযন্তা জিতেন ভূঞা, উপহুপাৰা গাঁও পঞ্চায়তৰ সভাপতি নৰজ্যোতি শৰ্মা আৰু মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰণৱ কুমাৰ শৰ্মা উপস্থিত থকা উদ্বোধনী অনুষ্ঠানত পানীযোগান আঁচনিখন উদ্বোধন কৰি সাংসদ শইকীয়াই ভাষণ প্ৰসংগত কয়, 'পানী আমাৰ প্ৰাণ। এই আঁচনিখনে বৃহত্তৰ বামুণপাৰাৰ এক দীৰ্ঘদিনীয়া অভাৱ পূৰ্ণ কৰিলে। স্বচ্ছতাৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক আন্দোলনৰ সৃষ্টি কৰিছে। আপোনালোকে এই আঁচনিখন স্বচ্ছ কৰি ৰাখিব। য'ত স্বচ্ছতা থাকে তাত ভগৱান থাকে।'

### ■ মঙলদৈ বামুণপাৰাত পানী যোগান আঁচনি উদ্বোধন

## অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পৰিষদৰ উদ্যোগত বৰজাৰ গাঁৱৰ শিক্ষাৰ্থীক সম্বৰ্ধনা

**বৰমা, ১৭ আগষ্ট ঃ** বৰমাৰ ওচৰৰ বৰজাৰ গাঁৱৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ সংগঠন, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পৰিষদ বৰজাৰৰ উদ্যোগত কালি উলহ-মালহেৰে স্বাধীনতা দিৱস পালন কৰাৰ লগতে গাঁওখনৰ পৰা যোৱা উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন আৰু ষ্টাৰ নম্বৰ লাভ কৰি কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে পুৱা বৰজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ৰাইজৰ উপস্থিতিত জাতীয় পতাকা উত্তোলন কৰে পৰিষদৰ সভাপতি ড° সুনীল শৰ্মাই। ইয়াৰ পাছতে সম্বৰ্ধনা সভাখন অনুষ্ঠিত হয়। লক্ষী কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সভাপতিত্ব কৰে শিক্ষাবিদ ড° সুনীল শৰ্মাই। সম্বৰ্ধনা সভাত অভিভাৱকৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ধীৰেন চন্দ্ৰ হালৈয়ে আঁতধৰা সভাখনত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন চন্দ্ৰ হালৈ, সাংবাদিক দিলীপ কুমাৰ হালৈ, শিক্ষক চন্দ্ৰ বৰ্মন, ভুপেন চন্দ্ৰ কলিতাই বক্তব্য আগবঢ়াই শিক্ষাৰ্থীসকলক অধ্যয়নত অধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। সভাত দেশপ্ৰেমমূলক গীত পৰিবেশন কৰে প্ৰেৰণা হালৈয়ে।

## শিৱসাগৰ জিলা মইনা পাৰিজাতৰ একাংক নাটক প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১৭ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ মইনা পাৰিজাতৰ একাংক নাটক প্ৰতিযোগিতাখন অহা ২৮ আগষ্টত সুন্দৰপুৰ মইনা পাৰিজাতৰ আতিথ্যত সুন্দৰপুৰ ৰংগমঞ্চত 'জয়সাগৰ'ত অনুষ্ঠিত হ'ব। সেয়ে জিলাখনৰ অন্তৰ্গত চলিত বৰ্ষলৈকে নৱীকৰণ থকা শাখা পাৰিজাতসমূহক জিলা মইনা পাৰিজাতৰ সম্পাদক গৌতম বৰাৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

## বঙাইগাঁৱত জিলা প্ৰশাসনৰ ৰাজ্যিক শোক দিৱস পালন

অগ্ৰদূত ব্যু্ৰ'

**বঙাইগাঁও, ১৭ আগষ্ট ঃ** কালি বঙাইগাঁও জিলা প্ৰশাসনে ৰাজ্যিক শোক দিৱস পালন কৰে। এই উদ্দেশ্যে উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ছহিদ তৰ্পণ আৰু শোক সভা অনুষ্ঠিত কৰা হয়। জিলা উপায়ুক্ত নৱদ্বীপ পাঠকে প্ৰথমতে ছহিদ তৰ্পণ কৰে আৰু তাৰ পাছত উপস্থিত বিষয়া-কৰ্মচাৰীক হিংসা আৰু সন্ত্ৰাসবাদ কাৰ্যকলাপৰ বিৰুদ্ধে কাম কৰি যোৱাৰ শপত বাক্য পাঠ কৰোৱায়। উল্লেখ্য যে ২০০৪ৰ ১৫ আগষ্টত ধেমাজিত অনুষ্ঠিত স্বাধীনতা দিৱসৰ দিনা সন্ত্ৰাসবাদীৰ বোমা বিস্ফোৰণত যিসকল নিষ্পাপ শিশু আৰু নাগৰিকে প্ৰাণ হেৰুৱালে তেওঁলোকক স্মৰণ কৰি প্ৰতি বছৰে ১৬ আগষ্টত ৰাজ্যিক শোক দিৱস পালন কৰা হয়। সেই উদ্দেশ্যে অনুষ্ঠিত শোক সভাত উপায়ুক্তকে ধৰি সমূহ বিষয়া-কৰ্মচাৰীয়ে তেওঁলোকৰ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত উপায়ুক্ত, সহকাৰী আয়ুক্ত, বিভাগীয় মুৰব্বী বিষয়াসকল আৰু উপায়ুক্ত কাৰ্যালয়ৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে শোক দিৱসৰ শপত বাক্য পাঠ কৰে। তদুপৰি বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয় চৌহদত ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হয়।

## মিছামৰা কেন্দ্ৰীয় নামঘৰত ভাদ মাহ উপলক্ষে ভাগৱত পাঠ, নাম-প্ৰসংগ

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১৭ আগষ্ট ঃ** দেৰগাঁৱৰ শান্তিপুৰত থকা মিছামৰা কেন্দ্ৰীয় নামঘৰ তথা শংকৰী সংস্কৃতি বিকাশ কেন্দ্ৰত পহিলা ভাদৰ পৰা মাহজোৰা কাৰ্যসূচীৰে পুৱাৰ পৰা দুপৰীয়া পৰ্যন্ত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ লগতে নাম-প্ৰসংগ কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি নামঘৰ পৰিচালনা সমিতিৰ সভাপতি ভুৱন চন্দ্ৰ দত্ত আৰু সম্পাদক ৰমেশ হাজৰিকাই জানিবলৈ দিছে। পৰিচালনা সমিতিয়ে ভক্তপ্ৰাণ ৰাইজৰ সহযোগিতা কামনা কৰাৰ লগতে শৰাই, বন্তি আদি আগবঢ়াব পাৰিব বুলি জনাইছে।

## মৰাণত আজি স্বপ্নদ্ৰষ্টা যতীন গগৈৰ পঞ্চম স্মাৰক বক্তৃতানুষ্ঠান

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৭ আগষ্ট ঃ** মৰাণৰ অগ্ৰণী শিক্ষানুষ্ঠান বতামৰা উচ্চতৰ মাধ্যমিক জাতীয় বিদ্যালয়ত কাইলৈ বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত স্বপ্নদ্ৰষ্টা যতীন গগৈৰ পঞ্চম স্মাৰক বক্তৃতানুষ্ঠান আয়োজনৰ প্ৰস্তুতি চলোৱা হৈছে বুলি আয়োজক সমিতিৰ সভাপতি মুক্তি গগৈ আৰু সম্পাদক ধৰ্মকান্ত হাজৰিকাই জনাইছে। দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই পঞ্চম বক্তৃতানুষ্ঠানত 'বিজ্ঞান তথা তথ্য-প্ৰযুক্তিৰ গতিধাৰা বনাম মানৱ সমাজ' শীৰ্ষক বিষয়ত মুখ্য বক্তাৰূপে অংশগ্ৰহণ কৰিব বিশিষ্ট চিন্তাবিদ, অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি তথা শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই। বক্তৃতানুষ্ঠানৰ উদ্বোধন কৰিব বামুণবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সতীশ চুতীয়াই। অনুষ্ঠানটোৰ সঞ্চালনা কৰিব বিশিষ্ট কবি, মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যাপক ড° নিৰোদ গোহাঁয়ে। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক ড° কৌৰাংগ বুঢ়াগোহাঁয়ে। কাৰ্যসূচী অনুসৰি, পুৱাৰ ভাগত বৃক্ষৰোপণ কৰিব বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সচিব পুলিন গগৈয়ে আৰু বন্তি প্ৰজ্বলন কৰিব বিদ্যালয়খনৰ শৈক্ষিক উপদেষ্টা প্ৰদীপ সন্দিকৈয়ে। উল্লেখ্য যে জাতীয় বিদ্যালয় শিক্ষা আন্দোলনৰ এগৰাকী অগ্ৰণী ব্যক্তি যতীন গগৈ ২০১৬ৰ ১৮ আগষ্টত আকস্মিকভাৱে বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুমুখত পৰিছিল। প্ৰয়াত গগৈৰ চিন্তাধাৰা জীয়াই ৰাখিবলৈ উক্ত বৰ্ষৰ পৰা বিদ্যালয় পৰিয়াল তথা স্বপ্নদ্ৰষ্টা যতীন গগৈ স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰি অহা হৈছে।

## হাউলী সাহিত্য সভা ভৱনত 'ডি' ভোটাৰ মঞ্চ অসমৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাউলী, ১৭ আগষ্ট ঃ** ডি ভোটাৰ মঞ্চ অসমৰ উদ্যোগত কালি এখন সাধাৰণ সভা হাউলী সাহিত্য সভা ভৱন প্ৰাংগণত দুৰ্গা পণ্ডিতৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত ডি ভোটৰ সমস্যাত ভুগি ইতিমধ্যে ডিটেঞ্চন কেম্পত থাকি ঘৰলৈ অহা সকলৰ বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰে। সভাত ডি ভোটাৰসকলে সমস্যাৰ সমাধানৰ ক্ষেত্ৰত কেঁবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে । সভাত কে'বাজনেও ডিটেঞ্চন কেম্পত যাবলগীয়া হোৱা প্ৰতিজন লোকেই সীমান্ত আৰক্ষীৰ ভুৱা গোচৰত অভিযুক্ত হৈ বিদেশী ন্যায়াধিকৰণৰ পক্ষপাতিত্ব মূলক বিচাৰৰ চিকাৰ হৈ জীৱনৰ দীৰ্ঘ মূল্যবান সময় নষ্ট বুলি দুখ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত অমানৱীয় হাৰাশাস্তিৰ বাবে অসম চৰকাৰৰ গৃহ বিভাগ জগৰীয়া বুলি এক প্ৰস্তাৱ গ্ৰহণ কৰিছে । ইয়াৰ উপৰি ডি ভোটাৰ বিদেশী বুলি কৈ ডিটেঞ্চন কেম্পৰত বন্দীত কৰি ৰখাৰ কাম-কাজ বন্ধ কৰাৰ দাবী জনাই কালিৰ সভাই এক সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি সকলোৱে দীঘলীয়া আইনী যুঁজ চলাই ডিটেঞ্চন কেম্পত বহুদিন বন্দিত্ব জীৱন থাকি ঘৰলৈ অহাৰ পাছত এতিয়া সপ্তাহত এদিন কৈ স্থানীয় থানাত উপস্থিত প্ৰমাণ দিবলৈ যাবলগীয়া হয়। এনে যন্ত্ৰণাৰ পৰিসমাপ্তি বিচাৰি ১৫ আগষ্টত কাৰ্যকৰী হোৱাকৈ থানাৰ উপস্থিতি বৰ্জন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ডি ভোটাৰ মঞ্চ, অসমে । সভাৰ সকলো সিদ্ধান্ত লিখিতভাৱে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰিব বুলি ডি ভোটাৰ মঞ্চ অসমৰ সম্পাদক ফাৰুক খানে জানিবলৈ দিয়ে । একেখন লিখিত পত্ৰ অসমৰ গৃহ সচিব, অসমৰ প্ৰতিখন জিলাৰ আৰক্ষী অধীক্ষক, আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু প্ৰতিটো ৰাজনৈতিক দললৈ প্ৰেৰণ কৰাৰ কথা সাংবাদিকৰ আগত প্ৰকাশ কৰিছে ।

## আজি অভয়াপুৰীত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ জৰুৰী সাধাৰণ সভা

অগ্ৰদূত ব্যু্ৰ'

**বঙাইগাঁও, ১৭ আগষ্ট ঃ** কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ এখন সাধাৰণ সভা অহা ১৮ আগষ্টৰ বিয়লি তিনি বজাত বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত উত্তৰ শালমাৰা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হ'ব। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ প্ৰধান সচিব বি দাসে কালি এক পত্ৰযোগে স্বায়ত্তশাসিত পৰিষদৰ জৰুৰী সাধাৰণ সভা আহ্বান কৰাৰ কথা প্ৰকাশ কৰিছে। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ, উপাধ্যক্ষ, মুখ্য কাৰ্যবাহী সদস্য, কাৰ্যবাহী সদস্য আৰু সকলো সাধাৰণ সদস্যক সভাত উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে।

## মঙলদৈত কৃতী ছাত্ৰ-ছাত্ৰীক ৰেহান আলী স্মাৰক সম্বৰ্ধনা অনুষ্ঠান

বিশেষ সংবাদদাতা

**মঙলদৈ, ১৭ আগষ্ট ঃ** মঙলদৈ চহৰৰ নিকটৱৰ্তী বৃহত্তৰ বান্দিয়া অঞ্চলৰ পৰা চলিত বৰ্ষৰ মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক প্ৰয়াত শিক্ষক ৰেহান আলী ফাউণ্ডেছনৰ উদ্যোগত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে ১৫ আগষ্টৰ বিয়লি বান্দিয়া হাইস্কুল প্ৰাংগণত অৱসৰপ্ৰাপ্ত শিক্ষক মাজৰ আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত মঙলদৈৰ চৰ চাপৰি অঞ্চলৰ ৩০ জন কৃতী ছাত্ৰ-ছাত্ৰীক গামোচা, স্মাৰক, কিতাপ, কলম আদিৰে উষ্ণ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত উপস্থিত ছাত্ৰ-ছাত্ৰীক উদ্দেশি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা খলিলুৰ ৰহমান, বান্দিয়া আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নবীৰ আলী, মঙলদৈ কলেজৰ অধ্যাপক ড° ছাহাবুদ্দিন আহমেদ, শিক্ষক ড° নৱাব আলী, মজিবৰ ৰহমান, হানিফ আলী আদিয়ে বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে প্ৰয়াত ৰেহান আলীৰ পুত্ৰ তথা অভিযন্তা আব্দুল মজিদে।

## ধুবুৰীৰ আদাবাৰীত দুৰ্ঘটনাত গুৰুতৰভাৱে আহত যুৱতী

অগ্ৰদূত বাৰ্তা

**ধুবুৰী, ১৭ আগষ্ট ঃ** ধুবুৰী চহৰৰ পাৰ্শ্বৱৰ্তী আদাবৰীত এখন তীব্ৰবেগী ব'লেৰ বাহনে নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাগ্ৰস্ত হয়। জানিব পৰা মতে, ধুবুৰী ফুলবাৰী নিৰ্মীয়মাণ দলঙৰ ঠিকা লোৱা এলএণ্ডটি কোম্পানীটোৱে নিজৰ কোম্পানীৰ কামত ব্যৱহাৰ কৰা এএছ-১৭-০৬১১ নম্বৰৰ বল'ৰো বাহনখনে ৰাস্তাৰ কাষতে থকা এখন ঘৰৰ কোঠাত নিয়ন্ত্ৰণ হেৰুৱাই খুন্দা মাৰে। কোঠালিটোত খুন্দা মৰাত শুই থকা ২২ বছৰীয়া এগৰাকী যুৱতী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ঘৰৰ লোক আৰু স্থানীয় ৰাইজৰ সহযোগত যুৱতীগৰাকীক ততাতৈয়াকৈ ধুবুৰী অসামৰিক চিকিৎসালয়লৈ লৈ আনি ভৰ্তি কৰায়। ইপিনে, বাহনখনে কোঠালিটোত খুন্দা মাৰিয়ে বাহনখনত থকা চালকসহ আন এজন লোক ঘটনাস্থলীৰ পৰা পলায়ন কৰে বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। ঘটনা সুন্দৰ্ভত ধুবুৰী কলেজ নগৰ আৰক্ষী চকীৰ আৰক্ষীক খবৰ কৰাত ঘটনাস্থলীত আৰক্ষী আহি উপস্থিত হয় আৰু ঘটনাৰ বুজ লৈ তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

## 'জীৱনৰ অনুভৱ'-'ফ্ৰান্সৰ পৰা ছুইজাৰলেণ্ডলৈ' শীৰ্ষক দুখনকৈ গ্ৰন্থ উন্মোচন

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৬ আগষ্ট ঃ** মৰাণ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা, লেখিকা আল্পনা গগৈ ভূঞাৰ আত্মকথা 'জীৱনৰ অনুভৱ' আৰু 'ফ্ৰান্সৰ পৰা ছুইজাৰলেণ্ডলৈ' নামৰ দুখনকৈ গ্ৰন্থ অলপতে ডিব্ৰুগড়ৰ গাৰ্ডেন ষ্ট্ৰীটৰ সভাকক্ষত উন্মোচন কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ প্ৰধ্যাপিকা তথা ড° ভূপেন হাজৰিকাৰ পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠাপক, অৱসৰপ্ৰাপ্ত ডীন ড° কৰবী ডেকা হাজৰিকা আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক তথা কবি ডাঃ প্ৰণয় ফুকনে গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, ৰাষ্ট্ৰীয় বঁটা প্ৰাপক কৃতী শিক্ষক, সাহিত্যিক পেঞ্চনাৰ গন্ধেশ্বৰ শইকীয়াই লেখিকাগৰাকীৰ গ্ৰন্থ দুখন উন্মোচন বৰ্তমান সময়ত গ্ৰন্থ অধ্যয়ন আৰু সৃষ্টিশীল কৰ্ম জৰিয়তে মানসিক পৰিতৃপ্তি লাভ কৰিবলৈ সক্ষম হয় বুলি লেখিকা গগৈ ভূঞাক প্ৰশংসা কৰে। সাংবাদিক যাদৱ গগৈয়ে আঁতধৰা অনুষ্ঠানটোত লেখিকাই মনৰ ভাব ব্যক্ত কৰি সকলোৱে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোত ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ কাৰ্যবাহী বিষয়া মৃদুল শৰ্মা, ঔপন্যাসিক জুৰী বৰা বৰগোহাঞি, কবি ডিব্ৰুগড় নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° মানসী গগৈ বৰগোহাঁই, ডিব্ৰুগড় সদৰ কবি সন্মিলনৰ সম্পাদক বৰহাট মহাবিদ্যালয়ৰ অধ্যাপক ড° বাৰীন্দ্ৰ দাস, চাবুৱা ডি ডি আৰ মহাবিদ্যালয়ৰ অধ্যাপক লক্ষীনন্দন বৰগোহাঞি, অধ্যাপক ড° লোহিত শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যাপিকা সুদক্ষিণা, ডিব্ৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° পৰেশ বৰুৱা, অধ্যাপক ড° বলীন সন্দিকৈ, ললিত শৰ্মা, যুগল কোঁৱৰ, ভৈৰৱ গোহাঁই, চেৰন প্ৰসাদ শৰ্মা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° নীতা বৰুৱা, আৰক্ষী বিষয়া ভাস্কৰ ফুকন, অসম লেখিকা সমাৰোহ ডিব্ৰুগড় জিলা সমিতিৰ সভানেত্ৰী ৰেণু ফুকনকে ধৰি বহুসংখ্যক গণ্য-মান্য লোক। বিপুল ভূঞাৰ লগতে পৰিয়ালৰ সদস্যসকল উপস্থিত থকা অনুষ্ঠানটোত মানসী গগৈ বৰগোহাঁয়ে কবিতা আবৃত্তি কৰি সকলোকে আপ্লুত কৰে।

## ডিগবৈত নাট্যকাৰ হৰেন্দ্ৰ নাথ বৰঠাকুৰলৈ শ্ৰদ্ধাঞ্জলি



**ডিগবৈ, ১৭ আগষ্ট ঃ** যোৱা ২৪ জুনত মৃত্যু হোৱা বিশিষ্ট নাট্যকাৰ হৰেন্দ্ৰনাথ বৰঠাকুৰলৈ শ্ৰদ্ধাঞ্জলি জনাই ডিগবৈত নাট্যকাৰজনৰ অন্যতম নাটক 'সাধুককাৰ চোতাল' মঞ্চস্থ কৰা হয়। মাৰ্ঘেৰিটা শিক্ষাখণ্ডৰ অন্তৰ্গত ডিগবৈ বৰবিল মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত অলপতে বৰবিল ৰাজহুৱা মঞ্চত কৰা নাটকখনত স্থানীয় শিশু শিল্পীসকলে অভিনয় কৰে। যোৱা ১৭ জুলাইৰ পৰা ১৫ দিনীয়া নাট কৰ্মশালা বৰবিল মণ্ডল সমল কেন্দ্ৰটোৱে অনুষ্ঠিত কৰিছিল। মুখ্য প্ৰশিক্ষক যুৱ নাট্য সংগঠক বঁটাপ্ৰাপ্ত বিশিষ্ট নাট্যকাৰ-পৰিচালক ৰাজীৱলোচন বৰা আৰু মণ্ডল সমল কেন্দ্ৰটিৰ সমন্বয়ক শিখাজ্যোতি শৰ্মাৰ তত্ত্বাৱধানত অৰ্ধশতাধিক শিশুৱে এই কৰ্মশালাটিত অংশগ্ৰহণ কৰে। কৰ্মশালাটিৰ সামৰণি অনুষ্ঠানৰূপে শিশু সাহিত্য ৰচনাৰে সাহিত্য অকাডেমী বঁটা প্ৰাপক প্ৰয়াত বৰঠাকুৰলৈ শ্ৰদ্ধাঞ্জলি জনাই তেওঁৰ শেহতীয়া শিশু নাটকখন মঞ্চস্থ কৰা হয়। প্ৰয়াত বৰঠাকুৰৰ অন্তৰংগ বন্ধু বিশিষ্ট সাহিত্যক পুণ্য শইকীয়াই নাটখন উদ্বোধন কৰে।

### 'সাধুককাৰ চোতাল' মঞ্চস্থ

## টংলাৰ মিলনপুৰত ছাত্ৰ- ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**টংলা, ১৭ আগষ্ট ঃ** সমগ্ৰ দেশজুৰি ৭৬ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি ওদালগুৰি জিলাৰ অন্যতম শৈক্ষিক বাণিজ্য নগৰী টংলা মিলনপুৰত জেডিবি এছ ফাংছোনেল জিমৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সমাজ সেৱক ডিম্বেশ্বৰ ডেকাই উদ্বোধন কৰা উক্ত প্ৰতিযোগিতাখন পৰিচালনা কৰে চিত্ৰশিল্পী ৰঞ্জুল সূত্ৰধৰ আৰু হিমাংশু বৰাই। দুই কুৰিতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত 'ক' শাখাত প্ৰথম স্থান লাভ কৰে তন্ময় নাথে , দ্বিতীয় স্থান লাভ কৰে হৃৎকীকেশ শইকীয়া, তৃতীয় স্থান লাভ কৰে বিশ্বজিৎ বড়ো আৰু নিচুকনি বঁটা লাভ কৰে দৰ্শনা সূত্ৰধৰে, 'খ' শাখাত প্ৰথম স্থান লাভ কৰে প্ৰিয়ম কল্পনা দাসে, দ্বিতীয় স্থান লাভ কৰে কমল লোচন ৰাভাই, তৃতীয় স্থান লাভ কৰে ধ্ৰুৱৰাজ কলিতাই, নিচুকনি বঁটা লাভ কৰে চঞ্চনা নেৱাৰে, 'গ' শাখাত প্ৰথম স্থান লাভ কৰে হৃষীৰাজ শৰ্মাই, দ্বিতীয় স্থান লাভ কৰে অংকিতা ডেকাই, তৃতীয় স্থান লাভ কৰে উদীপ্ত হাজৰিকাই, নিচুকনি বঁটা লাভ কৰে তণ্ময় কাশ্যপ ডেকাই। আনহাতে, টংলা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ঘনকান্ত ডেকা আৰু টংলা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নিবেদিতা ডেকা বৰুৱাৰ সুযোগ্য পুত্ৰ তথা জেডিবি এছ ফাংছোনেল জিমৰ স্বত্বাধিকাৰী জ্যোতিৰ্ময় ডেকাই ছাত্ৰ-ছাত্ৰীক উদ্দেশি কয় যে শাৰীৰিক মানসিক বিকাশ কৰা লগতে স্বাস্থ্যৰ প্ৰতি সজাগতা কৰাৰ লক্ষ্যৰে কালি এই চিত্ৰাংকন প্ৰতিযোগিতা আয়োজন কৰিছো। ছাত্ৰ-ছাত্ৰীয়ে যাতে কিছু সময়ৰ বাবে হ'লেও যান্ত্ৰিকতাৰ পৰা আঁতৰি নিজৰ মনটোক সুস্থিৰ কৰিব পাৰে। অনুষ্ঠানখনত বিশেষ ব্যক্তিৰূপে উপস্থিত থাকে ক্ৰমে আমাৰ অসম টংলাৰ সাংবাদিক অৰূপ বড়ো, আধিগম শিক্ষা কেন্দ্ৰৰ পৰিচালক অৰূপজ্যোতি ৰাভা, শিক্ষক হিতেশ্বৰ শৰ্মা, গুৰিয়া সিং, নিতু শৰ্মা, দ্বীপশিখা বৰুৱা, ভাস্কৰজ্যোতি শৰ্মাই।

## মনিয়েৰিস্থিত সুধাকণ্ঠ একাডেমী এক্সেলেন্সীত প্ৰাগ মইনামেল

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১৭ আগষ্ট ঃ** দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱসৰ 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে সুধাকণ্ঠ একাডেমী এক্সেলেন্সীত এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ লগতে চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱা ৮-৩০ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে মনিয়েৰীৰ বিশিষ্ট সমাজকৰ্মী তথা অসমীয়া প্ৰতিদিন কাকতৰ স্থানীয় সংবাদকৰ্মী ভৱেশ নাথে। তাৰ পাছতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে নিউজ লাইভৰ বিশিষ্ট সাংবাদিক বিকাশ শৰ্মা আৰু স্থানীয় সংবাদকৰ্মী গৌৰাংগ ডেকাই। সুধাকণ্ঠ একাডেমীক এক্সেলেন্সী শৈক্ষিক ন্যাসৰ পৰিচালন সঞ্চালক তথা পূব বংশৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক শ্বেখ আব্দুল হামিদে সঞ্চালনা কৰা অনুষ্ঠানত কণ কণ ছাত্ৰ-ছাত্ৰীসকলে লোকগীত, বৰগীত, কৃষ্ণ নৃত্য, আধুনিক নৃত্য, অসমৰ মহীৰূহ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীত পৰিৱেশন আৰু নৃত্য, ভাৰত নাট্যম আদি পৰিৱেশন কৰি অসমৰ বাৰেবৰণীয়া কৃষ্টি সংস্কৃতিৰ এক সুন্দৰ চানেকি দাঙি ধৰে। চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰায় ২০খনতকৈও অধিক চৰকাৰী বেচৰকাৰী শিক্ষানুষ্ঠানৰ প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাত ডিমু-কনিহা ইছতঘৰিয়াৰ শংকৰদেৱ শিশু নিকেতনৰ মনজিষ্ঠা কুমাৰ প্ৰথম স্থান, দেৱৰ্ষি একাডেমীৰ ছাত্ৰ তনয় ত্ৰিলোক দেৱ শৰ্মা দ্বিতীয় স্থান, অংকিতা নাথে তৃতীয় স্থান দখল কৰাৰ লগতে শ্বেখ আছিফা আফ্ৰিন, দৰ্পণ দেৱ শৰ্মা আৰু লুনা নাথক নিচুকনি বঁটা প্ৰদান কৰা হয়। পুৰস্কাৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক পূব বংশৰ মহাবিদ্যালয় এন, এছ, এছ, ইউনিট আৰু প্ৰাগ নিউজৰ ফালৰ প্ৰশস্তি পত্ৰ পৰা বঁটা প্ৰদান কৰা হয়। এই মঞ্চতেই অসমৰ বিশিষ্ট চিত্ৰশিল্পী তথা দৈনিক অসম বাতৰি কাকতৰ কৰ্মচাৰী প্ৰদীপ নাথ, চিত্ৰশিল্পী অশোক নাথ, কৌশিক ডেকা, প্ৰাগ নিউজ চেনেলটোৰ জ্যেষ্ঠ এংকৰ তথা প্ৰযোজক সমীৰ গোস্বামী, দেৱজিৎ নন্দন আৰু আন দুগৰাকী ভিডিঅ' সংবাদকৰ্মী ৰিন্টু হাজৰিকা আৰু হিমাংশু বৰাক সম্বৰ্ধনা জনোৱা হয়।



# তিনি বছৰে বন্ধ গোৱালপাৰাৰ চৰকাৰী বি টি কলেজ

## ■ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ ওপৰত খং উজাৰিলে মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৭ আগষ্ট ঃ** তিনি বছৰে বন্ধ হৈ থকা গোৱালপাৰাৰ চৰকাৰী বি টি কলেজ আৰু মৰনৈস্থিত গোৱালপাৰা সৈনিক স্কুলৰ বিভিন্ন দিশৰ বুজ লোৱাৰ বাবে কালি আবেলি গোৱালপাৰাত উপস্থিত হয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। বিগত তিনি বছৰে বি টি কলেজখন বন্ধ হৈ থকাৰ বাবেই মন্ত্ৰীগৰাকীয়ে কলেজৰ অধ্যক্ষগৰাকীৰ বিৰুদ্ধে এক প্ৰকাৰ খঙত অগ্নিশৰ্মা হৈ পৰে। উল্লেখ্য যে একমাত্ৰ শিক্ষকৰ অভাৱৰ বাবেই ৰাষ্ট্ৰীয় শিক্ষক প্ৰশিক্ষণ পৰিষদ চমুকৈ এন চি টি ইয়ে কলেজখনৰ স্বীকৃতি উঠাই লোৱাত ২০১৯-২০ৰ পৰা শিক্ষা প্ৰতিষ্ঠানটো বন্ধ হৈ আছে। এই সম্পৰ্কে মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগতে গোৱালপৰীয়া ৰাইজে পূৰ্বৰ সৰ্বানন্দ সোণোৱাল চৰকাৰক বাৰম্বাৰ অৱগত কৰিছিল যদিও কোনো ধৰণৰ সুফল পোৱা নাছিল। তাৰউপৰি চৰকাৰী বি টি কলেজখনৰ এনে দুৰৱস্থাৰ বাতৰিয়ে বিভিন্ন সংবাদ মাধ্যমত শিৰোনামা দখল কৰা সত্ত্বেও তেতিয়াৰ চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। ইপিনে, কালি শিক্ষামন্ত্ৰীগৰাকীয়ে কলেজখনত উপস্থিত হৈ এই ক্ষেত্ৰত তেওঁ অৱগত নহয় বুলি প্ৰতিষ্ঠানটোৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্বেইখ হজৰত আলী আহমেদৰ ওপৰত খং উজাৰে। তেওঁ মন্ত্ৰী হোৱাৰ পাছত এতিয়ালৈকে কলেজখনৰ বিষয়ে তেওঁক কিয় অৱগত কৰোৱা নহ'ল বুলি ভাৰপ্ৰাপ্ত অধ্যক্ষগৰাকীক জবাবদিহি কৰে। তেতিয়া প্ৰাক্তন বিধায়ক দেৱান জয়নাল আবেদিনে জিলাখনৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কলেজখনৰ পুনৰ চালু কৰাৰ বাবে আহ্বান জনায়। পাছত মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে। লগতে এন চি ই টিৰ পুনৰ অনুমোদনৰ বাবে বিভাগীয় ঊৰ্দ্ধতন কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ অধ্যক্ষক নিৰ্দেশ দিয়ে মন্ত্ৰীগৰাকীয়ে। ইপিনে, চৰকাৰী বিদ্যালয়ৰ পৰা মাচুল সংগ্ৰহ সম্পৰ্কে সাংবাদিকে মন্ত্ৰীগৰাকীক সোধা এক প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে বিদ্যালয়সমূহ চৰকাৰী কাৰ্যালয় নহয়। ই ৰাইজৰ অনুষ্ঠান। সেয়ে প্ৰতিখন বিদ্যালয়ে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ আয়োজন কৰি তেওঁলোকৰ বৰঙণিৰে কৰ্তৃপক্ষই বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নত কৰিব লাগিব বুলি উল্লেখ কৰে। ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে মৰনৈস্থিত গোৱালপাৰা সৈনিক স্কুলত উপস্থিত হৈ কৰ্তৃপক্ষৰ স'তে মত বিনিময় কৰি শিক্ষানুষ্ঠানৰখনৰ বিভিন্ন দিশৰ বুজ লয়। মন্ত্ৰীগৰাকীৰ এই পৰিদৰ্শন কালত জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰী, জিলা আৰক্ষী অধীক্ষকক ভি ভি ৰাকেশ ৰেড্ডী, জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ছাদুল্লা খানে সংগ দিয়ে।



*লোহিত ডিক্ৰুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চাৰি অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা।*

# সোণাপুৰ-যোৰাবাটত জব্দ ১৯ টাকৈ গৰু

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১৭ আগষ্ট ঃ** ৰাজ্যত অব্যাহত আছে চোৰাং গো-ধনৰ অবৈধ সৰবৰাহ। যোৰাবাট আৰু সোণাপুৰত পুনৰ জব্দ হ'ল ১৯টাকৈ চোৰাং গো-ধন। যোৰাবাট আৰক্ষীয়ে কালি পুৱা প্ৰায় সাত বজাত এক অভিযান চলাই ১১টা গো-ধন জব্দ কৰিবলৈ সক্ষম হয়। নগাঁৱৰ পৰা মেঘালয় অভিমুখী এএছ-০১ এমচি-০৯৪২ নম্বৰৰ টাটা যোদ্ধা পিক্‌আপ ভানখনত চোৰাং গো-ধন সৰবৰাহ কৰাৰ গোপন তথ্য যোৰাবাট আৰক্ষীয়ে লাভ কৰে। এই তথ্যৰ



ভিত্তিতে যোৰাহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কপিল পাঠকৰ নেতৃত্বত এটা আৰক্ষী দলে ৩৭ নম্বৰ ঘাইপথত খাপ পিটি বাহনখনৰ লগতে গো-ধনকেইটা জব্দ কৰিবলৈ সক্ষম হয়। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে নগাঁও জিলাৰ হোজাইৰ মঞ্জুৰ আহমেদ আৰু নাজিমুদ্দিন নামৰ দুই সৰবৰাহকাৰীক আটক কৰি অনুসন্ধান অব্যাহত ৰাখিছে। ইফালে, যোৱা নিশা ৮-৩০ বজাত সোণাপুৰ আৰক্ষীয়ে নাজিৰাঘাট টোলগেটৰ পৰা আঠটাকৈ চোৰাং গো-ধনৰ লগতে এখন বলেৰ' পিক্‌আপ ভান জব্দ কৰে। এএছ-০২ চিচি-৬৪৭২ নম্বৰৰ বলেৰ' পিক্‌আপ ভানখনত নগাঁৱৰ পৰা বৰ্ণিহাটলৈ বুলি চোৰাং গো-ধন নি থকা অৱস্থাত বজৰং দলৰ একাংশ সদস্যই বাহনখন আৱদ্ধ কৰি আৰক্ষীক খবৰ দিয়ে। পাছত আৰক্ষীয়ে বাহনখনৰ পৰা আঠটা গো-ধন জব্দ কৰাৰ লগতে ৰূপহীৰ বাহাৰুল ইছলাম আৰু ছাতিকুৰ ৰহমান নামৰ দুই সৰবৰাহকাৰীকো আটক কৰে।

# চতিয়া সমষ্টিত ১১টাকৈ অংগনৱাড়ী কেন্দ্ৰ, ছটাকৈ নিৰ্মাণ সম্পূৰ্ণ হোৱা জলজীৱন আঁচনিৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৭ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাই সমষ্টিটোৰ কে'বাটাও পঞ্চায়তত নতুনকৈ নিৰ্মাণ সম্পূৰ্ণ কৰা ১১টাকৈ অংগনৱাড়ী কেন্দ্ৰ আৰু ছটাকৈ জলজীৱন আঁচনিৰ উদ্বোধন কৰে। নাগশংকৰ মৌজাৰ এডেনবাৰীত এটি আটকধুনীয়া অংগনৱাড়ী কেন্দ্ৰৰ উদ্বোধন কৰি বিধায়ক হাজৰিকাই কয় যে এই অঞ্চলত এটা সময়ত উগ্ৰপন্থী সংগঠনে গিজগিজাই আছিল। আৰু এতিয়া শান্তিৰ কপৌ উৰিছে। শিক্ষাৰ পৰিৱেশ গঢ়ি উঠিছে। ৰাইজে শান্তি বিচাৰিছে আৰু এয়া সম্ভৱ কৰি তুলিছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বিধায়কজনে পুৱা চাৰিদুৱাৰ জিলা পৰিষদৰ অন্তৰ্গত কল'নী জলজীৱন আঁচনি, সোণাইমিৰি অংগনৱাড়ী কেন্দ্ৰ, গ্ৰামানী অংগনৱাড়ী কেন্দ্ৰৰ পাছত মূঢ়াদল মৌজাৰ ৰঙাচকুৱা অংগনৱাড়ী কেন্দ্ৰ, ধলাইবিলৰ দুই নম্বৰ বৰপঠাৰ জলজীৱন আঁচনি, বাকোলা জলজীৱন আঁচনি, নৱপুৰ জলজীৱন আঁচনিৰ লগতে কৰৈয়নী চাপৰিৰ আদৰ্শ গাঁৱৰ অংগনৱাড়ী কেন্দ্ৰ, চমাৰ দলনি অংগনৱাড়ী কেন্দ্ৰ আৰু চতিয়াৰ পহুচৰাৰ অংগনৱাড়ী কেন্দ্ৰ আৰু চতিয়াৰ পহুচৰাৰ অংগনৱাড়ী কেন্দ্ৰটোৰ উন্মোচন কৰে বিধায়ক হাজৰিকাই।

# মাটিয়াত বিশ্ব হিন্দু পৰিষদৰ ৫৮ সংখ্যক শ্ৰীকৃষ্ণৰ জন্মাষ্টমী-স্থপনা দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৭ আগষ্ট ঃ** বিশ্ব হিন্দু পৰিষদৰ গোৱালপাৰা জিলা কমিটীয়ে মাটিয়া উদ্‌যাপন সমিতিৰ উদ্যোগত অহা ১৯ আগষ্টত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মাটিয়া ৰাস মন্দিৰ প্ৰাংগণত বিশ্ব হিন্দু পৰিষদৰ ৫৮ সংখ্যক শ্ৰীকৃষ্ণ জন্মাষ্টমী আৰু স্থপনা দিৱস জিলাভিত্তিত অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। উদ্‌যাপন সমিতিৰ সভাপতি যামিনী নাথে জনোৱা মতে, ১৯ আগষ্টৰ পুৱা সাত বজাত প্ৰাণজিৎ অধিকাৰী, তৰংগ নাথ আৰু সংগীবৃন্দই ভাগৱত স্থাপন আৰু প্ৰসংগ স্থাপন কৰাৰ পাছত ৭-৩০ বজাত গোৱালপাৰা জিলা বিশ্ব হিন্দু পৰিষদৰ ধৰ্মৰক্ষক স্বামী বিষ্ণু দেৱ তীৰ্থই বিশ্ব শান্তি আৰু ধৰ্ম যজ্ঞ কৰিব। ইপিনে, ৮-৩০ বজাত বিশ্ব হিন্দু পৰিষদৰ গোৱালপাৰা জিলা সভাপতি উপেন চন্দ্ৰ দাসে বিশ্ব হিন্দু পৰিষদৰ ধৰ্ম ধ্বজা উত্তোলন কৰিব, ন বজাত বৃক্ষৰোপণ কৰিব মাটিয়া উন্নয়ন খণ্ডৰ বিষয়া বাৰেন কুমাৰ বৰ্মন আৰু মাটিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সমীৰ কোঁৱৰে। ১০ বজাত জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰাৰ পাছত ১১-৩০ বজাত মিৰ্জাৰ নাচা নৃত্য দলৰ নৃত্য প্ৰদৰ্শন, দুপৰীয়া ১২ বজাত প্ৰমোদ দাসৰ পৰিচালনাৰে শোলমাৰী নাম দলৰ দ্বাৰা নাম-প্ৰদৰ্শন আৰু আবেলি দুই বজাৰ পৰা বিশ্ব হিন্দু পৰিষদৰ স্থপনা আৰু ধৰ্মসভা অনুষ্ঠিত হ'ব। উক্ত স্থপনা আৰু ধৰ্মসভাত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ গুৱাহাটী বিভাগৰ বিভাগ কাৰ্যবাহী ধনঞ্জয় ৰাভাই মুখ্য অতিথিৰূপে উপস্থিত থকাৰ লগতে ক্ৰমে মাটিয়া ৰাজহ চক্ৰৰ বিষয়া মণিকংকনা ভট্টাচাৰ্য, মাটিয়া শিশু উন্নয়ন প্ৰকল্প বিষয়া মনিন্দ্ৰ অধিকাৰীৰ লগতে অখিল চন্দ্ৰ নাথ, উৎসৱানন্দ দাস, ভৃগুৰঞ্জন ৰাভা, টিনামণি দৈমাৰী, দীপক নাথ, সৌৰভ নাথ, সুচিত্ৰা নাথ, বিষ্ণু প্ৰসাদ দাস, দিলীপ দাস, কুঞ্জ বিহাৰী নাথ আৰু বিপুল ৰাভাই নিমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব।

# ধুবুৰীত বালকসহ চাৰিজনকৈ চোৰক আটক

অগ্ৰদূত বাৰ্তা

**ধুবুৰী, ১৭ আগষ্ট ঃ** ধুবুৰী চহৰৰ ন নম্বৰ ৱাৰ্ডৰ বাসিন্দা ৰাছিমা ছুলতানাৰ এক এজাহাৰ ভিত্তিত ধুবুৰী আৰক্ষীয়ে বালকসহ চাৰিজনকৈ চোৰক আটক কৰিবলৈ সক্ষম হয়। তথ্য মতে, ন নম্বৰ ৱাৰ্ডকে ধৰি চহৰখনৰ বিভিন্ন অঞ্চলত চুৰি কাণ্ড সংঘটিত কৰি সন্ত্ৰাস চলাই গৈছিল বালক সহ চাৰিজন চোৰে। যোৱা কিছুদিন আগত ন নম্বৰ ৱাৰ্ডৰ বাসিন্দা ৰাছিমা ছুলতানাৰ ঘৰত কোনো নথকাৰ সুজোগ লৈ ঘৰখনৰ বিভিন্ন দৰকাৰী সামগ্ৰী চুৰি কৰি লৈ যায়। পাছত মহিলাগৰাকীয়ে ধুবুৰী সদৰ থানাত যোৱা সাত আগষ্টত এখন এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে বিভিন্ন গোপন সূত্ৰৰ যোগেদি তদন্ত চলাই যোৱা নিশা তিনিজন বালকসহ এজন যুৱকক আটক কৰাৰ লগতে চুৰি কৰা কিছু সামগ্ৰীও উদ্ধাৰ কৰি চাৰিওজনকে ধুবুৰী সদৰ আৰক্ষী থানালৈ লৈ আনে। আৰক্ষীয়ে চোৰকেইটাক সোধ-পোছ কৰাত চুৰি কাৰ্য সংঘটিত কৰা বুলি স্বীকাৰ কৰে। তেওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত ভাৰতীয় দণ্ড বিধি ৪৫৭,৩৮০ ধাৰাৰ অধীনত ৩৮৯,২০২২ নম্বৰৰ এটি গোচৰ ৰুজু কৰি আদালতলৈ প্ৰেৰণ কৰে। আদালতে চাৰিওজনকে জেল প্ৰেৰণ কৰে বুলি ধুবুৰী সদৰ থানাৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মহাদেৱ বাগচীয়ে সদৰী কৰে।

# বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ বিশ্বনাথ বৰগোহাঞিৰ মৃত্যুত নাজিৰাত শোক

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ১৭ আগষ্ট ঃ** নাজিৰা মহকুমাৰ অন্তৰ্গত মঠিয়াছিগা গোহাঁই গাঁৱৰ নিবাসী, কৃতী শিক্ষক, ৰাজনীতিক তথা সমাজসেৱী বিশ্বনাথ বৰগোহাঞিৰ যোৱা ১৪ আগষ্টৰ নিশা নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। তেওঁৰ মৃত্যুৰ বাতৰি লাভ কৰাৰ পাছতেই অগণন গুণমুগ্ধই বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে । এজন নিষ্ঠাৱান শিক্ষক-সমাজসেৱীৰূপে পৰিচিত ব্যক্তিজন ছাত্ৰ অৱস্থাৰ পৰাই ক্ৰীড়া, তথা সামাজিক কাম-কাজত জড়িত আছিল। কলেজীয়া শিক্ষা সম্পূৰ্ণ কৰি মেছাগড় মজলীয়া বিদ্যালয়ত শিক্ষকতাৰে কৰ্মজীৱনৰ আৰম্ভ কৰি পৰৱৰ্তী সময়ত মাদুৰিস্থিত জয়মতী বালিকা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠাৰ লগত জড়িত হৈ পৰে। বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক শিক্ষকৰূপে নিয়োজিত হৈ কেইবছৰমানৰ পাছতেই প্ৰধান শিক্ষকৰ দায়িত্বভাৰ গ্ৰহণ কৰে। দীৰ্ঘদিন ধৰি বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ পদত কাৰ্যনিৰ্বাহ কৰি বিদ্যালয়খনৰ



সামগ্ৰিক উন্নয়নৰ অৰ্থে দেহে-কেহে খাটিছিল। যাৰ ফলশ্ৰুতিত সমগ্ৰ অঞ্চলটোৰ এখন আগশাৰীৰ বিদ্যালয়ৰূপে পৰিচিতি লাভ কৰে। এজন দৃঢ়মনা, স্পষ্টবাদী ব্যক্তিৰূপে পৰিচিত ব্যক্তিজন বৃহত্তৰ মেছাগড়, মঠিয়াছিগা, মাদুৰি আদি অঞ্চলত বহুকেইটা অনুষ্ঠান গঢ় দিয়াত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। মঠিয়াছিগা জ্যোতি সমাজ, যুৱক সংঘ, মাদুৰি চিৰ সেউজীয়া সমাজ, আগমনী নাট্য সমাজ, মেছাগড় কৃষক যুৱক সংঘ, মেছাগড় যুৱক সংঘ, মাধৱদেৱ কলা-কৃষ্টি ক্ষেত্ৰ, জয়মতী শাখা সাহিত্য সভা আদি বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। তদুপৰি সুদীৰ্ঘ ৪৫ বছৰৰ অন্তত ২০০৪ত অনুষ্ঠিত হোৱা সদৌ বৰগোহাঞি বংশাৱলীখন আয়োজনৰ ক্ষেত্ৰত তেওঁৰ বিশেষ অৱদান থকাৰ লগতে এই অনুষ্ঠানৰ কাৰ্যকৰী সভাপতিৰূপে দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। এগৰাকী নিষ্ঠাবান কংগ্ৰেছ কৰ্মীৰূপে পৰিচিত তথা অঞ্চলত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ বিশেষ ঘনিষ্ঠ ব্যক্তিজনে নাজিৰা মণ্ডল কংগ্ৰেছৰ বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰাৰ উপৰি ফুলপানী গাঁও পঞ্চায়তৰ সভাপতি, অন্যান্য পিছপৰা শ্ৰেণীৰ ব'ৰ্ডৰ সভাপতিৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। অসম বুৰঞ্জীৰ সম্পৰ্কে গভীৰ চৰ্চা থকা কৃতী শিক্ষকজনে বহু আলোচনী, স্মৃতিগ্ৰন্থৰ পাতত শৈক্ষিক, বুৰঞ্জীমূলক মূল্যৱান প্ৰবন্ধ লিখিছিল। বিশিষ্ট সমাজকৰ্মী শিক্ষাবিদজনৰ মৃত্যুত সমগ্ৰ নাজিৰা মহকুমাত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত পত্নীসহ চাৰিগৰাকী বিবাহিতা কন্যাসহ বহু আত্মীয়ক ইহসংসাৰত এৰি গৈছে।

# ঢেকীয়াখোৱা বৰনামঘৰত উপস্থিত প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ



অগ্ৰদূত বাৰ্তা

**কাকজান, ১৭ আগষ্ট ঃ** ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰৰ অক্ষয় বন্তিৰ আশিস লাভ কৰাৰ উদ্দেশ্যৰে উপস্থিত হোৱা প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈয়ে বন্তি প্ৰজ্বলন কৰি সেৱা লয়। পবিত্ৰ ভাদলৈ মাজত এটা দিন বাকী থকাৰ সময়তে ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰত পত্নীসহ উপস্থিত হয় প্ৰাক্তন মুখ্য ন্যায়াধীশ তথা বৰ্তমানৰ ৰাজ্য সভাৰ সাংসদ ৰঞ্জন গগৈ। ঢেকীয়াখোৱা বৰনামঘৰৰ পৰিচালনা সমিতিয়ে বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে বৰ নামঘৰৰ কাষেৰে বৈ যোৱা বহু ঐতিহ্য বহন কৰা বুঢ়ী দিহিং নদীৰ সৌন্দৰ্যবৰ্ধনৰ বাবে এটি প্ৰস্তাৱ ৰাজ্যসভাৰ সাংসদ ৰঞ্জন গগৈৰ হাতত অৰ্পণ কৰে। প্ৰাক্তন ন্যায়াধীশ তথা সাংসদজনৰ ঢেকীয়াখোৱা বৰনামঘৰৰ ভ্ৰমণসূচীত যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মন, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, টীয়ক ৰাজহ চক্ৰ বিষয়া শৌভিক ভূএঞাৰ লগতে যোৰহাট জিলা প্ৰশাসনৰ কে'বাজনো বিষয়াই বিশেষভাৱে সংগ প্ৰদান কৰে।

# কণ্ঠশিল্পী মুকুটৰাজৰ নতুন 'সোণৰ অসম'

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ১৭ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাক্ষণত যোৱা ১৪ আগষ্টত ৰাইজৰ মাজলৈ আহিল মুকুটৰাজৰ এটি নতুন গীত। গোৰেশ্বৰৰ সমীপৱৰ্তী আন্ধেৰীঘাটৰ উদীয়মান শিল্পী মুকুটৰাজৰ মুক্তি লাভ কৰা 'সোণৰ অসম' শীৰ্ষক গীতটোৱে ইতিমধ্যে শ্ৰোতা-দৰ্শকৰ সমাদৰ লাভ কৰিছে। দেশপ্ৰেম জগাই তুলিব পৰা গীতটোত সাম্প্ৰতিক সময়ৰ বাস্তৱ ছবি প্ৰতিফলিত কৰা হৈছে। গীতৰ কথাই দেশৰ ভণ্ড শাসকসকলকো প্ৰহাৰ কৰা দেখা গৈছে। অপৰাধীক প্ৰশ্ৰয় দিয়া শাসন ব্যৱস্থাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা হৈছে গীতটোৰ মাধ্যমৰে। ওপজা মাটিৰ গোন্ধ থকা গীতটোৰ কথা-সুৰ আৰু কণ্ঠ-মুকুটৰাজৰ। সংগীত দেনিচ চহৰীয়াৰ। শব্দ সংমিশ্ৰণ, পিংকু দাসৰ। ভিডিঅ' পৰিকল্পনা মুকুটৰাজ, জিতেন্দ্ৰ। ভিডিঅ' পৰিচালনা জিতেন্দ্ৰ, সঞ্জীৱৰ। ১৪ আগষ্টত মুকুটৰাজ অফিচিয়েল ইউটিউব চেনেলত গীতটোৱে মুক্তি লাভ কৰে। গীতটো ৰাইজ আদৰি ল'ব বুলি আশা প্ৰকাশ কৰিছে উদীয়মান কণ্ঠশিল্পীজনে।

# নাজিৰাত শোক দিৱস পালন

অগ্ৰদূত বাৰ্তা

**নামতি, ১৭ আগষ্ট ঃ** ২০০৪ৰ ১৫ আগষ্টত ধেমাজিত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ গৈ বোমা বিস্ফোৰণত যিসকল নিৰীহ কণ কণ শিশু আৰু নাগৰিকে দুৰ্ভাগ্যজনকভাৱে প্ৰাণ আহুতি দিলে তেওঁলোকক সুঁৱৰি আজি নাজিৰা মহকুমাতো শোক দিৱস পালন কৰা হয়। এই উপলক্ষে মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত উপায়ুক্ত তথা নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে অন্যান্য বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত সন্ত্ৰাসবাদ আৰু হিংসাৰ বিৰোধিতা কৰি শান্তি, সামাজিক শৃংখলা আৰু সকলো লোকৰ মাজত বুজাপৰা বৃদ্ধিৰ হকে কাম কৰিবলৈ সংকল্পবদ্ধ হোৱাৰ আৰু মানৱ জীৱন তথা মূল্যবোধৰ বাবে শংকা কঢ়িয়াই অনা অশুভ শক্তিসমূহৰ বিৰুদ্ধে যুঁজ দি যোৱাৰ শপতবাক্য পাঠ কৰোৱায়। কাৰ্যসূচীৰ অংশৰূপে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

# মৰিগাঁৱৰ বিশিষ্ট নাগৰিক ৰবি ডেকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৭ আগষ্ট ঃ** মৰিগাঁও জিলাৰ বিশিষ্ট নাগৰিক তথা আধুনিক মৰিগাঁও নিৰ্মাণত বিশেষ অৰিহণা যোগোৱা মৰিগাঁৱৰ শলমাৰী নিৱাসী ৰবি ডেকা (৮৫) ত হৃদ ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱাত সমগ্ৰ মৰিগাঁৱত শোকৰ ছাঁ পৰিছে। সদৌ মৰিগাঁও জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা মৰিগাঁও জিলা অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ শিৰাজী ডেকাৰ পিতৃ মৰিগাঁৰ শলমাৰী নিৱাসী ৰবি ডেকাৰ আধুনিক মৰিগাঁও নিৰ্মাণত অৱদান আছিল উল্লেখ্য। বিভিন্ন সামাজিক তথা ৰাজহুৱা কামৰ স'তে জড়িত থকা ডেকাৰ মৃত্যু সমগ্ৰ জিলাখনৰ বাবেই এক অপূৰণীয় ক্ষতি। মৰিগাঁও জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাই স্বৰ্গীয় ডেকালৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। লগতে তেওঁৰ পৰিয়ালটোলৈ সমবেদনা জ্ঞাপন কৰে।

# জাগীৰোড মহাবিদ্যালয়ত স্বাস্থ্য মেলা

## ■ ২২ টা বিভাগত চিকিৎসা প্ৰদান বিশেষজ্ঞ চিকিৎসকৰ

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ১৭ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ গৌৰৱোজ্জ্বল পৰিক্ৰমাৰ ৭৫ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে এই বিশেষ দিনটোক স্মৰণীয় কৰি ধৰি ৰখাৰ উদ্দেশ্যেৰে জাগীৰোড মহাবিদ্যালয়ত যোৱা ১৫ আগষ্টত বিশাল স্বাস্থ্য মেলাৰ আয়োজন কৰা হয়। সেৱা ভাৰতী পূৰ্বাঞ্চল আৰু নেছনেল মেডিকোজ সংস্থাৰ উদ্যোগত আৰু জাগীৰোড মহাবিদ্যালয়ৰ সহযোগত 'জোঙাল বলহু স্বাস্থ্য মেলা' নামেৰে আয়োজিত এই বিশাল স্বাস্থ্য মেলাত ২২ টা চিকিৎসা বিভাগৰ ৭০ জনৰো অধিক স্বনামধন্য আৰু প্ৰখ্যাত চিকিৎসক, বিশেষজ্ঞৰ দলে অংশগ্ৰহণ কৰি চিকিৎসা সেৱা আগবঢ়ায়। কৰ্কট ৰোগ, মেডিচিন, শল্য চিকিৎসা, কিডনী, হৃদৰোগ, স্নায়ু ৰোগ, চৰ্মৰোগ, দন্ত চিকিৎসা, অস্থি, মানসিক ৰোগ, শিশু ৰোগ আদিকে ধৰি ২২ বিধ ৰোগৰ চিকিৎসা কৰা হয় এই বিশাল স্বাস্থ্য মেলাত। এই স্বাস্থ্য মেলাৰ লগত সংগতি ৰাখি ৰক্তদান শিবিৰ আৰু প্ৰতিষেধক প্ৰদান শিবিৰৰ আয়োজন কৰা হয়। পুৱা এই স্বাস্থ্য মেলাৰ মুকলি কৰে গোভা ৰজা দ্বীপ সিং দেওৰজাই। জাগীৰোড মহাবিদ্যালয়ৰ আই কিউ এ চিৰ ক'অৰ্ডিনেটৰ ড° উৎপল ৰজগুৰুৱে আঁত ধৰা সভাত আয়োজক সমিতিৰ হৈ সেৱা ভাৰতী পূৰ্বাঞ্চলৰ সভাপতি ৰমেন শৰ্মাই আটাইৰে সহযোগিতাৰ বাবে ধন্যবাদ জনায়। জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে মহাবিদ্যালয়খনিৰ চমু আভাস দাঙি ধৰাৰ লগতে ইমান ব্যাপক পৰিসৰত স্বাস্থ্য মেলাৰ আয়োজন এক বৃহৎ প্ৰত্যাহ্বান আৰু ইয়াৰ সফলতাৰ বাবে সকলোৰে সহযোগিতাক শলাগ লয়। নেছনেল মেডিকোজ সংস্থাৰ সাধাৰণ সম্পাদক ডাঃ ৰক্তিম প্ৰতীম তামুলীয়ে উপস্থিত সকলোকে উদ্দেশ্য কৰি শিবিৰৰ বিষয়ে বিতংভাৱে জনায়। অসমৰ ইতিহাসত সৰ্বপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এই বিশাল স্বাস্থ্যমেলাত এহেজাৰো অধিক ৰোগীক বিশেষজ্ঞ চিকিৎসকে স্বাস্থ্য পৰীক্ষা কৰাৰ উপৰিও প্ৰতিগৰাকী ৰোগীক ঔষধ প্ৰদান কৰে।

# বঙাইগাঁৱত নাবালিকা ধৰ্ষণকাৰী পলাতকক গ্ৰেপ্তাৰ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৭ আগষ্ট ঃ** বঙাইগাঁও জিলা আৰক্ষীয়ে কালি দুপৰীয়া কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰ অঞ্চলৰ পৰা এগৰাকী নাবালিকাক ধৰ্ষণ কৰি পলায়ন কৰা লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নিশা বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই বঙাইগাঁও সদৰ থানাত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, বঙাইগাঁও জিলাৰ বিদ্যাপুৰ উপ-আৰক্ষী চকীৰ অন্তৰ্গত ঘিলাগুৰি গাঁৱত পৰহি নিশা এগৰাকী নাবালিকাক ধৰ্ষণ কৰিছিল। সোমবাৰে বিয়লি ভুক্তভোগী নাবালিকাৰ পৰিয়ালে ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে ঘটনাৰ তদন্ত কৰি অভিযান আৰম্ভ কৰে আৰু কালি ২৪ ঘন্টা পাৰ নৌহওঁতেই গ্ৰেপ্তাৰ কৰেপলায়ন কৰা ধৰ্ষণৰ অভিযুক্তক। বিদ্যাপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ঘিলাগুৰিৰ এগৰাকী নাবালিকাক ধৰ্ষণ কৰি পলায়ন কৰিছিল তৰুণ দাস নামৰ এজন ব্যক্তিয়ে। গোপন সূত্ৰৰ পম খেদি কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰ অঞ্চলৰ কাশিপুৰৰ পৰা গ্ৰেপ্তাৰ কৰে ব্যক্তিজনক। উল্লেখ্য যে ঘটনা সন্দৰ্ভত বঙাইগাঁও আৰক্ষী থানাই পঞ্জীয়ন কৰা গোচৰ নম্বৰৰ ৩৫৫২২ৰ অধীনত গ্ৰেপ্তাৰ কৰা হয় তৰুণ দাসক। ধৰ্ষণকাৰী তৰুণ উল্লিখিত ঘিলাগুৰি গাঁৱৰ এঘৰত তিনিমাহ ধৰি কাম-বন কৰি আহিছিল। ধৰ্ষণ কাৰ্যত জড়িত তৰুণৰ ঘৰ বৰপেটা জিলাৰ বৰপেটাৰোডৰ সূৰ্য নগৰত। আৰক্ষী অধীক্ষক ডেকাই প্ৰকাশ কৰা মতে, ধৰ্ষিতা নাবালিকাগৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰা হৈছে। আৰক্ষী অধীক্ষক ডেকাসহ উচ্চ পদস্থ আৰক্ষীৰ দলে কালি ঘটনাস্থলীত উপস্থিত হয় বুলিও প্ৰকাশ কৰে ।

# উৰিয়ামঘাট আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**উৰিয়ামঘাট, ১৭ আগষ্ট ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমা অসম নগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত, ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ অন্তৰ্গত উৰিয়ামঘাট আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ ত্ৰি-বাৰ্ষিক প্ৰতিনিধি সভা অনুষ্ঠিত হয়। ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ শইকীয়াই সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে দীপাংকৰ বৰাই। উৰিয়ামঘাটৰ বিভিন্ন অঞ্চলৰ পৰা অহা প্ৰতিনিধিৰ মাজৰ পৰা কাৰ্যকৰী সভাপতি ডিম্পল শইকীয়া সভাপতি দীপাংকৰ বৰা আৰু ৰাহুল শইকীয়াক সাধাৰণ সম্পাদক হিচাৰে লৈ এখন ৩১ জনীয়া উৰিয়ামঘাট আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সমিতি গঠন কৰা হয়। প্ৰতিনিধি ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰক্তিম হাজৰিকা, গোলাঘাট জিলাৰ প্ৰাক্তন সাধাৰণ সম্পাদক কুলেশ বৰা, দিপু শইকীয়া, মানসজ্যোতি শইকীয়া, পৰশমণি চুতীয়া হেমন্ত বৰা আৰু বিকু বৰা পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। উল্লেখ্য যে নতুনকৈ গঠন কৰা সমিতিখনে অঞ্চলটোৰ তথা চুতীয়া, জাতি ৰাইজক একত্ৰিত কৰি আগন্তুক দিনত বিভিন্ন সমস্যা সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব বুলি সংকল্পবন্ধ হয়।

# বাহনীত শংকৰদেৱ সংগীত বিদ্যালয় স্থাপন



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৭ আগষ্ট ঃ** মৰিয়নিৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী বাহনী অঞ্চলত কালি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংগীত বিদ্যালয় নামেৰে এক সংগীত বিদ্যালয় স্থাপন কৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান সত্ৰীয়া সংস্কৃতিৰ নৃত্য-গীত-বাদ্যসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে এই অমূল্য সম্পদসমূহ নৱপ্ৰজন্মক শিকাই-বুজাই পাকৈত কৰি সাংস্কৃতিক ক্ষেত্ৰখনত খোজ মিলাই আগবঢ়াই নিয়াৰ উদ্দেশ্যৰে এই সংগীত বিদ্যালয়খন স্থাপন কৰা হৈছে। বাহনী চাহ বাগিচাত স্থাপন কৰা এই সংগীত বিদ্যালয়খন স্থাপনৰ সময়ত দবা, শংখ, খোল, কাঁহ, হৰিধ্বনি, উৰুলি, মাংগলিক ধ্বনিৰে মুখৰিত হৈ পৰে। ক্ৰীড়াবিদ চিৰঞ্জীৱ শৰ্মাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটো মুকলি কৰে। আনহাতে, বাহনী চাহ বাগিচাৰ পৰিচালক, সংস্কৃতিবান যুৱক মনোজ বৰগোহাঁইৰ সভাপতিত্বত এক সভাও অনুষ্ঠিত হয়। কৃতী শিক্ষক নগেন গগৈয় আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সংগীত বিদ্যালয়খনৰ অধ্যক্ষ নিতুমণি ফুকনে। বিদ্যালয়খনিৰ সভাপতি ৰশ্মি বৰগোঁহাইয়ে আদৰণি ভাষণ প্ৰদান কৰাৰ অন্তত সাংস্কৃতিক কৰ্মী, সত্ৰীয়া সংস্কৃতিৰ সাধক বন্দনা গগৈয়ে সত্ৰীয়া সংস্কৃতিৰ তাৎপৰ্য ব্যাখ্যা কৰে। বিজয়পুৰ অংকুৰ মইনা পাৰিজাতৰ মইনাসকলে সমবেত সংগীত পৰিৱেশন কৰাৰ পাছতে শিক্ষক সুৰেন চুতীয়া, সমাজকৰ্মী সমীৰণ গগৈ, দিগন্ত গগৈ, বিদ্যুত হাজৰিকা আদিৰ লগতে কে'বাজনো অভিভাৱকে বক্তব্য প্ৰদান কৰি সীমামূৰীয়া অঞ্চলটোত সত্ৰীয়া সংস্কৃতিক আগুৱাই নিবলৈ কৰা প্ৰচেষ্টাৰ শলাগ লয়। অনুষ্ঠানত প্ৰতিভাৱান শিল্পী ৰূপশিখা কলিতাই গীত পৰিৱেশন কৰাৰ পাছতে কে'বাজনো কণ কণ মইনাই গীত-নৃত্য পৰিৱেশন কৰে। বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ প্ৰক্ৰিয়া চলি আছে বুলি বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক সাগৰ নায়কে জানিবলৈ দিছে।

# যোৰহাট বিজ্ঞান কেন্দ্ৰ-তাৰকাগৃহত স্থাপন কৰা উদ্ভাৱন কেন্দ্ৰ উদ্বোধন মন্ত্ৰী মহন্তৰ

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ১৭ আগষ্ট ঃ** অসমৰ উদ্ভাৱনীমূলক যাত্ৰাৰ আন্তঃগাঁথনি আৰু উঠি অহা প্ৰজন্মৰ উদ্ভাৱনীমূলক চিন্তাধাৰাক সবলীকৰণ কৰাৰ অৰ্থে যোৰহাট বিজ্ঞানকেন্দ্ৰৰ প্ৰাংগণত নিৰ্মাণ কৰা 'উদ্ভাৱন কেন্দ্ৰ'টো কালি ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি ১৫ আগষ্টত উদ্বোধন কৰে। অনুষ্ঠানটো উদ্বোধন কৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ আৰু ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰাহলয় পৰিষদৰ যৌথ প্ৰচেষ্টাত প্ৰতিষ্ঠা হোৱা উদ্ভাৱন কেন্দ্ৰটোৱে অসমৰ বিভিন্ন অঞ্চলৰ উঠি অহা প্ৰজন্মৰ উদ্ভাৱনী তথা সৃজনশীল চিন্তাধাৰাক বাস্তৱ ৰূপ দিয়াত সহায় কৰিব। লগতে তেওঁ কয় যে বিজ্ঞানৰ এই জয়যাত্ৰাত আমাৰ উঠি অহা প্ৰজন্মই ভাগ ল'ব পৰাকৈ অসমৰ বিভিন্ন অঞ্চলত আৰু কে'বাটাও বিজ্ঞান কেন্দ্ৰ প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰখনে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। উক্ত অনুষ্ঠানতে মন্ত্ৰীজনে বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ দ্বাৰা হাতত লোৱা বহুকেইখন আঁচনিৰ বিষয়ে অসমবাসী ৰাইজক অৱগত কৰে। মন্ত্ৰীজনে সমূহ অসমবাসী ৰাইজক পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত অধিক সজাগ আৰু সচেতনতা বৃদ্ধি কৰিবলৈ আহ্বান জনায়।

আনহাতে, যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ তত্ত্বাৱধায়ক ড° প্ৰণৱ জ্যোতি চেতিয়াই আঁত ধৰা উক্ত অনুষ্ঠানত, ২০২২ৰ পৰিৱেশ মিত্ৰ সন্মান, শ্ৰেষ্ঠ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ইক'- ক্লাব আৰু শ্ৰেষ্ঠ মহাবিদ্যালয় পৰিৱেশ আৰু জলবায়ু কোষসমূহক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী উপস্থিত থাকে।

# শ্ৰমিকৰ পাৰিতোষিক লুণ্ঠন অ'এনজিচিৰ বিষয়া-ঠিকাদাৰৰ

■ প্ৰাপ্য বিচৰাত কামৰ পৰা চাটাই ১২ শ্ৰমিকক ■ সৰৱ বিভিন্ন সংগঠন ঃ ন্যায়ৰ বাবে কাষ চাপিল শ্ৰম আয়ুক্ত উপায়ুক্তৰ



আমিনগাঁৱৰ শৰাইঘাট সৰোবৰত বিৰাল প্ৰজাতিৰ কাছ মুকলি, বুধবাৰে।

অগ্ৰদূত বাৰ্তা


**শিমলুগুৰি, ১৭ আগষ্ট ঃ** মহাৰত্ন তৈল-গেছ উদ্যোগীক প্ৰতিষ্ঠান 'তেল আৰু প্ৰাকৃতিক গ্ৰেছ নিগম' (অ' এন জি চি) অসম সম্পদৰ বিভিন্ন বিভাগৰ একাংশ বিষয়া আৰু ঠিকাদাৰে দীৰ্ঘদিন ধৰি শ্ৰমিকৰ ধন লুণ্ঠন প্ৰক্ৰিয়া চৰম সীমাত উপনীত হৈছে। নিগমৰ অধীনস্থ ঠিকা ভিত্তিত চলা তৈল-গেছৰ খনন, উৎপাদনৰ বীগ, যান-বাহন আদিকে ধৰি বিভিন্ন বিভাগত কৰ্মৰত শ্ৰমিকসকলক নীতি অনুসৰি দিব লগা পাৰিতোষিকৰ ধনৰ পৰা হেজাৰ হেজাৰ টকা কৌশলেৰে কাটি ৰাখি বছৰ বছৰ ধৰি লুণ্ঠন চলাই আহিছে। এনে লুণ্ঠন কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলে বা প্ৰাপ্য সমুদায় ধন আদায় বিচাৰিলে তেনে শ্ৰমিকক নিগমৰ বিষয়াৰ পৰামৰ্শ মতে, কামৰ পৰা চাটাই কৰাৰ নজিৰ বহুতো আছে। এনেদৰে শেহতীয়াকৈ নাজিৰা মহকুমাৰ গেলেকী অঞ্চলৰ ১২ জনকৈ শ্ৰমিক কামৰ পৰা চাটাই হ'বলগীয়া হোৱা ঘটনাই বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি অ' এন জি চিৰ অসম সম্পদৰ ল'জিষ্টিক বিভাগৰ তত্ত্বাৱধানত ২০১৮ৰ ১৯ জানুৱাৰীৰ পৰা ঠিকা ভিত্তিত চলি থকা এ এছ ০৪ বি চি ৩১৫৫, এ এছ ২৩ এক্স ৩৬৮১ আৰু এ এছ ২৩ এক্স ৩৬৮২ নম্বৰৰ ক্ৰে গাড়ী তিনিখনৰ চালক, সহায়ক হিচাপে ঠিকা ভিত্তিত কৰ্তব্য পালন কৰি অহা ১২ জনকৈ শ্ৰমিকৰ পাৰিতোষিকৰ ধন কৌশলেৰে কৰ্তন কৰি সংশ্লিষ্ট বিভাগৰ বিষয়া আৰু ঠিকাদাৰে লুণ্ঠন কৰি আহিছে। প্ৰাপ্ত তথ্য মতে, নিগম কৰ্তৃপক্ষই নীতি অনুসৰি এ এছ ০৪ বি চি ৩১৫৫ নম্বৰৰ ক্ৰেন গাড়ীখনৰ চালক ফৰিদ আলীক কামৰ ২৬ দিনৰ অন্তত প্ৰে শ্লিপ মতে, ৪৫,৭৯০ টকা, সহায়ক ক্ৰমে ৰমেন গগৈ, জাবিৰ আলী, জীৰেশ্বৰ কুৰ্মীক ৩৩,০৭৭ টকা পাৰিতোষিকৰ ধন আদায় দিব লাগে। আনহাতে এ এছ ২৩ এক্স ৩৬৮১ ক্ৰেন গাড়ীৰ চালক ৰফিক আলীক ৪৩,০৩০ টকা, সহায়ক ক্ৰমে ত্ৰিকেন ফুকন, ইছলামুদ্দিন হুছেইন আৰু লক্ষী প্ৰসাদ গগৈক ৩১,০১০ টকাকৈ আদায় দিব লাগে। আনহাতে এ এছ ২৩ এক্স ৩৬৮২ নম্বৰৰ ক্ৰেন গাড়ীখনৰ চাকল ৰাচিফ হুছেইনক ৫১,৫১০ টকাকৈ, সহায়ক ক্ৰমে জাবিৰ আলী, দামোদৰ চেতিয়া, মমতাজ আলীক ৩৭,১৯১ টকাকৈ পাৰিতোষিকৰ ধন আদায় দিব লাগে। কিন্তু এই ক্ৰেন গাড়ী তিনিখনৰ ১৩ পৃষ্ঠাত চাওক

# বাগিচাৰ শ্ৰমিকক ২০ শতাংশ বোনাচ দিবলৈ চাহ মজদুৰ সংঘৰ দাবী

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৭ আগষ্ট ঃ** ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো চাহ বাগিচাৰ শ্ৰমিকক প্ৰতি বছৰে দুৰ্গা পূজাৰ পূৰ্বে বোনাচ দিয়াতো পৰম্পৰাৰ দৰে চলি আহিছে। বিগত বৰ্ষবিলাকৰ দৰে এইবাৰো চাহ শ্ৰমিকসকলক ২০ শতাংশ বোনাচ দিবৰ বাবে অসম চাহ মজদুৰ সংঘই চাহ বাগিচাৰ মালিকসকলৰ লগতে এবিটা, বিচিপি, এটিপিএ, তাই আৰু নেটালৈ দাবী জনাই পত্ৰ প্ৰেৰণ কৰিছে বুলি মৰাণ শাখা চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এক বিবৃতিযোগে জনাইছে। কেন্দ্ৰীয় সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰ আৰু সম্পাদক ৰূপেশ গোৱালা স্বাক্ষৰিত দাবী পত্ৰখনত উল্লেখ থকা মতে খাদ্য সামগ্ৰীৰ লগতে অন্যান্য বয়-বস্তুৰ মূল্যৰ বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ২০ শতাংশ বোনাচ দিবলৈ দাবী জনাইছে। বোনাচ, চাহ বাগিচাত সৃষ্টি হোৱা কাজিয়া, মাদক দ্ৰব্য প্ৰচলন আদি কে'বাটাও গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ কাৰণে অহা ২৪ আগষ্টত মৰাণ শাখা চাহ মজদুৰ সংঘৰ কাৰ্যালয়ত এখন জৰুৰী সভা আহ্বান কৰা হৈছে বুলি বিবৃতিটোত উল্লেখ কৰিছে।

# সত্ৰীয়া-সংস্কৃতিৰ গৱেষক যতীন বৰাৰ 'বন্দো শ্ৰীযাদৱৰায়' গীতৰ এলবাম উন্মোচন



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১৭ আগষ্ট ঃ** পবিত্ৰ ভাদমাহ উপলক্ষে সেউজ কণ্ঠ সত্ৰীয়া সংস্কৃতিৰ গৱেষক যতীন বৰাৰ কণ্ঠত মুঠ ১০ টা গীত সম্বলিত 'বন্দো শ্ৰী যাদৱৰায়' নামৰ এলবাম অলপতে উন্মোচন কৰে দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল গোস্বামীয়ে। উল্লেখনীয় যে অতীতৰ পৰা মুখে মুখে চলি অহা সত্ৰীয়া দিহা নাম, ঘৰফলীয়া দিহা, বৃন্দাবনীয়া দিহা উক্ত নামসমূহ কালৰ বুকুত হেৰাই যোৱাৰ উপক্ৰম হোৱাত 'দিহানামমৃত' নামৰ গ্ৰন্থৰ জৰিয়তে সত্ৰীয়া সংস্কৃতিৰ গৱেষক শিল্পী বৰাই ২০১৮ তে লিখিত ৰূপ দিয়াৰ পাছত অসমৰ সত্ৰীয়া সংস্কৃতিৰ জগতখনত তথা ৰাইজৰ সমাদৰ লাভ কৰিছিল। গৱেষক বৰাই যোৰহাট উপায়ুক্তৰ কাৰ্যালয়ৰ ব্যস্ততাপূৰ্ণ চৰকাৰী কৰ্মৰ মাজতো লোকগীত, বৰগীত, ভাওনাৰ পৰম্পৰাগত গীত-মাত, পৌৰাণিক কীৰ্তন ভাগৱতৰ সুৰ তথা এজন খোলবাদক, দিহানামৰ উপৰি টোকাৰী গীত দেহবিচাৰ গীত পৰিৱেশন কৰি আহিছে।

# লোহিত ডিক্ৰুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১৭ আগষ্ট ঃ** বিহপুৰীয়াৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান লোহিত ডিক্ৰুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চাৰিগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক আজি বিদ্যালয় কৰ্তৃপক্ষই বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। এই উদ্দেশ্যে আজি বিদ্যালয়ত অধ্যক্ষ সত্যজিত বৰাৰ সভাপতিত্বত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ পৰা বিগত ২০২১ৰ শেষৰ ফালে অৱসৰ গ্ৰহণ কৰা বিষয় শিক্ষক কৃষ্ণানন্দ বৰুৱা, সহকাৰী শিক্ষক ক্ৰমে মিনু বৰা, চুচেন দাস আৰু ৰূপৰেখা বৰুৱাক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ লগতে বিশিষ্ট ব্যক্তিসকলে সম্বৰ্ধনা পত্ৰ, সঁফুৰা, চেলেং, গামোচা, সাজ-পাৰ কলম আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায়। বিদায়ী শিক্ষক কৃষ্ণানন্দ বৰুৱাই বিদ্যালয়লৈ এখন হেমকোষ অভিধান আগবঢ়ায়। সভাত বিদায়ী শিক্ষক-শিক্ষয়িত্ৰীসকলে বিদ্যালয়ৰ কৰ্মৰত দিনসমূহ সুঁৱৰি আবেগিক হৈ পৰে। সভাত ছাত্ৰী ক্ৰমে তুষাৰ তৰ্পণা বৰা আৰু জিনুমণি বৰুৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীতেৰে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ক্ৰমে হৰেণ দত্ত, কুসুম পাটগিৰী, বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে গোলাপ শইকীয়া, নীৰন দত্ত, চন্দ্ৰমা বৰগোহাঞি, দিপালী বৰা শইকীয়া আৰু উত্তৰ লখিমপুৰ জিলা শিক্ষক-কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সভাপতি দিলীপ কাকতিয়ে সম্বৰ্ধিত শিক্ষক-শিক্ষয়িত্ৰীসকলক উদ্দেশি বক্তব্য আগবঢ়ায়।

# টীয়ক আৰক্ষী থানাত গছপুলি ৰোপণৰ প্ৰাক্তন বিধায়কৰ

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৭ আগষ্ট ঃ** আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি নলবাৰীৰ পৰা গুৱাহাটী হৈ ঐতিহাসিক শিৱসাগৰলৈ 'মুখ্যমন্ত্ৰীৰ আনুষ্ঠানিক বৃক্ষৰোপণ আঁচনি' সজাগতা সৃষ্টিৰ বাবে চাইকেল যাত্ৰা কৰিছে অসম বৃক্ষৰোপণ, শস্য উন্নয়নৰ অধ্যক্ষ তথা নলবাৰী প্ৰাক্তন বিধায়ক অশোক কুমাৰ শৰ্মাই। কালি তেওঁৰ এই যাত্ৰা পথত টীয়ক থানাৰ সন্মুখত থকা টীয়কৰ কলিয়াপানী মণ্ডল বিজেপিৰ কাৰ্যালয়ত উপস্থিত হৈ নেতা-কৰ্মীসকলৰ লগত বাৰ্তালাপ কৰি তেওঁৰ লক্ষ্য আৰু উদ্দেশ্যৰ কথা অৱগত কৰে আৰু সকলোকে এটাকৈ হ'লেও গছপুলি ৰোপণ কৰি পৰিৱেশ সংৰক্ষণ কৰিবলৈ আহ্বান জনায়। লগতে টীয়ক থানাৰ চৌহদত প্ৰাক্তন বিধায়কজনে সভাপতি পবিত্ৰ কলিতা, মহিলা মৰ্চা, যুৱ মৰ্চাৰ বিষয়ববীয়াকে প্ৰমুখ্য কৰি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজিত তেৰাঙৰ উপস্থিতিত দুটাকৈ মূল্যবান ফলৰ পুলি ৰোপণ কৰে আৰু এই পুলিয়ে উপযুক্ত সময়ত পৰিৱেশ সংৰক্ষণত সহায় হ'ব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে ইতিমধ্যে প্ৰাক্তন বিধায়কজনে তেওঁৰ এই সজাগতামূলক যাত্ৰাৰ পথত প্ৰায় ২১৫ পুলি ৰোপণ কৰিছে আৰু এই ৰোপণ কাৰ্যসূচী অনাগত দিনসমূহতো অব্যাহত থাকিব বুলি মন্তব্য প্ৰকাশ কৰে।

# নলবাৰীত পাগ্লাপেইৰা গোষ্ঠীৰ কবি মিলন




অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৭ আগষ্ট ঃ** আজাদী কা অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সাহিত্য-সংস্কৃতি সাধনাৰ সংগঠন পাগ্লাপেইৰা গোষ্ঠী, অসমে স্বাধীনতা দিৱসৰ সন্ধিয়া এক মনোৰম শব্দ মাতৰ অনুষ্ঠান 'কবি মিলন' অনুষ্ঠিত কৰে। নলবাৰীৰ বৰ্ণালী ডান্স একাডেমীৰ প্ৰেক্ষাগৃহত কবি নৱজ্যোতি পাঠকে আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভ হয় নাট্যগুৰু বৰ্ণালী মহন্তৰ তত্ত্বাৱধানত মেঘনা ভূঞা আৰু কৰ্নিকা দাসৰ সত্ৰীয়া নৃত্য প্ৰদৰ্শনেৰে। অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে কবি হীৰেন্দ্ৰ কুমাৰ শৰ্মা, কবি নৱৰত্ন পাটোৱাৰী আৰু কবি জিতু লহকৰে। শিল্পী ৰাজশ্ৰী দাস আৰু প্ৰণীতা হালৈয়ে সংগীত পৰিৱেশন কৰা অনুষ্ঠান সঞ্চালনা কৰে কবি নৃপেন দত্ত, হীৰেন্দ্ৰ কুমাৰ শৰ্মা আৰু মনীষা তালুকদাৰে আদৰণি ভাষণ ৰাখে গোষ্ঠীৰ সভাপতি নাট্যকাৰ অজিত মহন্তই। সম্পাদক ড° বিনয় কুমাৰ মজুমদাৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি অনুষ্ঠানৰ লক্ষ্য আৰু দৰ্শন স্পষ্ট কৰে। প্ৰায় শতাধিক সাহিত্যানুৰাগী উপস্থিত থকা অনুষ্ঠানত কবিতা পাঠ কৰে কবি ড° বিনয় কুমাৰ মজুমদাৰ, হীৰেন্দ্ৰ কুমাৰ শৰ্মা, অজিত মহন্ত, শংকৰ শৰ্মা, নৱজ্যোতি পাঠক, দ্বীপ শালৈ, শান্তনু শৰ্মা, জিতেন্দ্ৰ কুমাৰ জৈন, নৱৰত্ন পাটোৱাৰী, নিবেদিতা হাজৰিকা, দিপালীমা দত্ত, অজিত ৰাজবংশী, অজিত ছেত্ৰী, প্ৰণীতা হালৈ, দিলজিত বৰ্মন, জিতু লহকৰ, চম্পক তালুকদাৰ, নিতুল কুমাৰ দত্ত, ড° ৰাজেশ কাকতি, নিৰ্মল কুমাৰ মজুমদাৰ, পংকজ গোবিন্দ মেধি, ৰমেন ৰাজবংশী, কিশোৰ কুমাৰ শৰ্মা, মেঘালী দেৱী, নিশান্ত ভাস্কৰ আৰু বহুসংখ্যক কবিয়ে। উল্লেখ্য যে অনুষ্ঠানত সৰ্বসন্মতি ক্ৰমে অহা ১৪ অক্টোবৰত অসমৰ সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মদিনটো 'লক্ষ্মীনাথ বেজবৰুৱা দিৱস' হিচাপে প্ৰথমবাৰৰ বাবে পালন কৰিবলৈ থিৰাং কৰিছে।

# নাজিৰা পৌৰসভাৰ অধীনত সম্পত্তি কৰ আত্ম-মূল্যায়ন ৰাজহুৱা জাননী

অগ্ৰদূত বাৰ্তা

**নামতি, ১৭ আগষ্ট ঃ** নাজিৰা পৌৰসভাৰ অধীনত কৰদাতা আৰু সাধাৰণ জনতাক নিজৰ স্থাৱৰ সম্পত্তিৰ সবিশেষ স্ব-ঘোষণ প্ৰ-পত্ৰৰ জৰিয়তে বা ম'বাইল এপৰ জৰিয়তে প্ৰদান কৰিবলৈ অনুৰোধ জনোৱা হৈছে। নাজিৰা পৌৰসভাৰ কৰ সংগ্ৰাহকৰ স'তে আৰু প্ৰতিটো ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰৰ অধীনত নিৰ্দিষ্ট কৰ মূল্যায়ন শিবিৰতো প্ৰ-পত্ৰ উপলব্ধ হ'ব। সম্পত্তি কৰ মূল্যায়ন, পুনৰ মূল্যায়ন আৰু আধুনিকীকৰণ সমগ্ৰ প্ৰক্ৰিয়াটোত নাজিৰা পৌৰসভাৰ অধীনত থকা জনসাধাৰণৰ পৰা সহযোগিতা আৰু সক্ৰিয় অংশগ্ৰহণৰ বাবে সদয়ভাৱে নাজিৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়াই অনুৰোধ কৰিছে।

# বাপুজীনগৰ-মৰিয়মনগৰ শ্মশানত বৃক্ষৰোপণ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৭ আগষ্ট ঃ** মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক কাৰ্যসূচীৰ অংশ হিচাপে কালি গোৱালপাৰা চহৰৰ বাপুজীনগৰ-মৰিয়মনগৰ শ্মশানত এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কালি পুৱা ১০-৩০ বজাত বৃক্ষৰোপণ কাৰ্যসূচী আৰম্ভ কৰে জিলা বন ১৩ পৃষ্ঠাত চাওক

# অৱসৰপ্ৰাপ্ত শিক্ষক-লেখক হৰেন হালৈক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১৭ আগষ্ট ঃ** ৰঙিয়া মহকুমাৰ কঞ্জা ৰাজহ চক্ৰৰ অন্তৰ্গত সৌৰামুৰী কালেগাপাম নিবাসী লেখক তথা অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন হালৈক আজি উত্তৰ হাজো জ্যেষ্ঠ নাগৰিক মঞ্চৰ তৰফৰ পৰা ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। উল্লেখ্য যে বিগত কিছুদিন ধৰি অসুস্থ হৈ থকা অৱসৰপ্ৰাপ্ত শিক্ষক তথা লেখকজনৰ সৌৰামুৰীৰ বাসগৃহত আজি সন্ধিয়া অনুষ্ঠিত বিশেষ সভাত উত্তৰ হাজো জ্যেষ্ঠ নাগৰিক মঞ্চই গামোচা, জাপি আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। ১৩ পৃষ্ঠাত চাওক

# বিজ্ঞান-গণিত বিষয় ইংৰাজী মাধ্যমৰ বিৰোধিতাৰে টংলাত যুৱ-ছাত্ৰৰ গণ অৱস্থান



অগ্ৰদূত বাৰ্তা

**টংলা, ১৭ আগষ্ট ঃ** অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয়ত ইংৰাজী মাধ্যমত পাঠদানৰ সিদ্ধান্ত বাতিল কৰক, ৰাষ্ট্ৰীয় শিক্ষাৰ আধাৰত প্ৰাথমিক বিদ্যালয়সমূহত মাতৃভাষা পাঠদানৰ ব্যৱস্থা কৰক, প্ৰাথমিক বিদ্যালয়সমূহত শ্ৰেণীয়ে প্ৰতি শিক্ষকৰ ব্যৱস্থা কৰক, ৰাজ্যৰ প্ৰতি পাঁচ কিলোমিটাৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠান স্থাপন কৰক আদি কে'বাটাও দাবী সম্বলিত তিনি ঘণ্টা অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে আজি ওদালগুৰি জিলা সমিতিয়ে টংলাৰ আকাশ-বতাহ কঁপাই তোলে। ইতিমধ্যে অসম চৰকাৰে কেবিনেট সিদ্ধান্ত অনুসৰি লোৱা বিতৰ্কিত জাতিধ্বংসী ভাষা বিৰোধী কাৰ্যত লিপ্ত হোৱা বাবে আমি চৰকাৰক তীব্ৰ গৰিহণা জনাইছো। ওদালগুৰি জিলা সমিতিৰ সভাপতি কণ্ঠ কুমাৰ দাস আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক দেৱজিৎ দাসৰ নেতৃত্বত অনুষ্ঠিত অৱস্থান ধৰ্মঘটত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ কেবিনেট সিদ্ধান্তক কোনো ক্ষেত্ৰতে সফল হ'ব নিদিও বুলি হুংকাৰ দিয়ে। জিলা সমিতিৰ বিষয়ববীয়াই পুনৰ কয় যে শেহতীয়াকৈ চৰকাৰখনে অসমৰ চৰকাৰী মাধ্যমৰ বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত পাঠদান কৰাৰ হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰৰ স্ববিৰোধী, অনাকাংক্ষিত সিদ্ধান্ত কাৰ্যকৰী কৰিলে মাতৃভাষা মাধ্যমৰ ছাত্ৰ-ছাত্ৰীয়ে ১৩ পৃষ্ঠাত চাওক

# সৌন্দৰ্যবৰ্ধনৰ নামত এখোজ কিংশুক উদ্যান মুকলি পৌৰসভাৰ

■ চিচি টিভি সংযোগ হ'ব মৰিয়নি নগৰত



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৭ আগষ্ট ঃ** যোৱা ১৪ আগষ্টৰ সন্ধিয়া মৰিয়নি নগৰৰ থানা তিনিআলিত অৱস্থিত কিংশুক উদ্যানখন মৰিয়নি পৌৰসভাই মুকলি কৰে। মৰিয়নি পৌৰ সভাৰ পৌৰপতি বিশ্বপ্ৰভা শইকীয়া আৰু উপ- পৌৰপতি প্ৰদীপ দাসে ফিটা কাটি উদ্যানখন মুকলি কৰে। সেই উপলক্ষে অনুষ্ঠিত এক চমু অনুষ্ঠানত পৌৰপতি বিশ্বপ্ৰভা শইকীয়াই নগৰৰ মাজমজিয়াত অৱস্থিত এই উদ্যানখনে নগৰখনৰ সৌন্দৰ্যবৰ্ধনৰ ক্ষেত্ৰত সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। দেশজুৰি পালন হৈ থকা স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি স্বাধীনতা দিৱসৰ পূৰ্ব সন্ধিয়া উদ্যানখন ৰাইজৰ বাবে মুকলি কৰা বুলিও তেওঁ লগতে উল্লেখ কৰে। ১৩ পৃষ্ঠাত চাওক

# গোৰেশ্বৰৰ বৰডাঙেৰীকুছীত গাহৰি পালনৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ১৭ আগষ্ট ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ উত্তৰ বেতনা সমাজ সংস্কাৰক বাহিনীৰ সহযোগত বৰডাঙেৰীকুছীস্থিত কমিউনিটি হলত কালি গাহৰি পালনৰ সজাগতা সভা এখন অনুষ্ঠিত হয়। সভাত জনজাতীয় লোকসকলক বিজ্ঞানসন্মত গাহৰি পালন সন্দৰ্ভত অৱগত কৰোৱাৰ লগতে প্ৰায় ৫৪ গৰাকীকৈ হিতাধিকাৰীক বাল্টি, লাইট, ছাতি, চেনিটাইজাৰ আৰু বাচন-বৰ্তন আদি সামগ্ৰী বিতৰণ কৰে। ইপিনে, অনুষ্ঠানত বিজ্ঞানী প্ৰধান ড° কেশৱ বৰ্মন, বিজ্ঞানী ড° ৰাজীৱ দেৱ, জ্যেষ্ঠ বিজ্ঞানী ড° সতীশ কুমাৰ, বিজ্ঞানী ড° মীযা মাধৱন আৰু উত্তৰ বেতনা সমাজ সংস্কাৰক বাহিনীৰ সাধাৰণ সম্পাদক গোলাপ চন্দ্ৰ কলিতা উপস্থিত থাকে।

# হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**আজাৰা, ১৭ আগষ্ট ঃ** আজাৰাস্থিত হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ৰ দাতা হৰিশ্চন্দ্ৰ দাসৰ মৃত্যু দিৱস উপলক্ষে আজি মহাবিদ্যালয় প্ৰাংগণত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আয়োজন কৰা হয়। অনুষ্ঠানত আৰম্ভণিতে দাতা হৰিশ্চন্দ্ৰ দাসৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি প্ৰদানেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে আৰু বন্তি প্ৰজ্বলন কৰে দাতা পত্নী গায়ত্ৰী দাসে। ইয়াৰ পাছতে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক তপন জখৰীয়াই আঁতধৰা স্মৃতিচাৰণ সভাত কমল প্ৰসাদ দাস, সৰ্বেশ্বৰ দাস, বিনয় মেধি, মনোৰঞ্জন ভট্টাচাৰ্য, মহাবিদ্যালয়ৰ অধ্যক্ষা ড° বিজু বৰুৱাৰ লগতে মহাবিদ্যালয়ৰ কে'বাগৰাকী শিক্ষকে প্ৰয়াত দাসৰ স্মৃতিচাৰণ কৰে। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে দাসৰ জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰি জ্ঞান মন্দিৰৰ দাতাসকলৰ বাবে সমাজত বহু কৃতীমানৰ সৃষ্টি হৈছে বুলি কয়। মহাবিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থীগৰাকীলৈ বঁটা প্ৰদান আৰু দাতাগৰাকীৰ এটি প্ৰতিমূৰ্তি মহাবিদ্যালয় প্ৰাংগণত স্থাপন কৰাৰ কথাও তেওঁ ঘোষণা কৰে। অনুষ্ঠানত দাতা পৰিয়ালৰ সদস্যসকলক পৰিচালনা সমিতিৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

# ধুহিবালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১৭ আগষ্ট ঃ** কামৰূপ জিলাৰ ধুহিবালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ দেওবাৰে নিশা সামৰণি পৰে। পুৱা পতাকা উত্তোলন, বিশ্ব শান্তিৰ বাবে সমূহীয়া দোৱা, গছপুলি ৰোপণৰ পাছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰে। আবেলি উদ্‌যাপন সমিতিৰ সভাপতি আবুল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অভিনেতা যতীন বৰা আৰু সাংবাদিক ড° কুমুদ দাসে মুখ্য অতিথিৰূপে উপস্থিত থাকি সভাৰ কে'বা সহস্ৰাধিক ৰাইজক মন্ত্ৰমুগ্ধ কৰে। সমাৰোহত অভিনেতা বৰাই তেওঁ অভিনয় কৰা আৰু অচিৰেই মুক্তি পাবলগীয়া অসমীয়া চিনেমা 'ৰাঘৰ' চোৱাৰ বাবে ৰাইজক আহ্বান জনায়। ছাউথৰ চিনেমা জগততকৈ কোনো গুণে অসমীয়া চিনেমা কম নহয় বুলি জানিব দি অভিনেতাজনে কয় যে অসমীয়া চিনেমা জীয়াই ৰাখিবলৈ হ'লে জনসাধাৰণৰ সহযোগিতা লাগিব। সভাৰ আগতে সংবাগ মাধ্যমৰ পৰা ৰাজনৈতিক বিষয়ৰ ওপৰত কৰা প্ৰশ্নসমূহৰ পৰা আঁতৰি থাকি অভিনেতা বৰাই কয় যে ধুহিবালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহত মই 'ৰাঘৱ'ৰ প্ৰচাৰৰ বাবে আহিছো বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। উদ্‌যাপন সমিতিৰ সম্পাদক আব্দুল মজিদে সভাৰ উদ্দেশ্য কোৱা সভাখনত আনজন মুখ্য অতিথি সাংবাদিক ড° কুমুদ দাসে তত্ত্বগধুৰ ভাষণৰ মাজৰে ৰাইজক আকৃষ্ট কৰাৰ লগতে এটি মননশীল কবিতা আবৃত্তিৰে ৰাইজক মোহিত কৰে। ইফালে, সমাৰোহত উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অংক শাস্ত্ৰৰ অধ্যাপক ১৩ পৃষ্ঠাত চাওক

# আগিয়াত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ভ্ৰাম্যমাণ ৰেষ্টুৰেণ্ট 'মিলছ অন হুইলছ' মুকলি

■ উত্তম নাথৰ প্ৰচেষ্টাৰ প্ৰশংসা উপায়ুক্ত-আৰক্ষী অধীক্ষকৰ



অগ্ৰদূত বাৰ্তা

**আগিয়া, ১৭ আগষ্ট ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ভ্ৰাম্যমান ৰেষ্টুৰেণ্ট 'মিলছ অন হুইলছ' ভাৰতবৰ্ষৰ ৭৬ সংখ্যক স্বাধীনতা দিৱসৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ মধু লগনত আগিয়াত ৰাইজৰ বাবে মুকলি কৰা হয়। আগিয়াৰ উদ্যোমী যুৱ হোটেলৰ ব্যৱসায়ী উত্তম নাথৰ মানসপুত্ৰ 'মিলছ অন হুইলছ' নামৰ ভ্ৰাম্যমাণ ৰেষ্টুৰেণ্টখন ১৫ আগষ্টৰ দিনৰ ১২ বজাত ফিটা কাটি নাৰিকল ভাঙি যৌথভাৱে উদ্বোধন কৰে গোৱালপাৰাৰ উপায়ুক্ত খনীন্দ্ৰ চৌধুৰী আৰু আৰক্ষী অধীক্ষক ডি. ডি. ৰাকেশ ৰেড্ডীয়ে। ৰেষ্টুৰেণ্টখনৰ চৌপাশে অংকিত অসমৰ মঠ-মন্দিৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতিচ্ছবি আৰু আলোকসজ্জা প্ৰত্যক্ষ কৰি আপ্লুত হয় দুয়োগৰাকী প্ৰশাসনিক বিষয়া। স্থানীয় বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত ৰেষ্টুৰেণ্টৰ উদ্বোধক প্ৰশাসনিক বিষয়াদ্বয়ে উত্তম নাথৰ প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে সৰু সৰু মানুহৰ সৰু সৰু চিন্তাৰেও যে মহৎ সৃষ্টি কৰিব পাৰি তাৰেই উদাহৰণ উত্তম নাথ বুলি প্ৰশংসা কৰে। উল্লেখ্য যে আগিয়াৰ হোটেলৰ যুৱ ব্যৱসায়ী উত্তম নাথে তিনিমাহ পূৰ্বে ১৩ লাখ টকাৰে ক্ৰয় কৰিছিল এখন ছেকেণ্ড হেণ্ড নৈশ যাত্ৰীবাছ। বিগত তিনিমাহত প্ৰায় ১৭ লাখ টকা ব্যয় কৰি তেওঁ নেৰানেপেৰাকৈ লাগি থাকি তিনি মাহৰ অন্তত নৈশ বাছখনক সাজি উলিয়ায় এখন অত্যাধুনিক বিলাসী ভ্ৰাম্যমান ৰেষ্টুৰেণ্ট ৰূপে। ইতিপূৰ্বে সামাজিক মাধ্যমত ৰেষ্টুৰেণ্টখনৰ ব্যাপক প্ৰচাৰ হোৱাত শ শ লোকে আগিয়ালৈ ঢাপলি মেলিছে অকল ৰেষ্টুৰেণ্টখন এবাৰ ওচৰৰ পৰা চাবলৈ নতুবা একপি ছেলফি উঠিবলৈ। এখন হোটেলৰ দৰে ১৩ পৃষ্ঠাত চাওক

# নলবাৰী গৰ্ডনত যুৱ-ছাত্ৰ পৰিষদৰ গণ অৱস্থান ধৰ্মঘট

## ■ ৰাজ্য চৰকাৰৰ শিক্ষা নীতিৰ বিৰোধিতা



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১৭ আগষ্ট ঃ** নলবাৰী চহৰৰ গৰ্ডন চ'কত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নলবাৰী জিলা সমিতিৰ উদ্যোগত গণ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্যৰ চৰকাৰৰ শিক্ষা নীতিৰ ওপৰত বিৰোধিতা কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে এই গণ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে 'অসম চৰকাৰ হায় হায়, শিক্ষা বিভাগ হায় হায়, মুখ্যমন্ত্ৰী হায় হায়, দিল্লী-দিছপুৰ হুঁচিয়াৰ আদি প্ৰতিবাদী শ্ল'গানেৰে চহৰৰ পৰিৱেশ উত্তাল কৰি তোলে। আনহাতে, প্ৰতিবাদস্থলীৰ পৰা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নলবাৰী জিলা সমিতিয়ে ৰাজ্য চৰকাৰক তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত পাঠদান দিয়াৰ সিদ্ধান্ত বাতিল, প্ৰাথমিক বিদ্যালয়ত শ্ৰেণীয়ে প্ৰতি শিক্ষকৰ ব্যৱস্থা, ৰাজ্যৰ প্ৰতি পাঁচ কিলোমিটাৰত বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত প্ৰাথমিক বিদ্যালয়সমূহক মাতৃভাষাৰ মাধ্যমত ব্যৱস্থা কৰিবলৈ দাবী জনায়। ধৰ্মঘট কাৰ্যসূচীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নলবাৰী জিলাৰ সমিতিৰ উপদেষ্টা নিৰোদ দাস, মনোৰম কলিতা, যোগেশ কলিতা, উপ-সভাপতি আছিক আহমেদ, সাধাৰণ সম্পাদক কৌশিক বৰ্মন, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতা, যুটীয়া সম্পাদক চিত্তৰঞ্জন তালুকদাৰ, সাংগঠনিক সম্পাদক তাজিমউদ্দিন আহমেদসহ প্ৰায় ডেৰ শতাধিক যুৱ-ছাত্ৰ পৰিষদৰ বিষয়ববীয়া-সদস্য উপস্থিত থাকে।

### গোৰেশ্বৰ-বাইহাটা চাৰিআলিৰ গড়কাপ্তানী পথত দুৰ্ঘটনাত আহত এজন

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ১৭ আগষ্ট ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰ পৰা বাইহাটা চাৰিআলি অভিমুখে গৈ থকা স্কুটী আৰু বাইহাটা চাৰিআলিৰ পৰা গোৰেশ্বৰ অভিমুখে আহি থকা মালবাহী মেজিকৰ মাজত মুখামুখি সংঘৰ্ষ সংঘটিত হয়। কালি সন্ধিয়া সংঘটিত হয় এক পথ দুৰ্ঘটনা। পথৰ দুৰৱস্থাৰ বাবেই এই দুৰ্ঘটনা হোৱাৰ অভিযোগ স্থানীয় ৰাইজৰ। গুৰুতৰভাৱে আহত স্কুটী আৰোহীজন গোৰেশ্বৰৰ মৃণাল কলিতা। উল্লেখ্য যে বিগত সময়ত গোৰেশ্বৰ-বাঙালীপাৰা-বাইহাটা চাৰিআলিৰ সংযোগী গড়কাপ্তানী পথৰ দুৰৱস্থাৰ ফলতে বিগত সময়ত পথ দুৰ্ঘটনাৰ সৃষ্টি হোৱাৰ বহু উদাহৰণ আছে। দুৰ্ঘটনাগ্ৰস্ত স্কুটীখনৰ নম্বৰ এএছ-০১বিই-৪০২৮ আৰু মেজিকখনৰ নম্বৰ এছ-০১ এমচি ৫৮৩৯।

# আমগুৰিত অংগনৱাড়ী গৃহ নিৰ্মাণত ঠিকাদাৰৰ দুৰ্নীতি

## ■ খণ্ড উন্নয়ন বিষয়া-অভিযন্তাৰ সোপাঢিলা নীতি ঃ ৰাইজৰ মাজত প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ১৭ আগষ্ট ঃ** আমগুৰি বিধানসভা সমষ্টিৰ আমগুৰি উন্নয়ন খণ্ডৰ অধীনস্থ লালিম চাপৰি গাঁও পঞ্চায়তৰ ঘৰফলিয়া চামগুৰি ন আলি চুক ৯৬ নম্বৰ অংগনৱাড়ী কেন্দ্ৰ গৃহ নিৰ্মাণত ঠিকাদাৰে বিসংগতিপূৰ্ণভাৱে কাম কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এনে গৃহ নিৰ্মাণত যি ধৰণৰ ৰড ব্যৱহাৰ কৰিব লাগে তেনে ৰড ব্যৱহাৰ নকৰাৰ লগতে অংগনৱাড়ী গৃহটোৰ ৰিংতেলত চাৰিডাল ৰডৰ বিপৰীতে তিনিডাল ৰড ব্যৱহাৰ কৰিছে বুলি অভিযোগ উঠিছে। লালিম চাপৰি অঞ্চলৰ গগৈ উপাধিৰ ঠিকাদাৰৰ নামত আমগুৰি উন্নয়ন খণ্ডৰ পৰা গৃহটো নিৰ্মাণৰ বাবে আবন্টন হৈছিল। উল্লেখ্য যে উক্ত ঠাইৰ পুৰণি অংগনৱাড়ী গৃহটো ভাঙি নতুনকৈ কৰা গৃহটো ঠিকাদাৰে নিৰ্মাণত হেমাহি কৰাৰ বাবে কণ কণ ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছে। গৃহটোৰ পকী বেৰবিলাকত বীমৰ ওপৰত ১০ ইঞ্চিৰ জাপ বা ততোধিক ইটা ব্যৱহাৰ কৰিব লাগিছিল যদিও উক্ত গৃহটোত বীমৰ পৰাই পাঁচ ইঞ্চি পকী বেৰ নিৰ্মাণ কৰাৰ বাবে গৃহটো দুৰ্বল হৈ পৰাৰো অভিযোগ তুলি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ চামগুৰি আঞ্চলিকৰ কল্যাণ তামুলীয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত অভিযোগ কৰিছে। লগতে আমগুৰি খণ্ড উন্নয়ন কাৰ্যালয়ৰ অভিযন্তা হিচাপে গৃহটোৰ তত্বাৱধানত থকা নৱ শইকীয়াক অৱগত কৰাত উক্ত গৃহটোৰ ৰিংতেলসমূহ ভাঙি দিয়া হ'ব বুলি আশ্বাস দিয়াৰ পাছতো কিন্তু বিসংগতিপূৰ্ণ ৰিংতেলসমূহ কিয় ঠিকাদাৰে আজি পৰ্যন্ত নতুনকৈ নিৰ্মাণ কৰিব পৰা নাই তাক লৈ প্ৰশ্ন উত্থাপিত হৈছে। সংশ্লিষ্ট চৰকাৰী গৃহটো বিসংগতিপূৰ্ণ নিৰ্মাণৰ পাছতো আমগুৰি খণ্ড উন্নয়ন বিষয়া-অভিযন্তাই কোনো ব্যৱস্থা গ্ৰহণ নকৰাটো ৰাইজৰ বাবে অবুজ সাঁথৰ হৈ পৰিছে। বিভাগীয় কৰ্তৃপক্ষই তাৎক্ষণিকভাৱে বিংসগিতপূৰ্ণ কামসমূহ নতুনকৈ নিৰ্মাণ কৰাৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাদানৰ সুবিধাৰ্থে গৃহটো নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নকৰিলে আমগুৰি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত ৰাইজৰ সহযোগত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ চামগুৰি আঞ্চলিক সমিতিয়ে হুংকাৰ দিয়াৰ লগতে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰজনক ব্লেকলিষ্টেট কৰাৰ দাবী জনাইছে।

## বাপুজীনগৰ-মৰিয়মনগৰ শ্মশানত

১২ *পৃষ্ঠাৰ পৰা* সংমণ্ডল প্ৰাধিকাৰী বিষয়া জিতেন্দ্ৰ কুমাৰ সিঙে। ইপিনে, অঞ্চলটোৰ প্ৰায় অৰ্ধশতাধিক লোক উপস্থিত থাকি দুই শতাধিক বৃক্ষৰোপণ কৰে বুলি শ্মশান পৰিচালনা সমিতিৰ সভাপতি ধ্বজেন বৰ্মন আৰু সম্পাদক ৰাজমোহন কলিতাই জানিবলৈ দিয়ে।

## ধুহিবালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ

১২ *পৃষ্ঠাৰ পৰা* ড° নাজিমুদ্দিন আহমেদ, ডুমৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ বিমান ভট্টই ধুহিবালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্মৃতি সোঁৱৰী বক্তৃতা দিয়ে। আনহাতে, সভাত মালতি খ্যাত অভিনেত্ৰী মিনাক্ষী ডেকাই অংশগ্ৰহণ কৰি সকলো ৰাইজকে বিভিন্ন অভিজ্ঞতা আৰু নিজৰ অভিনয়ৰ সংলাপৰে ৰাইজক আকৃষ্ট কৰে। মুকলি সভাৰ অন্তত এখন আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

## অৱসৰপ্ৰাপ্ত শিক্ষক-লেখক হৰেন হালৈক

১২ *পৃষ্ঠাৰ পৰা* অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰবীণ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত উত্তৰ হাজো জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি খগেন শইকীয়া, জ্যেষ্ঠ নাগৰিক চন্দ্ৰ মজুমদাৰ, অমূল্য কলিতা, খলিলৰ ৰহমান আৰু ভূষণ শৰ্মাই সমাজৰ উন্নয়নৰ হকে অহোপুৰুষাৰ্থ কৰি কৃতী শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰা হালৈ প্ৰতিষ্ঠিত কবি হিচাপে সাহিত্য ক্ষেত্ৰখনত পৰিচিত হৈছে বুলি মন্তব্য কৰে। মঞ্চৰ সম্পাদক গগন কলিতাই আঁতধৰা অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত শিক্ষকজনে ৰাইজৰ মৰম-স্নেহে তেওঁক জীয়াই থকাৰ প্ৰেৰণা যোগাব বুলি মন্তব্য কৰে।

## আগিয়াত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন

১২ *পৃষ্ঠাৰ পৰা* বাছখনৰ ভিতৰত সকলো সুবিধা উপলব্ধ। শীত-তাপ নিয়ন্ত্ৰিত বাছখনৰ ভিতৰত ২৪ গৰাকী গ্ৰাহকে বহি খাব পৰাৰ সুন্দৰ ব্যৱস্থা আছে। বাছখনৰ চলন্ত অৱস্থাতো গ্ৰাহকে সুন্দৰভাৱে আহাৰ গ্ৰহণ কৰিব পাৰে। বাছখনৰ ভিতৰত ৰন্ধনশালাৰ ব্যৱস্থাত আছে। চলন্ত অৱস্থাতো খাদ্যসম্ভাৰ ৰান্ধি দিয়াৰ অত্যাধুনিক ব্যৱস্থা কৰা হৈছে বাছখনৰ ভিতৰত। মুঠ কথাত ক'বলৈ গ'লে উত্তম নাথৰ অভিনৱ চিন্তাৰ উৎকৃষ্ট ফচল ভ্ৰাম্যমাণ ৰেষ্টুৰেণ্ট 'মিলছ অন হুইলছ'। অসমৰ ভিন্ন প্ৰান্তৰ ভ্ৰমণ বিলাসী খাদ্যৰসিক গ্ৰাহকে ইতিমধ্যে বিভিন্ন অনুষ্ঠানত ৰেষ্টুৰেণ্টখন বুকিঙৰ বাবে হেতাওপৰা লগাইছে বুলি জানিব পৰা গৈছে। লগতে ইতিপূৰ্বে অনলাইনযোগে ২০০ টা বুকিং হৈ গৈছে বুলি উত্তম নাথে জানিবলৈ দিয়ে। উল্লেখ্য যে অসম বা উত্তৰ-পূৰ্বাঞ্চলত বিভিন্ন সময়ত বিভিন্ন ব্যক্তিয়ে 'ফুড ভেন' সৃষ্টি কৰিছে যদিও ভ্ৰাম্যমাণ বা চলন্ত অৱস্থাত আহাৰ গ্ৰহণ কৰিব পৰা ৰেষ্টুৰেণ্ট বাছ 'মিলছ অন হুইলছ'খনেই প্ৰথম। যাৰ ফলত ৰেষ্টুৰেণ্টখন উদ্বোধনৰ লগে লগেই ব্যাপক সহাঁৰি লাভ কৰা পৰিলক্ষিত হৈছে।

## টংলাত গণ অৱস্থান জাতীয়তাবাদী যুৱ-

১২ *পৃষ্ঠাৰ পৰা* অসমীয়া ভাষাত অধ্যয়ন কৰাত অনীহা প্ৰকাশ কৰিব আৰু শিক্ষা জীৱনৰ প্ৰাৰম্ভিক অৱস্থাৰ পৰা অৰ্থাৎ পঢ়াশালিত নামভৰ্তি কৰা সময়তে ইংৰাজী মাধ্যম বাছি ল'ব। যাৰ ফলশ্ৰুতিত অসমৰ অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ অস্তিত্ব নোহোৱা হ'ব। ইয়াৰ সামগ্ৰিক পৰিণতি অসমত অসমীয়া ভাষাৰ প্ৰতি চৰম সংকট নামি আহিব। পুনৰ তেওঁলোকে কয় যে বিগত সময়ছোৱাত ৰাজ্য চৰকাৰ আৰু দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমত মেডিকেল আৰু ইঞ্জিনীয়াৰিং পাঠ্যক্ৰম অসমীয়া ভাষাত কৰা হ'ব বুলি ঘোষণা কৰিছিল। অতি হাস্যস্পদ বিষয়টো হ'ল যে ৰাজ্য চৰকাৰ, প্ৰধানমন্ত্ৰীৰ পূৰ্বৰ ঘোষণা আৰু ৰাজ্য চৰকাৰৰ শেহতীয়া কেবিনেট সিদ্ধান্ত দুয়োটা প্ৰকৃততে স্ববিৰোধী। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে চৰকাৰৰ এনে স্ববিৰোধী আৰু অসমীয়া বিদ্বেষী সিদ্ধান্তক কঠোৰ ভাৱে গৰিহণা জনাইছো। চৰকাৰৰ কু-অভিসন্ধি বা সিদ্ধান্ত বাতিল কৰি অসমৰ প্ৰতিখন চৰকাৰী বিদ্যালয়ত প্ৰতিটো শ্ৰেণীৰ বিপৰীতে এজন শিক্ষক নিযুক্তি দিয়া, বিজ্ঞান শিক্ষাৰ প্ৰতিষ্ঠান নতুনকৈ স্থাপন কৰা আৰু সকলো চৰকাৰী বিদ্যালয়ত শিক্ষা সম্পূৰ্ণ বিনামূলীয়া কৰাৰ দাবীত আজি সমগ্ৰ ৰাজ্যজুৰি গণ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে বুলি জানিব দিয়ে নেতাদ্বয়ে। টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ সন্মুখত ওদালগুৰি জিলা সমিতিৰ উদ্যোগত টংলা আঞ্চলিক সমিতিৰ সৌজন্যত অনুষ্ঠিত কৰা কাৰ্যসূচীত জিলা আঞ্চলিকসমূহৰ বিষয়ববীয়াৰ উপস্থিতিত যুৱ-ছাত্ৰ পৰিষদ, ওদালগুৰি জিলা সমিতিৰ সভাপতি কণ্ঠ কুমাৰ দাস আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক দেৱজিৎ দাস স্বাক্ষৰিত স্মাৰকপত্ৰ জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

## অ'এনজিচিৰ বিষয়া-ঠিকাদাৰে শ্ৰমিকৰ

১২ *পৃষ্ঠাৰ পৰা* ঠিকাদাৰ তথা মালিক পূৰ্ণজ্যোতি ফুকনে শ্ৰমিকসকলৰ এ টি এম কাৰ্ড নিজৰ হাতত ৰাখি কেউজনৰ একাউন্টৰ পৰা ধন মোকলাই আনে আৰু চালকসকলক ২২ হেজাৰ টকাকৈ আৰু সহায়কসকলক ১৮ হেজাৰ টকাকৈ নগদ ধন আদায় দি বাকী ধন নিগমৰ সংশ্লিষ্ট বিভাগৰ বিষয়া আৰু ঠিকাদাৰে লুণ্ঠন কৰি আহিছে। নিগমৰ বিষয়া আৰু ঠিকাদাৰৰ এই লুণ্ঠন কাৰ্যৰ বিষয়ে জানিব পাৰি শ্ৰমিকসকলে অ' এন জি চিৰ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালক, ল'জিষ্টিক বিভাগৰ কৰ্তৃপক্ষ, শ্ৰম আয়ুক্ত, জিলা উপায়ুক্ত আৰু নাজিৰা মহকুমাৰ মহকুমাধিপতিক সমগ্ৰ বিষয়টো সন্দৰ্ভত ন্যায় বিচাৰি অভিযোগ দাখিল কৰাত ইতিমধ্যে নিগমৰ সংশ্লিষ্ট বিভাগৰ বিষয়া আৰু ঠিকাদৰে মিলি নীতি বৰ্হিভুতভাৱে উক্ত ১২জন শ্ৰমিক তথা চালক, সহায়কক কামৰ পৰা চাটাই কৰিছে। এনে কাৰ্যৰ বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি 'বৃহত্তৰ অসমীয়া যুৱ মঞ্চ'ৰ গেলেকী আঞ্চলিক সমিতি আৰু অবিভক্ত গেলেকী তৈলক্ষেত্ৰ নিবনুৱা আৰু শ্ৰমিক-কৰ্মচাৰী সংস্থাই বিষয়টোৰ সন্দৰ্ভত ন্যায়িক তদন্ত কৰি শ্ৰমিকৰ ন্যাৰ্য প্ৰাপ্য ধন আদায় দিয়াৰ লগতে দোষিক দৃষ্টান্ত মূলক শাস্তিৰ দাবী জনাই উজনি অসমৰ শ্ৰম আয়ুক্ত, শিৱসাগৰ জিলা উপায়ুক্ত, নাজিৰা মহকুমাৰ মহকুমাধিপতি, অ' এন জি জি চিৰ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালক আদিক স্মাৰকপত্ৰ প্ৰদান কৰিছে। এই সন্দৰ্ভত যদি তৎকালীনভাৱে যদি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে ন্যায়ালয়ৰ কাষ চপাৰ উপৰি তীব্ৰ প্ৰতিবাদী আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি স্মাৰকপত্ৰ যোগে সকীয়াই দিয়ে।

## সৌন্দৰ্যবৰ্ধনৰ নামত এখোজ কিংশুক

১২ *পৃষ্ঠাৰ পৰা* আনহাতে, উপ-পৌৰপতি প্ৰদীপ দাসে নগৰখনৰ উন্নয়নৰ বাবে তেওঁলোকে কেতবোৰ পদক্ষেপ হাতত লৈছে বুলি উল্লেখ কৰি সেইসমূহ সফল ৰূপায়ণৰ ক্ষেত্ৰত সকলো শ্ৰেণীৰ নাগৰিকৰ সহযোগিতা কামনা কৰে। আনহাতে, সমগ্ৰ মৰিয়নি নগৰ চিচি টিভিৰে সংযোগ কৰিব বুলিও উল্লেখ কৰি ইতিমধ্যেই চিচি টিভি সংস্থাপনৰ প্ৰাৰম্ভিক কাম আৰম্ভ হোৱা বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে চিচি টিভি সংস্থাপন হ'লে এনে ব্যৱস্থা থকা যোৰহাট জিলাৰ প্ৰথমখন নগৰ হিচাপে মৰিয়নি নগৰ বিবেচিত হ'ব। দিব্যজ্যোতি শইকীয়াই আঁতধৰা অনুষ্ঠানটোত কিংশুক ক্ৰীড়া-সাংস্কৃতিক চ'ৰাৰ সভাপতি- বিশিষ্ট শিল্পী তৰুণ শইকীয়াই উদ্যানখন পুনৰ্নিৰ্মাণ কৰি দিয়াৰ বাবে মৰিয়নি পৌৰসভাক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে প্ৰায় ২৫ বছৰৰো অধিক সময়ৰ পূৰ্বে মৰিয়নিৰ অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান কিংশুকে এই উদ্যানখন নিৰ্মাণ কৰিছিল। শেহতীয়াকৈ নগৰখনৰ সৌন্দৰ্যবৰ্ধনৰ বাবে মৰিয়নি পৌৰসভাই এই উদ্যানখন আটকধুনীয়াকৈ পুনৰ্নিৰ্মাণ কৰি উলিয়ায়। ৰঙীন ৱাটাৰ ফাউণ্টেইন, লাইট আদিৰ লগতে 'আই লাভ মৰিয়নি' লিখা গ্ল'চাইন সংযোজন ঘটাই ছেল্ফি পইন্ট স্থাপন কৰাত উদ্যানখনে ৰাইজক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কিংশুক উদ্যানৰ মুকলি অনুষ্ঠানত মৰিয়নি পৌৰসভাৰ পৌৰ সদস্য কাজল ভট্টাচাৰ্য, বিজন মজুমদাৰ, শংকৰ চক্ৰৱৰ্তী, ৰঞ্জুশ্ৰী দাস, কিংশুক চ'ৰাৰ প্ৰতিষ্ঠাপক সম্পাদক-শিক্ষাবিদ ৰঞ্জিত গোহাঁইবৰুৱা, মৰিয়নি চেম্বাৰ্চ অৱ কমাৰ্চৰ ভাৰপ্ৰাপ্ত সম্পাদক মানৱ দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰূপ চেতিয়া, সমাজকৰ্মী অজিত শইকীয়া, কিংশুকৰ প্ৰাক্তন সম্পাদক দিলীপ চাহু, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দ্বীপ দত্ত, আদি বহুসংখ্যক লোক উপস্থিত থাকে। এই অনুষ্ঠানতে কিংশুক উদ্যানৰ চাবি কিংশুক চ'ৰাক অৰ্পণ কৰে। ন-ৰূপত আটকধুনীয়াকৈ নিৰ্মাণ কৰি তোলা কিংশুক উদ্যানে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে নগৰখনৰ সৌন্দৰ্যবৰ্ধনৰ ক্ষেত্ৰত এক ইতিবাচক পদক্ষেপৰূপে বিবেচিত হৈছে।

# ৰঙাপৰাৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত শ্ৰেণী-আৱাসিক কোঠা মুকলি

**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ১৭ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত ২০০৮ত স্থাপিত হোৱা কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত নিৰ্মীয়মাণ এটা শ্ৰেণী কোঠা আৰু আৱাসিক কোঠা আজি মুকলি কৰে জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই। আৱাসিক শিক্ষানুষ্ঠানখনত অসম চৰকাৰৰ সৰ্বশিক্ষা অভিযান মিছনৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ নৱম-দশম শ্ৰেণীৰ কোঠা আৰু আৱাসিক গৃহটি মুকলি কৰে। নিৰ্মীয়মাণ আৱাসিক কোঠাত অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে বালিপৰা শিক্ষা খণ্ডৰ বিষয়া মনিশ ঠাকুৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষয়িত্ৰী পম্পী মিশ্ৰই আৰু প্ৰতিবেদন পাঠ কৰে বিদ্যালয়ৰ ৱাৰ্ডেন মৃদুস্মিতা কলিতাই। মুখ্য অতিথি তথা শোণিতপুৰ জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় শিক্ষয়িত্ৰী সংহিতা শইকীয়াই। ছাত্ৰীসকলক উদ্দেশ্য কৰি উপায়ুক্তজনে অতি সুন্দৰ ভৱিষ্যৎ জীৱনৰ বাবে গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়ায়। সভাখনত বিদ্যালয়খনৰ ছাত্ৰীসকলে এটি সমবেত সংগীত পৰিৱেশন কৰে। ছাত্ৰীসকলে লিখি উলিওৱা 'অন্বেষা' নামৰ প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে শোণিতপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত দেৱতি বৰাই। সভাত চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়া অদিতি গগৈ, শোণিতপুৰ জিলা প্ৰকল্প বিষয়া মনোজ কুমাৰ গোহাঁই, সমাজকৰ্মী বলেন চক্ৰৱৰ্তী, ৰঙাপৰা আৰক্ষী থানাৰ বিষয়া দেৱেন বৰা, বিদ্যালয়ৰ গাণনিক নিৰঞ্জন শইকীয়া, নিলাক্ষী শৰ্মা, ৰিজু পেগু, অৰ্ণিতা দত্তৰ লগতে সমূহ কৰ্মচাৰী আৰু ছাত্ৰীসকল উপস্থিত থাকে।

# ৰাজহুৱা খণ্ডৰ বিদ্যালয়সমূহত টিউছন মাচুল পিপিপি মডেল গঢ়ি ব্যক্তিগতকৰণ




**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ১৭ আগষ্ট ঃ** অসম চৰকাৰে ৰাজহুৱা খণ্ডৰ স্কুলসমূহত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ টিউছন ফিজ ৭০ টকাৰ পৰা ১২০ টকালৈ বৃদ্ধি কৰা, ৰাজহুৱা মডেল স্কুলত ছাত্ৰ-ছাত্ৰীৰ মাহিলি মাচুল তিনিশ টকা কৰা আৰু পুঁজিৰ অভাৱৰ কথা দোহাই দি ৰাইজ তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি স্কুল পৰিচালনা কৰাৰ শিক্ষা বিৰোধী সিদ্ধান্তক তীব্ৰ বিৰোধিতা কৰি ছাত্ৰ সংগঠন এআইডিএছঅ'ৰ লখিমপুৰ জিলা কমিটীয়ে লখিমপুৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ সন্মুখত আজি এক বিক্ষোভ কাৰ্যসূচীত সংগঠনৰ কৰ্মীৰ লগতে ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি ওপৰত উল্লেখিত দাবীৰ সমৰ্থনত শ্ল'গানেৰে পৰিদৰ্শকৰ কাৰ্যালয় চৌহদ উত্তাল কৰি তোলে। এই সন্দৰ্ভত এআইডিএছঅ' লখিমপুৰ জিলা কমিটীৰ সম্পাদক ভাইটি চুংক্ৰাঙে কয় যে ৰাজহুৱা স্কুলসমূহ ব্যক্তিগত মালিকৰ হাতত গতাই দিয়াৰ যি চক্ৰান্ত চৰকাৰে চলাইছে তাৰ বিৰুদ্ধে আমি সজোৰে প্ৰতিবাদ জনাই এই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পৰা মাচুল সংগ্ৰহৰ যি প্ৰক্ৰিয়া তাৰো কমিটীয়ে ঘোৰ বিৰোধিতা কৰিছে। উল্লেখ্য যে কমিটীয়ে উত্থাপন কৰা দাবীৰ সমৰ্থনত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে কমিটীয়ে উল্লেখ কৰা অনুসৰি জাতীয় শিক্ষা নীতি ২০২০ ৰাজ্যত দ্ৰুত বাস্তৱায়িত কৰাৰ আচল উদ্দেশ্য হৈছে শিক্ষা ব্যৱস্থাৰ সামগ্ৰিক ব্যক্তিগতকৰণ আৰু ব্যৱসায়ীকৰণৰ বাট মুকলি কৰি দিয়া। আজি এই বিক্ষোভ কাৰ্যসূচীত কমিটীৰ সম্পাদক ভাইটি চুংক্ৰাং, সভাপতি জোনমণি মিৰি প্ৰমুখ্যে কমিটীৰ অন্যান্য সদস্যসকল উপস্থিত থাকে।

### এআইডিএছঅ'ৰ বিক্ষোভ কাৰ্যসূচী

# স্বাধীনতা দিৱসত কৃষকক সম্বৰ্ধনা জ্ঞাপন



**মুকালমুৱা, ১৭ আগষ্ট ঃ** স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি নলবাৰী জিলাৰ জলসিঞ্চন বিভাগৰ বৰক্ষেত্ৰী উপ-সংমণ্ডলত বৰক্ষেত্ৰী সমষ্টিৰ প্ৰায় ৪০ কৃষকক বিশেষভাৱে সম্বৰ্ধনা জনাই স্বাভাৱিকতে প্ৰশংসিত হৈছে জলসিঞ্চন বিভাগ। এই উদ্দেশ্যে মুকালমুৱাস্থিত জলসিঞ্চন বিভাগৰ বৰক্ষেত্ৰী উপ-সংমণ্ডল কাৰ্যালয়ৰ চৌহদত সহকাৰী কাৰ্যবাহী অভিযন্তা সুব্ৰত সিংহৰ সভাপতিত্বত এখন কৃষক সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। সভাত ভাষণ দি জলসিঞ্চন বিভাগৰ ধৰ্মপুৰ-বৰক্ষেত্ৰী-নলবাৰী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা দেব কুমাৰ চৌধুৰীয়ে কয় যে জলসিঞ্চন বিভাগে কৃষকৰ খেতিপথাৰত উপযুক্ত সময়ত পানী যোগান ধৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই আছে। বৰক্ষেত্ৰী সমষ্টিৰ যিখিনি কৃষিভূমিত জলসিঞ্চনৰ পাম্প বিকল হৈ আছে সেইখিনি অতি সোনকালে মেৰামতি কৰি খেতিপথাৰত পানী যোগানৰ সুচল কৰা হ'ব। তদুপৰি বৰক্ষেত্ৰীৰ চৰাঞ্চলকে ধৰি কে'বাখনো খেতিপথাৰত বিদ্যুৎ চালিত আৰু সৌৰশক্তি চালিত কে'বাটাও পাম্প নতুনকৈ বহুওৱাৰ বাবে বিভাগীয়ভাৱে প্ৰস্তাৱ দিয়া হৈছে বুলি কাৰ্যবাহী অভিযন্তা চৌধুৰীয়ে সভাত সদৰী কৰে। জলসিঞ্চন বিভাগৰ ধৰ্মপুৰ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা জ্যোৰ্তিময় সেন ডেকায়ো অংশগ্ৰহণ কৰা সভাত উপস্থিত থকা বহুকেইগৰাকী কৃষকে কয় যে এতিয়া বৰক্ষেত্ৰীৰ খেতিয়কসকলে আগৰ দৰে এদৰা কৃষিভূমিত বছৰেকত এটা খেতি কৰিয়েই সন্তুষ্টি লাভ কৰা নাই। মুকালমুৱা, লোহাৰকাঠা শইকীয়াপাৰা, কুৰোবৰী, বৰভাগ আদি গাঁৱৰ বহু কৃষকে বছৰেকত এডৰা কৃষিভূমিত তিনিটাকৈ খেতি কৰি শস্য উৎপাদন কৰিবলৈ সক্ষম হৈছে। লক্ষ্যণীয় যে কৃষকসকলে এডৰা মাটিত বছৰেকত তিনিটা খেতি কৰাৰ কৃতিত্ব কিন্তু ৰাজ্যৰ কৃষি বিভাগৰ নহয়। কৃষকসকলৰ নিজাববীয়া প্ৰচেষ্টাৰ ফলতহে তিনিটা খেতি সম্ভৱ হৈ আছে।

# অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান শিৱসাগৰ জিলাৰ অধীনত সজাগতা সভা

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১৭ আগষ্ট ঃ** স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে ৰাষ্ট্ৰই পালন কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশস্বৰূপে 'হৰ ঘৰ ত্ৰিৰংগা' অভিযান সন্দৰ্ভত এখন সজাগতা সভা যোৱা ১৪ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰ মহাবিদ্যালয়ৰ মাধৱচন্দ্ৰ বেজবৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান শিৱসাগৰৰ ১৫ টা মণ্ডল সংগঠনৰ মহিলা প্ৰতিনিধিৰ লগতে অভিযানৰ সমূহ বিষয়ববীয়া তথা কৰ্মচাৰীসকলৰ অংশগ্ৰহণেৰে এক বৰ্ণাঢ্য শোভাযাত্ৰাৰে আৰম্ভণি কৰা এই অনুষ্ঠানত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান শিৱসাগৰ জিলাৰ অধীনত বেংকৰ ঋণ লাভ কৰা ১৭৩ টা আত্মসহায়ক গোটৰ অন্তৰ্গত ১৫ টা আত্মসহায়ক গোটক সৰ্বমুঠ ৪৬,১০,০০০ টকাৰ বেংক ঋণৰ প্ৰতীকী চেক, পাঁচ গৰাকী উদ্যোগী মহিলালৈ 'প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগ আনুষ্ঠানিকীকৰণ' আঁচনিৰ অধীনত ১,৩৫,৪০০ টকাৰ চেক, 'অসমী গ্ৰামীণ এক্সপ্ৰেছ' আঁচনিৰ অধীনত ছয়গৰাকী মহিলাক ছয়খন ই-ৰিক্সা বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানত দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনাৰ অধীনত বিদ্যাপীঠ এডুকেছনেল ট্ৰাষ্টৰ পৰা নৱগিৰি এপাৰেলত চাকৰি লাভ কৰা ৪২ গৰাকী যুৱতীৰ ভিতৰত ১০ গৰাকী যুৱতীক নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। মহাবিদ্যালয় প্ৰাংগণত শিৱসাগৰ জিলাৰ পাঁচোটা উন্নয়ন খণ্ডৰ অধীনৰ আত্মসহায়ক গোটৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ এখন প্ৰদৰ্শনী মুকলি কৰাৰ লগতে দেশপ্ৰেমক মূল বিষয় হিচাপে ৰাখি জিলাখনৰ মণ্ডল সংগঠনকেইটাৰ পৰা নিৰ্বাচিত চিত্ৰৰ এখন প্ৰদৰ্শনী আয়োজিত হয়। দেশপ্ৰেমৰ আধাৰত দিনজোৰাকৈ আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত জিলাখনৰ মণ্ডল সংগঠনসমূহক প্ৰতিনিধিত্ব কৰা অংশগ্ৰহণকাৰীসকলে নৃত্য, গীতৰ সমাহাৰেৰে উপস্থিত সকলোকে মুগ্ধ কৰে। অনুষ্ঠানত শিৱসাগৰ জিলাৰ পাঁচটা উন্নয়ন খণ্ডৰ আত্মসহায়ক গোটৰ মহিলাসকলে কৰি থকা বিভিন্ন জীৱিকাসমূহক উপস্থাপন কৰি প্ৰস্তুত কৰা এক তথ্যচিত্ৰ মুকলি কৰা হয়।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, শিৱসাগৰৰ পাঁচটা উন্নয়ন খণ্ডৰ ১৫টা মণ্ডল সংগঠনৰ পৃষ্ঠপোষকতাত আৰু জিলা অভিযান পৰিচালনা শাখাৰ সহযোগত আয়োজিত এই অনুষ্ঠানত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, শিৱসাগৰ মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰফুল্ল কলিতা, শিৱসাগৰ জিলা পৰিষদৰ সভাপতি ধ্ৰুৱজ্যোতি মাউৎ, ডাঃ সুৰেণ কুমাৰ গগৈ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰৱন্ধক উপস্থিত থাকে।

### বছাপথাৰত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ১৭ আগষ্ট ঃ** ভোগদৈ আৰক্ষী চকীৰ অন্তৰ্গত বছাপথাৰত আজি পুৱা এটা মৃতদেহ পথচাৰীয়ে প্ৰত্যক্ষ কৰি ভোগদৈ আৰক্ষীক খবৰ দিয়ে। ভোগদৈ আৰক্ষী চকীৰ আৰক্ষীয়ে আহি মৃতদেহটো উদ্ধাৰ কৰি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৃতদেহটো চেনীজান ভকত গাঁৱৰ শশাংকৰ বৰবড়া (২১) বুলি চিনাক্ত হৈছে। কিন্তু মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই।

# কেন্দ্ৰীয় সাংস্কৃতিক যুৱ সংঘ, টীয়কৰ প্ৰতিষ্ঠা দিৱস




**অগ্ৰদূত বাৰ্তা**
**টীয়ক, ১৭ আগষ্ট ঃ** যোৰহাট টীয়কৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান তথা অসমৰ এক আগশাৰীৰ ভাওনা দল কেন্দ্ৰীয় সাংস্কৃতিক যুৱ সংঘ, টীয়কৰ ১০ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে জগদুৱাৰ নাৰেং পাছনি গাঁৱৰ নামঘৰত অনুষ্ঠিত হয়। আধ্যাত্মিক আৰু সাত্বিক ভাবাদৰ্শৰে সাংস্কৃতিক দিশত প্ৰচাৰ আৰু প্ৰসাৰৰ মাজেদি সমাজত সুস্থ সাংস্কৃতিক পৰিমণ্ডল সূচনা কৰাৰ লক্ষ্য আৰু আদৰ্শৰে ১০ টা বৰ্ষত ভৰি দিয়া অনুষ্ঠানৰ প্ৰতিষ্ঠা দিৱসৰ পুৱাতে জাতীয় পতাকা উত্তোলনেৰে আৰম্ভ কৰে বয়োজ্যেষ্ঠ ব্যক্তি মুক্তিযোদ্ধা প্ৰফুল্ল কাকতিয়ে। চন্দ্ৰ চুতীয়াই কেন্দ্ৰীয় সাংস্কৃতিক যুৱ সংঘৰ পতাকা উত্তোলনৰ পাছত স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণ কৰা হয়। জগদুৱাৰ নাৰেং পাছনী গাঁৱৰ ৰাইজৰ আতিথ্যত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ পুৱাৰ ভাগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰায় ডেৰ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ধৰ্মীয় নাম-প্ৰসংগৰ পাছতে অনুষ্ঠিত কৰা আলোচনা সত্ৰ আৰু বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰা দিহা সম্প্ৰায় বকুল বন বঁটাপ্ৰাপক বিশিষ্ট লোকশিল্পী কমলা গগৈয়ে। টীয়কৰ অগ্ৰণী শিক্ষানুষ্ঠান জ্যোতি বিদ্যাপীঠৰ অধ্যক্ষ প্ৰশান্ত কুমাৰ দাসৰ সঞ্চালনাত আলোচনা সত্ৰৰ আলোচকৰূপে উপস্থিত থাকে বিশিষ্ট ভাৱৰীয়া, বিচাৰক দিগন্ত শইকীয়া। শিৱসাগৰৰ এজন বিশিষ্ট ভাওনা সংস্কৃতিৰ সাধক নাট ৰূপকাৰ উৎপল খনিকৰ আৰু সুদক্ষ ভাৱৰীয়া, প্ৰশিক্ষক সৌৰভ শইকীয়া, ভাওনা সৌৰভ সন্মান প্ৰাপক, যুৱ পৰিচালক বিমান শইকীয়াই আঁত ধৰা আলোচনা সত্ৰত 'মাতৃভাষা ভাওনা ঃ প্ৰদৰ্শন আৰু প্ৰতিযোগিতা' শীৰ্ষক বিষয়টোক ওপৰত তিনিওজন আলোচকৰ যুক্তিপূৰ্ণ সাৱলীল আলোচনাৰে বৌদ্ধিক পৰিৱেশ সৃষ্টি হোৱাৰ লগতে অনুষ্ঠানত বিশিষ্ট আমন্ত্ৰিত অতিথি হিচাপে আসন অলংকৃত কৰে বিশিষ্ট লোকশিল্পী 'ঐতিহ্য সেউজ কণ্ঠ সন্মান' প্ৰাপক মাজুলীৰ যতীন বৰা, সত্ৰীয়া সংস্কৃতিৰ সাধক মুদৈজান সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ ভূঞা, বিশিষ্ট অধিবক্তা বিশ্বজিত নাথ, টীয়ক জ্ঞানজ্যোতি বিদ্যাপীঠৰ সঞ্চালক ৰঞ্জন বৰা, ৰেঙণি এটি আশাৰ সঞ্চালক বিজু শৰ্মা, যুৱ অধিবক্তা তথা সাংবাদিক ৰাজা শইকীয়া, শিক্ষক তথা যোৰহাটৰ এজন সাংস্কৃতিক কৰ্মী দিগন্ত বৰা সত্ৰীয়া সংস্কৃতিৰ এগৰাকী যুৱ সাধক যতীন্দ্ৰ মহন্ত আৰু ছাত্ৰকৰ্মী ৰিতম দত্ত। অসমৰ এগৰাকী বিশিষ্ট সংগীত শিল্পী পংকজজ্যোতি বৰুৱাৰ কণ্ঠৰ মংগলাচৰণেৰে আৰম্ভ কৰা বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীত নামনি অসমৰ জনপ্ৰিয় ভোৰতাল নৃত্য প্ৰদৰ্শন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে মুদৈজান সংগীত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে। যুৱ প্ৰজন্মৰ প্ৰতিভাৱান কণ্ঠশিল্পী নিকিতা শইকীয়াৰ বৰগীত পৰিৱেশন অনুষ্ঠানৰ অন্যতম এক আকৰ্ষণ আছিল। নিশালৈ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত কেন্দ্ৰীয় সাংস্কৃতিক যুৱ সংঘৰ শিল্পীসকলে প্ৰদৰ্শন কৰে মহাপুৰুষীয়া নাট 'কুৰ্ম অৱতাৰ' ভাওনা।

# খহনীয়া ৰোধৰ বাবে সোণাপুৰত মানৱ শৃংখলেৰে প্ৰতিবাদ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**বৰপেটা/কলগাছিয়া, ১৭ আগষ্ট ঃ** খহনীয়াৰ কৱলত পৰি নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম হোৱা এখন গাঁও ৰক্ষাৰ দাবীত ওলাই আহিল গাঁওবাসী। জনীয়া সমষ্টিৰ অন্তৰ্গত তথা বাঘবৰ ৰাজহ চক্ৰৰ সোণাপুৰ গাঁৱৰ পুৰুষ-মহিলা, ছাত্ৰ-ছাত্ৰীসকলোৱে বেঁকী নদীৰ পাৰত সমবেত হৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে মানৱ শৃংখলেৰে প্ৰতিবাদ সাব্যস্ত কৰি উত্তাল কৰি তোলে। উল্লেখ্য যে বৰপেটা জিলাৰ দক্ষিণ-পশ্চিম অঞ্চলত বেঁকী নৈৰ খহনীয়াই সম্প্ৰতি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। উল্লেখ্য যে জনীয়া সমষ্টিৰ অন্তৰ্গত তথা সোণাপুৰ-ৰুবী গাঁও পঞ্চায়তৰ অধীনস্থ সোণাপুৰ গাঁৱৰ বিস্তীৰ্ণ কৃষিভূমি তথা আবাসিক অঞ্চল ৯০ৰ দশকতে বেঁকীৰ খহনীয়াত জাহ গৈছিল । সেইসময়ত গাঁৱখনৰ বহুকেইটা পৰিয়ালে খহনীয়াত ভেটি-মাটি হেৰুৱাই অন্য ঠাইলৈ স্থানান্তৰ হ'ব লগা হৈছিল। সম্প্ৰতি গাঁওখনত প্ৰায় ৭০ টা পৰিয়ালে বাস কৰে। সম্প্ৰতি সৃষ্টি হোৱা বেঁকীৰ খহনীয়াৰ কৱলত পৰি মাটি-ভেটি হেৰুৱাৰ আশংকাত ভুগিছে গাঁওখনৰ বাসিন্দাসকলে। যোৱা কিছুদিন ধৰি সৃষ্টি হোৱা খহনীয়াৰ ফলত ইতিমধ্যে গাঁওখনৰ পুনৰ ২৬ টা পৰিয়ালৰ ঘৰ-মাটি নদীৰ বুকুত জাহ গৈছে। গাঁওখনত শিক্ষানুষ্ঠান হিচাপে থকা একমাত্ৰ চৰকাৰী বিদ্যালয় দুখনো খহনীয়াৰ কৱলত পৰি নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। আজি স্থানীয় ৰাইজে হাতে হাতে বেনাৰ, প্লেকাৰ্ড লৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰী লোকসকলে 'খহনীয়াৰ পৰা সোণাপুৰ গাঁও ৰক্ষা কৰক, খহনীয়াত ক্ষতিগ্ৰস্ত লোকক পুনৰ সংস্থাপন দিয়ক' আদি বিভিন্ন শ্ল'গান দিয়ে। আনহাতে, এই প্ৰতিবাদী কাৰ্যসূচীত সোণাপুৰ প্ৰাথমিক বিদ্যালয় আৰু সোণাপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি 'আমাৰ বিদ্যালয় ৰক্ষা কৰক, আমাৰ গাঁও ৰক্ষা কৰক' আদি বিভিন্ন শ্ল'গান দিয়ে। দিনৰ ১১ বজাৰ পৰা ১২ বজালৈ ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাইজৰ দলৰ সম্পাদক আশ্ৰাফুল ইছলামে কয় যে বেঁকী নদীৰ দুয়োপাৰে থকা জনীয়া সমষ্টিৰ এটা বৃহৎ অঞ্চল খহনীয়াপ্ৰৱণ অঞ্চল। কেইটামান দিনৰ ভিতৰতে সোণাপুৰ গাঁৱত বেঁকীয়ে খহনীয়াৰ সৃষ্টি কৰি বহুকেইটা পৰিয়ালক গৃহহীন কৰাৰ লগতে সমগ্ৰ গাঁওখনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে বুলিও আশ্ৰাফুল ইছলামে মন্তব্য কৰে। তেওঁ কয় যে জনীয়া সমষ্টিৰ বিধায়ক হাফিজ ৰফিকুল ইছলামে এইবাৰৰ স'তে তিনিবাৰকৈ সমষ্টিটোত বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। কিন্তু নিৰ্বাচনৰ সময়ত খহনীয়া সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিয়া জনপ্ৰতিনিধিয়ে নিৰ্বাচনত জয়লাভ কৰাৰ পাছতে পাহৰি যায় বুলিও ৰাইজৰ দলৰ সম্পাদকজনে উল্লেখ কৰে। বৰ্তমানৰ বৰপেটাৰ সাংসদ আব্দুল খালেকেও জনীয়া সমষ্টিক দুবাৰকৈ বিধায়কৰূপে প্ৰতিনিধিত্ব কৰিছিল বুলি উল্লেখ কৰি আশ্ৰাফুলে কয় যে সাংসদজনেও খহনীয়া সমস্যা সমাধানৰ বাবে ব্যৱস্থা নকৰিলে। প্ৰতিবাদী কাৰ্যসূচীৰ পাছতে স্থানীয় ৰাইজে বৰপেটাৰ উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰখনৰ জৰিয়তে সোণাপুৰ গাঁৱৰ একমাত্ৰ শিক্ষানুষ্ঠান এল পি আৰু এম ই স্কুল ৰক্ষাৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা, খহনীয়াত গৃহহীন আৰু ভূমিহীন হোৱা পৰিয়ালক ক্ষতিপূৰণসহ পুনৰসংস্থাপন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা, সোণাপুৰ গাঁও খহনীয়াৰ পৰা ৰক্ষা কৰিবৰ কাৰণে স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।



# আৰক্ষী গৈ অৱনমিত কৰিব লগা হৈছে ৰাষ্ট্ৰীয় পতাকা



**জাঁজী, ১৭ আগষ্ট ঃ** স্বাধীনোত্তৰ ৭৫ সংখ্যক বৰ্ষপূতিৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস এইবাৰ দেশবাসীয়ে আজাদী কী অমৃত মহোৎসৱ আয়োজনেৰে ধুমধামেৰে আয়োজন কৰে। ত্ৰিৰংগাৰ নামত সংগ্ৰহ হ'ল কোটি টকা। কাৰোবাৰ ঘৰত যদি প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰিবলৈ অৰ্থৰ অভাৱ কিন্তু তেনে এঘৰ দৰিদ্ৰ লোকেও ক্ৰয় কৰিবলগীয়া হৈছে তিনিখনকৈ ত্ৰিৰংগা। তাৎপৰ্যপূৰ্ণ বিষয় যে দেশৰ সাংস্কৃতিক মন্ত্ৰণালয়ে 'হৰ ঘৰ ত্ৰিৰংগা' শীৰ্ষক শ্ল'গান দি দেশৰ প্ৰতিঘৰ লোকে ঘৰৰ চৌহদত ৰাষ্ট্ৰীয় পতাকা উৰাই দেশ প্ৰেমৰ নিদৰ্শন দাঙি ধৰাৰ সময়তে স্বাধীনতা দিৱস উকলি যোৱা দুটা দিনৰ পাছতো টীয়কৰ বহু লোকৰ ঘৰত আজিও উৰি থাকিল ৰাষ্ট্ৰীয় পতাকা। চৰকাৰী নিৰ্দেশনা তথা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৫ আগষ্টৰ আবেলি পাঁচ বজাৰ লগে লগে সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে ৰাষ্ট্ৰীয় পতাকা অৱনমিত কৰিবৰ বাবে অনুৰোধ জনাইছিল যদিও সেই নিৰ্দেশনাক আওকাণ কৰি আজি দুটা দিন উকলি যোৱাৰ পাছতো দেখা গ'ল ৰাষ্ট্ৰীয় পতাকাক চৰম অপমান। যাৰ পৰিপ্ৰেক্ষিতত আজি টীয়ক আৰক্ষী থানাৰ এটি দলে যিসকল নাগৰিক তথা ব্যৱসায়িক প্ৰতিষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন হৈ আছিল সেইসকলৰ ঘৰ বা ব্যৱসায়িক প্ৰতিষ্ঠানৰ পতাকা সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে অৱনমিত কৰে। আনফালে, যিসকল লোকে আজিও পতাকা উত্তোলন কৰি থৈছে সেইসকলক ৰাষ্ট্ৰীয় মৰ্যাদাৰে পতাকা অৱনমন কৰিবলৈ টীয়ক ৰাজহ চক্ৰ বিষয়া শৌভিক ভূঞাই ৰাইজক অনুৰোধ কৰিছে।

# টেঙাখাতত তিনিটা পানী মটৰসহ চোৰ গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ১৭ আগষ্ট ঃ** টেঙাখাত আৰক্ষী থানাৰ আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি যোৱা নিশা ৰংচঙী গাঁৱত বিকাশ সোণোৱাল (২৬) নামৰ এজন গভাইত চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। চোৰটোৱে বহুদিনৰ পৰা ৰংচঙী অঞ্চলটোৰ ওচৰে-পাঁজৰে কে'বাখনো বিদ্যালয়ত পানী মটৰ চুৰি কাৰ্য সংঘটিত কৰি আহিছিল। চোৰটোৰ স্বীকাৰোক্তিৰ মতে চুৰি কৰি আনি বিক্ৰী কৰা তিনিটা পানীমটৰ ক্ৰয় কৰা তিনিজন লোকৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰে। টেঙাখাত থানাত এই সংক্ৰান্তত এক গোচৰ ৰুজু কৰি আজি ভাৰতীয় দণ্ডবিধিৰ ৩৭৯ ধাৰাত বিকাশ সোণোৱালক গ্ৰেপ্তাৰ কৰি ডিব্ৰুগড় জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে।




# কচুৱা আদৰ্শ চিকিৎসালয়ত তিনিদিন ধৰি উৰি থাকিল ৰাষ্ট্ৰীয় পতাকা

**অগ্ৰদূত বাৰ্তা**
**কচুৱা, ১৭ আগষ্ট ঃ** কচুৱা আদৰ্শ চিকিৎসালয়ৰ ১৫ আগষ্টৰ পুৱা উত্তোলন কৰা স্বাধীনতা দিৱসৰ পতাকাখন একে ৰাহে তিনিদিন উৰি থকা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ১৫ আগষ্টত উত্তোলন কৰা পতাকাখন বিয়লি নিৰ্দিষ্ট সময়ত নমোৱাৰ সলনি আজিলৈকে উৰি থকাত স্থানীয় একাংশ সচেতন মহলৰ চকু কপালত উঠিছে। এই খবৰ স্থানীয় সংবাদ মাধ্যমৰ সংবাদ কৰ্মীসকলে জানিব পাৰি ঘটনাস্থলীত উপস্থিত হয়। তেতিয়াহে সাৰ পায় চিকিৎসালয়ৰ কৰ্তৃপক্ষই। লৰালৰিকৈ চিকিৎসালয়ৰ এগৰাকী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আগবাঢ়ি আহি দিনৰ প্ৰায় ১১ বজাত পতাকাখন নমায়। ইপিনে, কৰ্মচাৰীজনে নমোৱাৰ সময়ত পতাকাখনক মৰ্যাদা দি নমোৱা নাছিল। পতাকাখন নমোৱাৰ সময়ত লোকজনৰ পতাকাৰ একাংশ ভৰিৰ গচকত পৰে। পতাকাখনৰ প্ৰতি কৰা চূড়ান্ত অপমান আৰু অভব্য আচৰণৰ দৃশ্য সাংবাদিকৰ কেমেৰাত বন্দী হয়। এই খবৰ কচুৱা অঞ্চলত বিয়পি পৰাত চিকিৎসালয়ৰ কৰ্তৃপক্ষক গৰিহণাৰ লগতে ধিক্কাৰ দিয়ে বিভিন্ন মহলে।







অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com



# ডুৰাণ্ড কাপৰ লগত সংযোজিত হ'ল অসম



## লজ্জাজনক পৰাজয় নৰ্থ ইষ্ট ইউনাইটেডৰ

**গুৱাহাটী, ১৭ আগষ্ট ঃ** ফুটবলৰ ৰোমাঞ্চ আৰু সংগীতৰ মায়াৰ যুগলবন্দিৰে আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ। আবেলি ৫.৩০ বজাত সেউজ দলিছাৰ পদশিল্পৰ যুদ্ধৰ আৰম্ভণিৰ সংকেট ধ্বনি ৰেফাৰীয়ে বজাই দিয়াৰ লগে লগে সৰুসজাই ষ্টেডিয়ামৰ লগতে অসমৰ নাম লিপিবদ্ধ হ'ল গৌৰৱময় ঐতিহ্যৰ সোণালী পৃষ্ঠাত। উল্লেখ্য যে ভাৰতীয় সেনাৰ উদ্যোগত ১৮৮৮ ৰ পৰাই চলি অহা এছিয়াৰ প্ৰথমখন তথা বিশ্বৰ তৃতীয় প্ৰাচীন ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপ এইবাৰ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছে অসমত। স্বৰূপাৰ্থত এয়া ৰাজ্যৰ বাবে গৌৰৱ। ইফালে, নৈশালোকত গুৱহাটীত হোৱা গ্ৰুপ 'ডি'ৰ প্ৰথমখন মেচত নৰ্থ ইষ্ট ইউনাইটেডক ৬-০ গ'লত বিধ্বস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে ওড়িছা এফ চিয়ে। একপক্ষীয় খেলত প্ৰথমাৰ্ধতে তিনিটা গ'ল দিয়ে ওড়িছাই। ১৫ মিনিটত জেৰিয়ে ওড়িছাক ১-০ ৰ অগ্ৰগতি দিয়াৰ পাছত ২৬ মিনিটত দলৰ হৈ দ্বিতীয়টো গ'ল দিয়ে নন্দাই। আনহাতে, ৩৮ মিনিটত জেৰিৰ দ্বিতীয়টো গ'লেৰে বিৰতিলৈ ওড়িছা ৩-০ ত আগবাঢ়ি থাকে। দ্বিতীয়াৰ্ধতো বিপক্ষৰ আক্ৰমণত আত্মসমৰ্পন কৰে নৰ্থ ইষ্ট দলে। ৮১ মিনিটত ইছাকে, ৮৮ মিনিটত ডিয়োগোই আৰু ৯১ মিনিটত থৈবাই গ'ল কৰি ওড়িছা দলক চমকপ্ৰদ বিজয় দিয়ে। মেচৰ শ্ৰেষ্ঠ হয় দুটাকৈ গ'ল কৰা জেৰি। আজি খেলৰ পূৰ্বে হোৱা উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। নৰ্থ ইষ্ট ইউনাইটেডে নিজৰ দ্বিতীয় মেচত অহা ২১ আগষ্টত আৰ্মি গ্ৰীণ দলৰ বিৰুদ্ধে খেলাৰ বিপৰীতে ওড়িছা এফ চিয়ে ২৩ আগষ্টত পৰৱৰ্তী মেচত মুখামুখি হ'ব কেৰালা ব্লাষ্টাৰ্চ এফ চিৰ। গ্ৰুপ 'ডি'ৰ এই মেচ দুখন গুৱাহাটীতে অনুষ্ঠিত হ'ব।



## প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা, সোণাপুৰ, ১৭ আগষ্ট ঃ** কাৰ্বি জনগোষ্ঠীৰ যুৱপ্ৰজন্মক ক্ৰীড়াৰ ক্ষেত্ৰত উদগনি দিয়াৰ উদ্দেশ্যেৰে কাৰ্বি উন্নয়ন পৰিষদৰ উদ্যোগত বমানিত ৰতিকান্ত টেৰণ সোঁৱৰনী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ২৫ আগষ্টৰ পৰা হ'বলগীয়া ফুটবল প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৩০ হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ২০ হেজাৰ আৰু তৃতীয় পুৰস্কাৰ পাঁচ হেজাৰ টকা নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাৰ বাবে ইচ্ছুক দলসমূহক অহা ২২ আগষ্টৰ ভিতৰত ৯৯৫৪১২৮১২০ অথবা ৯৯৫৪১২২৩৪৯ নম্বৰত যোগাযোগ কৰিবলৈ আয়োজকে অনুৰোধ জনাইছে।

## সৌৰভৰ যোগদানক লৈ চৰ্চা
## এইবাৰ ভাৰতত পাকিস্তানী খেলুৱৈ থকা লিজেণ্ড লীগ

**নতুন দিল্লী, ১৭ আগষ্ট ঃ** চলিত জানুৱাৰীত ওমানত অনুষ্ঠিত হৈছিল লিজেণ্ডছ লীগ ক্ৰিকেট টি-২০ঙ্গ এই লীগত ভাৰত, ৰেষ্ট অৱ এছিয়া আৰু ৰেষ্ট অৱ ৱ'ল্ড তিনিটা দলে অংশগ্ৰহণ কৰিছিল। শেহতীয়াকৈ লীগে ঘোষণা কৰিছে যে ভাৰতৰ ছখন চহৰত অনুষ্ঠিত হ'ব দ্বিতীয় সংস্কৰণৰ এই প্ৰতিযোগিতা। লীগে বিচিচিআইৰ সভাপতি সৌৰভ গাংগুলীকো তেওঁলোকৰ অন্যতম শীৰ্ষ ক্ৰয় হিচাপে ঘোষণা কৰিছে আৰু সৌৰভে খেলাৰ বাবে সাজুও হৈছে।



কিন্তু ইয়াৰ ফলতেই ক্ৰীড়াপ্ৰেমীৰ মাজত প্ৰশ্ন আৰু উদ্বেগৰ সৃষ্টি হয়হু সেয়া হ'ল পাকিস্তানৰ লগত ক্ৰিকেট সম্পৰ্কৰ সন্দৰ্ভত বিচিচিআই আৰু ভাৰত চৰকাৰে নিজৰ স্থিতি হঠাতে লিজেণ্ডছ লীগৰ বাবে সলনি কৰিলে নেকি? উল্লেখ্য যে এছিয়া আৰু বিশ্ব একাদশ দলত শ্বোৱাইব আখতাৰ, মিছবাহ-উল হক, শ্বাহিদ আফ্ৰিদিকে ধৰি পাকিস্তানৰ প্ৰাক্তন ক্ৰিকেটাৰৰ এখন দীঘলীয়া তালিকা লীগত আছে। গতিকে, লীগৰ সন্দৰ্ভত ভাৰত চৰকাৰৰ স্থিতি স্পষ্ট কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰিছে। কাৰণ চুবুৰীয়া দেশখনৰ লগত ভাৰত চৰকাৰে সকলোধৰণৰ ক্ৰিকেট সম্পৰ্ক বিচ্ছিন্ন কৰি পেলাইছে। পাকিস্তানে যেতিয়ালৈকে সন্ত্ৰাসবাদীক সমৰ্থন আৰু পুঁজি দিয়া বন্ধ নকৰে তথা ভাৰতৰ মাটিত পাক সমৰ্থিত সন্ত্ৰাসবাদীৰ কুটাঘাত বন্ধ নহয় তেতিয়ালৈকে ভাৰতত পাকিস্তানৰ ক্ৰিকেটাৰে খেলিব নোৱাৰে। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগত পাকিস্তানৰ খেলুৱৈসকলক অংশগ্ৰহণৰ অনুমতি নিদিয়াৰ এয়াৰ মুখ্য কাৰণ। তেনেক্ষেত্ৰত পাকিস্তানৰ ক্ৰিকেটাৰ থকা লিজেণ্ডছ লীগত সৌৰভৰ যোগদান বিষয়টো এতিয়া ক্ৰীড়াপ্ৰেমীয়ে এক প্ৰকাৰ ভণ্ডামী বুলি কৈছে।

## বি ডিভিজন ফুটবলৰ ছেমিত ৰুৱাড ক্লাব

**যোৰহাট ,১৭ আগষ্ট ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা বি ডিভিজন ফুটবল লীগৰ আজি ডি গ্ৰুপৰ খেলত ৰুৱাড ক্লাবে অসম ৰেঞ্জাৰ ক্লাৱক ২-০ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট লাভ কৰাৰ লগতে ছেমিফাইনেলত উপনীত হৈছে। চি গ্ৰুপত ৰুৱাড ক্লাৱ, অনিৰুদ্ধ ক্লাৱ আৰু অসম ৰেঞ্জাৰ ক্লাৱে লীগৰ দুখনকৈ খেলত অংশ গ্ৰহণ কৰি ৰেঞ্জাৰ ক্লাৱে দুখন খেলত পৰাজয় হৈ শূণ্য পইন্ট, ৰুৱাড ক্লাব আৰু অনিৰুদ্ধ ক্লাবে লীগৰ দুখন খেলত অংশ গ্ৰহণ কৰি এখন ড্ৰ আৰু এখন জয়ী হোৱাত দুয়োটা দলে চাৰি পইন্ট লাভ কৰিবলৈ সক্ষম হৈছিল যদিও গ'লৰ সংখ্যা বৃদ্ধি বাবে ৰুৱাড ক্লাবে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। আজি খেল পৰিচালনা কৰে ৰঞ্জিত দত্তই । লাইনত স কুশল মিলি আৰু প্ৰানজিত শইকীয়া চতুৰ্থ ৰেফাৰী ত্ৰিনোজ বড়া। ১৮ আগষ্টৰ প্ৰথমখন ছেমিফাইনেলত অংশ গ্ৰহণ কৰিব ৰঞ্জিত ক্লাব-কাকজান ফুটবল ক্লাবে।



### ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল

## সুনীল-কৃষ্ণাৰ গ'লেৰে বাংগালুৰুৰ জয়



**কলকতা, ১৭ আগষ্ট ঃ** চলিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবলৰ আজি কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত দিনটোৰ প্ৰথম মেচখনত বাংগালুৰু এফ চিয়ে ২-১ গ'লত পৰাস্ত কৰে জামছেদপুৰ এ চিক। গ্ৰুপ 'এ'ৰ মেচখনত বাংগালুৰুক প্ৰথমে অগ্ৰগতি দিয়ে অধিনায়ক সুনীল চেত্ৰীয়ে ২৩ মিনিটত গ'ল কৰি। বিৰতিলৈ দল এগ'লত আগবাঢ়ি থকাৰ সময়তে ৫৬ মিনিটত ৰয় কৃষ্ণাই বাংগালুৰুৰ অগ্ৰগতি ২-০ কৰে। বিপৰীতে জামছেদপুৰৰ হৈ পৰৱৰ্তীত খেলুৱৈ ৰিচিয়ে ৬১ মিনিটত গ'ল কৰি ব্যৱধান ২-১ কৰে যদিও দলৰ পৰাজয় ৰোধ কৰিব নোৱাৰিলে। জামছেদপুৰে অহা ২১ আগষ্টত মহমেদান স্প'টিঙৰ মুখামুখি হোৱাৰ বিপৰীতে বাংগালুৰু দলে ২৩ আগষ্টত ভাৰতীয় বায়ু সেনাৰ বিৰুদ্ধে খেলিব। এই দুয়োখন মেচে কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত হ'ব। প্ৰতিযোগিতাৰ কাইলৈ হ'ব লগা প্ৰথমখন মেচত মুম্বাই চিটী এফ চিয়ে খেলিব ভাৰতীয় নৌ সেনা দলৰ বিৰুদ্ধে। গ্ৰুপ 'বি' ৰ এই মেচখন দিনৰ তিনি বজাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত অনুষ্ঠিত হ'ব। ইফালে, দ্বিতীয় মেচখন নিশা ছয় বজাৰ পৰা ইম্ফলৰ খুমান লাম্পক ষ্টেডিয়ামত হ'ব। গ্ৰুপ 'চি'ৰ এই মেচখনত নেৰ'কা এফ চিয়ে খেলিব টিডিম ৰ'ড এথলেটিক ইউনিয়ন ক্লাবৰ বিৰুদ্ধে। উল্লেখ্য যে অসমৰ লগতে মনিপুৰতো প্ৰথমবাৰলৈ অনুষ্ঠিত হ'ব ডুৰাণ্ড কাপ।

## এদিনীয়া মহিলা ফুটবল প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা, তামুলপুৰ, ১৭ আগষ্ট ঃ** তামুলপুৰৰ কুমাৰীকাটাত আজি অনুষ্ঠিত হয় এদিনীয়া মহিলা ফুটবল প্ৰতিযোগিতা। তামুলপুৰ জিলাৰ কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুস্থিত তথা তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ ১২ টা ছোৱালী ফুটবল দলে অংশ গ্ৰহন কৰা প্ৰতিযোগিতাখন উদ্ধোধন কৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োই ।নক আউট পদ্ধতিত অনুস্থিত প্ৰতিযোগীতাৰ চূড়ান্ত খেলত গাৰোঘুটু চুপাৰ পাৱাৰ দলে কাউলি লিলী দলক ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি বিজয়ী খিতাপ অৰ্জন কৰে ।বিজয়ী আৰু বিজিত দলৰ মাজত বঁটা সমুহ বিতৰন কৰে তামুলপুৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পাৰ্থ সাৰথি শইকীয়াৰ লগতে আয়োজকৰ হৈ আনম হিলালী আৰু কাৰিকৰী বিশেষজ্ঞ দেৱ বাত্ৰাই।



## নাওখেল প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা,বাহাৰঘাট, ১৭ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰভাগৰ হিতসাধিনী পুথিভঁৰাল, উলাবড়ীৰ সৌজন্যত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে ৭৯ সংখ্যক নাওখেল প্ৰতিযোগিতাখন ১৯ আগষ্টত অনুষ্ঠিত হ'ব । পাগলাদিয়া নদীৰ পাৰঘাটত অনুষ্ঠিতব্য প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৭,০০১ টকাৰ লগতে পিতলৰ কলহ আৰু দ্বিতীয় পুৰস্কাৰ ৫,০০১ টকাসহ পিতলৰ কলহ আগবঢ়োৱা হ'ব । নাওখেল পৰিচালনাৰ বাবে ইতিমধ্যে অমূল্য কাকতিক সভাপতি, শ্ৰীকান্ত কাকতিক কাৰ্যকৰী সভাপতি, কমল মেধি আৰু প্ৰাণজিৎ কলিতাক সম্পাদকৰূপে লৈ এখন কমিটী গঠন কৰিছে।

## পশ্চিম কাৰ্বি আংলঙত ছিনিয়ৰ আন্তঃজিলা হকী



**অগ্ৰদূত বাৰ্তা, বেৱেজীয়া, ১৭ আগষ্ট ঃ** হকী অসমৰ তত্ত্বাৱধানত পশ্চিম কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাই ডংকামকামৰ ৰাইচং ষ্টেডিয়ামত আয়োজন কৰিব ছিনিয়ৰ আন্তঃজিলা হকী প্ৰতিযোগিতা। পুৰুষ আৰু মহিলা উভয় শাখাৰ এই ৰাজ্যিক হকী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব অহা ২৮ ৰ পৰা চাৰি ছেপ্টেম্বৰলৈ। এই আন্তঃজিলা প্ৰতিযোগিতাত যোগদানৰ অন্তিম দিন ২২ আগষ্ট বুলি জনাইছে হকী অসমৰ সম্পাদক তপন কুমাৰ দাসে। আজি হকী অসমৰ বিষয়ববীয়া মোহন চন্দ্ৰ বৰা, তপন কুমাৰ দাস আৰু কাৰিকৰী উপ সমিতিৰ আহ্বায়ক নাচিৰউদ্দিন আহমেদসহ এক প্ৰতিনিধি দলে পশ্চিম কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সঞ্জয় ক্ৰ', যুটীয়া সম্পাদক চাৰলংকি বে আৰু আন বিষয়ববীয়াসকলৰ সৈতে সৌহাদ্যপূৰ্ণ আলোচনাত মিলিত হৈ স্থান সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিছে ।

## মঙলদৈ ফুটবল লীগ

**অগ্ৰদূত বাৰ্তা, মঙলদৈ, ১৭ আগষ্ট ঃ** মঙলদৈ ছুপাৰ ডিভিজন ফুটবল লীগৰ আজিৰ এখন গুৰুত্বপূৰ্ণ মেচত অৰুনোদয় সংঘই ইউনাইটেড ক্লাবক ৪-১ গ'লত পৰাজিত কৰি অগ্ৰগতি লাভ কৰিছে। অৰুনোদয় সংঘৰ হৈ ৰঞ্জন বড়ো আৰু দিগন্ত বৰুৱাই এটাকে গ'ল কৰাৰ লগতে কৃষ্ণ বড়োই দুটা গ'ল কৰে। আনহাতে, ইউনাইটেডৰ হৈ একমাত্ৰ গ'লটো কৰে দিজু মুচাহাৰীয়ে। ইপিনে এ ডিভিজন ফুটবল লীগত হাজৰিকাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাই ব্লু বাৰ্ড ক্লাবক ২-০ গ'লত পৰাজিত কৰে। বিজয়ী দলৰ হৈ গ'ল দুটা কৰে বদন ডেকা আৰু হিতেশ কলিতাই।

## যোৰহাট ছুইমিং ছ'চাইটিৰ ২১ গৰাকী খেল' ইণ্ডিয়া জুনিয়ৰ মহিলা সাঁতোৰৰ অসম দল ঘোষণা

**যোৰহাট ,১৭ আগষ্ট ঃ** খেল ইণ্ডিয়া জুনিয়ৰ মহিলা সাতোৰ প্ৰতিযোগিতাত অসম সাতোৰ সন্থাক প্ৰতিনিধিত্ব কৰি যোৰহাট ছুইমিং ছছাইটিৰ ২১ জনীয়া এটা দলে অংশগ্ৰহণ কৰিব। কলকাতাত ২০ আৰু ২১ আগষ্টত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত দলটোৰ খেলুৱৈসকল হ'ল ঋতিষা শৰ্মা, সুবাসনা কাশ্যপ,আৰ্হি গোস্বামী,অনন্যা হাজৰিকা,দৰ্শিতা বৰুৱা ,দেবাংশী হাজৰিকা,মধুপ্ৰিয়া গগৈ,প্ৰাপ্তি চলিহা, অবিস্মিতা হাতীবৰুৱা,অৰিষ্টা শইকীয়া,অশ্ৰুতা হাজৰিকা,অংগৰিকা শইকীয়া ,অনুসূয়া বৰা ,কৃষণালী দলে,অলিম্পিয়া শইকীয়া,শুভ্ৰাংশিনী প্ৰিয়দৰ্শিনী,মৃগাক্ষী শৰ্মা,আস্থা বৰদলৈ,ভূমিকা কাশ্যপ,ত্ৰিশিকা গগৈ,আৰু ৰুক্মী প্ৰিয়দৰ্শিনী ।দলটোৰ প্ৰশিক্ষক হিচাপে আছে লিটু পাল । প্ৰতিযোগীসকলক যোৰহাট ছুইমিং ছছাইটিৰ সভাপতি ৰক্তিম শইকীয়া আৰু সাধাৰণ সম্পাদক দেৱকুমাৰ হাজৰিকাই শুভেচ্ছা জনাইছে।



## ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ গ্ৰেপলিং চেম্পিয়নশ্বিপৰ অসম দল ৰাওনা

**গুৱাহাটী, ১৭ আগষ্ট ঃ** উত্তৰাখণ্ডৰ হালদোৱানিত ১৯ ৰ পৰা ২১ আগষ্টলৈ অনুষ্ঠিত হ'ব লগীয়া ল'ৰা আৰু ছোৱালীৰ ৰাষ্ট্ৰীয় গ্ৰেপলিং চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিব লগা অসম দলটো আজি গুৱাহাটীৰ পৰা ৰাওনা হৈছে। অসম গ্ৰেপলিং সমিতিৰ সভাপতি প্ৰাঞ্জল ফুকনে জনোৱা অনুসৰি দলটোৰ সদস্যসকল হ'ল ঃ অনুৰ্ধ ১১ বছৰ শাখাত ইউচুফ আববাৰ, আশ্ৰফ আলী, য়াৰিছ আলী আৰু ৱাহিদ আলী । অনুৰ্ধ ১৫ বছৰ শাখাত কিৰণ ছুন্দী , ৰমেন মণ্ডল, মনোজ বড়ো, অমিত ছুন্দী আৰু চাহিল ভৰদ্বাজ । অনুৰ্ধ ১৩ বছৰ শাখাত ইলুৱাৰ আলী, চয়ন শৰ্মা । দলৰ প্ৰশিক্ষক সুৰজ সঞ্জীল, টীম মেনেজাৰ জীতেন তাঁতী তথা ৰেফাৰীৰূপে যাব মুছফিক এ হাজৰিকা।


### নাৰায়ণ বাওৰি প্ৰাইজমানি প্ৰতিযোগিতা

## মোনাবাৰী চাহ বাগিচা ফুটবল দল চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, বিশ্বনাথ চাৰিআলি, ১৭ আগষ্ট ঃ** বিশ্বনাথ সাধাৰু চাহ বাগিচাত হোৱা নাৰায়ণ বাওৰি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ সামৰণি পৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাখনত বিশ্বনাথ জিলাৰ মুঠ বাৰটা ফুটবল দলৰ মাজত অনুষ্ঠিত হৈছিল ফাইনেলত মুখৰগড় এফ চিয়ে খেলে মোনাবাৰি চাহ বাগিচা ফুটবল দলৰ বিৰুদ্ধে।। মেচখনত ২-০ গ'লত মোনাবাৰী চাহ বাগিচা ফুটবল দলে জয় অৰ্জন কৰি খিতাপ লাভ কৰে। ফাইনেলত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰে অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দিনেশ নায়ক,অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিশ্বনাথ জিলা সমিতিৰ যুতীয়া সম্পাদক নিহাৰ শইকীয়া,আটছাৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠানিক সম্পাদক ঐবন তাতি,আছাৰ বিশ্বনাথ আঞ্চলিক সভাপতি মিঠু ওৰাং আৰু সম্পাদক আগষ্ট মুণ্ডা,চিপিআই এমৰ ব্ৰাঞ্চ সম্পাদক ধিৰেন ভুমিজ আদি। ফাইনেল মচখন উদ্বোধন কৰে ভাৰতৰ ছাত্ৰ ফেডাৰেচনৰ বিজিলা সমিতিৰ সভাপতি দেবৰাজ সৰকাৰে। আনহাতে, প্ৰতিযোগিতাখন পৰিচালনা কৰাত এটুৱা মুণ্ডা, চিবা কদম বঞ্চী, হেমন্ত কৰ্মকাৰ, চুমি মুণ্ডা চিতা কৰ্মকাৰে সহায় কৰে।

## বাৰ্মিংহামত পদকজয়ী খেলুৱৈৰ শুভেচ্ছা অনুষ্ঠান

**কালিকোট, ১৭ আগষ্ট ঃ** সদ্য সমাপ্ত বাৰ্মিংহাম কমনৱেলথ গেমছত পদক লাভ কৰা দেশৰ খেলুৱৈসকলক শুভেচ্ছা জনোৱাৰ উদ্দেশ্যে কেৰেলাৰ মালবৰ খ্ৰীষ্টিয়ান কলেজে এক বিশেষ অনুষ্ঠান আয়োজন কৰে যত উপস্থিত থাকে কেবাজনো আন্তৰাষ্ট্ৰীয় খেলুৱৈ। অনুষ্ঠানটো পৰিচালনা কৰে কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপক এম চি বশিষ্টে। উল্লেখ্য যে শ্যুটিং আৰু আৰ্চৰী নথকাৰ পাছতো ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতে পদক তালিকাৰ চতুৰ্থ স্থানত থাকি সন্মানৰ অভিযান সামৰিছিল। ভাৰতে ২২ টা সোণ, ১৬ টা ৰূপ




আৰু ২৩ টা ব্ৰঞ্জসহ মুঠ ৬১ টা পদক লাভ কৰে। উল্লেখ্য যে এইবাৰ ভাৰতৰ আটাইকেইগৰাকী মল্লযোদ্ধাই পদক লাভ কৰি চমকপ্ৰদ সফলতা অৰ্জন কৰিছে। ভাৰতৰ ১২ গৰাকী মল্লযোদ্ধাৰ ভিতৰত ছয় গৰাকীয়ে সোণ, এগৰাকীয়ে ৰূপ আৰু পাঁচগৰাকীয়ে ব্ৰঞ্জৰ পদক দখল কৰে। ইফালে, কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকে চমকপ্ৰদ প্ৰদৰ্শন কৰি মুঠ তিনি সোণসহ ১০ টা পদক জয় কৰে। এথলেটিকছত ভাৰতে পায় আঠটা পদক। টেবুল টেনিছ আৰু বক্সিঙত ভাৰতে সাতটাকৈ পদক লাভ কৰে। বেডমিণ্টনত ভাৰতে তিনিটা স্বৰ্ণসহ ছটা পদক জয় কৰে জুডোত ভাৰতে তিনিটা পদক পায়। স্ক'ৱাছত দুটা ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে ভাৰতীয় মহিলা-পুৰুষ লন বল দলে সোণ-ৰূপ জয়ৰে ঐতিহাসিক সফলতা লাভ কৰে। ইফালে, ভাৰতীয় পুৰুষ হকী দলে ৰূপ লাভ কৰাৰ বিপৰীতে ভাৰতৰ মহিলা দলে ব্ৰঞ্জ লাভ কৰে। আনহাতে, প্ৰথমবাৰৰ বাবে কমনৱেলথ গেমছ খেলা ভাৰতৰ মহিলা ক্ৰিকেট দলে ৰূপৰ পদক লাভ কৰি প্ৰত্যাশিত সফলতা অৰ্জন কৰিছে।

### জিলা যোগাসন ক্ৰীড়া সম্পন্ন

**অগ্ৰদূত বাৰ্তা, বেৱেজীয়া, ১৭ আগষ্ট ঃ** নগাঁও জিলা যোগ সংস্থাৰ উদ্যোগত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অ'ডিটৰিয়ামত নগাঁও জিলা যোগাসন ক্ৰীড়া প্ৰতিযোগিতাখনি সফলতাৰে অনুষ্ঠিত হয়। জিলাখনৰ ১৭৫ গৰাকী ল'ৰা-ছোৱালীয়ে যোগদান কৰা এই প্ৰতিযোগিতাত আঠ বছৰ বয়সৰ উৰ্ধৰপৰা বিভিন্ন বয়স গ্ৰুপত খেলসমূহ হয়। যোগাসন, আৰ্টিছটিক যোগ, ৰিড'মিক যোগ আদি ইভেণ্টসমূহৰ খেল অনুষ্ঠিত হয়। প্ৰতিযোগিতাখন মুকলি কৰে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা ড০ অমিয়া পাটৰে। অনুষ্ঠানত অসম যোগ সংস্থাৰ অধ্যক্ষ ডাঃ কৃষ্ণ কুমাৰ বৰা, সভাপতি তপন কুমাৰ দাস, সাধাৰণ সম্পাদক প্ৰভাত চন্দ্ৰ বৰা, নগাঁও



মহকুমা ক্ৰীড়া বিষয়া নীলমণি কাকতি, নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক শৰৎ হাজৰিকা, নগাঁও জিলা যোগ সংস্থাৰ বিষয়ববীয়া ডাঃ দীপিকা নাথ, মঞ্জুলা লস্কৰ, ৰবীন্দ্ৰ শ্বাহ আদি উপস্থিত থাকে। আনহাতে, নিশা নগাঁও জিলা যোগ সংস্থাৰ সভাপতি প্ৰভাত চন্দ্ৰ বৰাই আঁত ধৰা সামৰণি অনুষ্ঠানত সমীৰ হাজৰিকা, নলীন নাথ, ৰিদীপ ফুকন, জেহিৰুল ইছলাম, মনোজ শৰ্মা, লিলি সন্দিকৈ, বিজু শইকীয়া আদিয়ে অংশ লয়। এচিয়ান যোগ ৰেফাৰী চিত্তৰঞ্জন বৰা কাৰিকৰী সঞ্চালকৰূপে থকা প্ৰতিযোগিতাত খেলুৱৈসকলে দেখুওৱা প্ৰদৰ্শনৰ ওপৰতে ভিত্তি কৰি আগন্তুক আন্তঃজিলা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া নগাঁও জিলা যোগাসন দলটো বাছনি কৰা হৈছে।

বিত্ত বিভাগ
অসম চৰকাৰ

Azadi Ka Amrit Mahotsav

# অৰুণোদয় মাহ

## অসমৰ ইতিহাসৰ সৰ্ববৃহৎ সামাজিক সমীক্ষা

২০ আগষ্ট ২০২২ চনৰ পৰা শুভাৰম্ভণি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

**সৰ্বমুঠ হিতাধিকাৰীঃ ২০ লাখ গৰাকী**

**প্ৰতিমাহৰ ১০ তাৰিখে হিতাধিকাৰীৰ একাউণ্টলৈ ১০০০ টকা পোনপটীয়াকৈ হস্তান্তৰ কৰা হয়**

- এটি প'ৰ্টেলৰ যোগে স্বচ্ছ আৰু নিকাভাৱে সকলো হিতাধিকাৰীৰ নাম, ঠিকনা আৰু আনুষাংগিক তথ্য অন্তৰ্ভুক্ত কৰা হ'ব। আৰ্থিকভাৱে পিছপৰা মহিলাসকল যাতে অৰুণোদয় মাহৰ জৰিয়তে লাভান্বিত হয় সেই সন্দৰ্ভত এই সমীক্ষাই নিশ্চিত কৰিব।
- পৰিদৰ্শনকাৰী দলে অৰুণোদয় হিতাধিকাৰীৰ ঘৰে-ঘৰে গৈ উক্ত সমীক্ষাৰ যোগে তথ্য সংগ্ৰহ কৰি মোবাইল এপ্লিকেশ্যনত লিপিবদ্ধ কৰিব। এই সমীক্ষা হিতাধিকাৰীসকলৰ স্ব-ঘোষণা ভিত্তিত কৰা হ'ব।
- পৰিদৰ্শনকাৰী দলে হিতাধিকাৰীসকলৰ ৰেচন কাৰ্ড, আধাৰ কাৰ্ড আৰু ভোটাৰ পৰিচয়পত্ৰৰ তথ্য সংগ্ৰহ কৰিব।



### স্ব-ইচ্ছাৰে নাম কৰ্তনৰ বাবে আবেদন

- বৰ্তমান যিসকল হিতাধিকাৰীৰ অৰুণোদয় আঁচনিৰ সহায়ৰ প্ৰয়োজন নাই, তেওঁলোকে আৰ্থিকভাৱে পিছপৰা শ্ৰেণীটোৰ সুৰক্ষাৰ স্বাৰ্থত স্বেচ্ছাই আঁচনিখনৰ পৰা নাম কৰ্তন কৰে যেন।
- স্ব-কৰ্তনৰ বাবে, আপুনি orunodoi.in প'ৰ্টেলত অনলাইনভাৱে অথবা জিলা উপায়ুক্তৰ কাৰ্যালয় বা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যায়ল বা চক্ৰ বিষয়াৰ কাৰ্যালয়ত আবেদন দাখিল কৰিব পাৰিব।
- অৰুণোদয় আঁচনিৰ পৰা স্বেচ্ছাই নাম কৰ্তন কৰাৰ আপোনাৰ এই মহৎ সিদ্ধান্তই আন এটি পৰিয়াললৈ আশাৰ ৰেঙনি কঢ়িয়াই আনিব।

**বিত্ত বিভাগ। অসম চৰকাৰ**

জনসংযোগ/ডি/১০৯৬৮/২২